গুৰুবাণী

ইটো মহাভাগৱত জগততে সাৰ।
শ্ৰৱণ মাত্ৰকে কৰে সংসাৰৰ পাৰ।।
ভুকুতি মুকুতি পদ হাততে মিলাৱে।
পৰম ভকতি হৃৰে মাধৱৰ পাৱে।।
হেন জানি শুনা সৱে সাৱধান কৰি।
পাতক ছাৰোক ডাকি বোলা হৰি হৰি।।

— ভাগৱত

# মণিকাঞ্চন

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

- Tech/RNP/GH-105/2012-14
- Regd. No. 63480/95

মাহেকীয়া বাৰ্তালোচনী-

অষ্টাদশ বছৰ ঃ নৱম সংখ্যা, ৫৬৪ শঙ্কৰাব্দ, ছেপ্টেম্বৰ ২০১৩ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫


## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ জন্মলগ্নৰ কিছু কথা

**মহেন্দ্ৰ আহোম**

*"A university stands for humanism, for tolerance, for reason, for adventure of ideas and for the search of truth, It stands for the onward march of the human race towards even higher objectives. If the universities discharge their duties adequately, then it is well with the nation and the people."*

—Pandit Jawaharlal Nehru's convocation address to Allahabad University in 1947.

ব্ৰিটিছ উপনিবেশিক চৰকাৰে ১৮৫৭ চনত স্থাপন কৰা বোম্বাই, মাদ্ৰাছ আৰু কলিকতা বিশ্ববিদ্যালয় তিনিখনেই ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ আৰম্ভণী বুলি ধৰিব পাৰি। ১৯৪৭ চনৰ স্বাধীনতাৰ সময়লৈকে ভাৰতবৰ্ষত বিশ্ববিদ্যালয়ৰ ব্যৱস্থা আমেৰিকা আৰু চীনৰ পাছতেই এক বৃহত্তম ব্যৱস্থা। (Our objective is to increase the number of universities from 700 to 1000 and the number of colleges for the current figure of 26000 to around 40,000 — 45,000. Kapil Sibal, HRD Minister. (The Hindu, 20.4.2011)

ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়সমূহ এনে প্ৰকাৰৰ— (ক) কেন্দ্ৰীয় বিশ্ববিদ্যালয় (খ) ৰাজ্যিক বিশ্ববিদ্যালয় (গ) ডিম্ড বিশ্ববিদ্যালয় (Deemed University) আৰু (ঘ) প্ৰাইভেট বিশ্ববিদ্যালয়। কেন্দ্ৰীয় চৰকাৰে পাৰ্লিয়ামেণ্টত আইন পাছ কৰি কেন্দ্ৰীয় বিশ্ববিদ্যালয় ৰাজ্যিক (২ পৃষ্ঠাত চাওক)

## ধুবুৰী ডোমৰদহ প্ৰকল্পত বৃক্ষ ৰোপণ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ডোমৰদহত অৱস্থিত নিজা মাটিত ৮ ছেপ্টেম্বৰ তাৰিখ ৰবিবাৰে কেন্দ্ৰীয়ভাৱে প্ৰায় ১০০০ সাঁচি, চন্দন আদি মূল্যবান গছপুলি ৰোপণৰ কাৰ্যসূচী সম্পন্ন কৰা হয়। পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত, প্ৰধান সম্পাদক শ্ৰীবাবুল বৰাবাপ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক শ্ৰীআনন্দ কুমাৰ বৰাদেৱ উপস্থিত থাকি কেন্দ্ৰীয় সেৱাবাহিনীৰ বঙাইগাঁও জিলাৰ ৮ জন আৰু ৰঙিয়া জিলা শাখাৰ ৪ জন, মূখ্য অধিনায়ক আৰু উপ-মূখ্য অধিনায়কদ্বয়ৰ সহযোগত প্ৰায়

(৬ পৃষ্ঠাত চাওক)

## ভৱানীপুৰীয়া গোপালআতাৰ জীৱন আৰু কৃতি বিষয়ক বক্তৃতানুষ্ঠান






মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ-প্ৰসাৰত তাৰাৰ যিসকল শিষ্য-প্ৰশিষ্যই মহত্ত্বপূৰ্ণ ভূমিকা পালন কৰি অসমৰ ইতিহাসত নিজৰ নাম স্মৰণীয় কৰি থৈ গৈছে সেইসকলৰ ভিতৰত অন্যতম আছিল ভৱানীপুৰীয়া গোপালআতা। ভালেমান সুমধুৰ গীত আৰু ঘোষা ৰচনা কৰাৰ উপৰি জন্মযাত্ৰা, নন্দোৎসৱ, উদ্ধৱযান, স্যমন্তক হৰণ আদি গীতিমধুৰ নাট ৰচনাৰে ভক্ত সমাজত অতি জনপ্ৰিয় হৈ পৰা এইগৰাকী আতাই পূৰ্ব সাংগঠনিক প্ৰতিভাৰে ১২জনা ধৰ্মাচাৰ্যক অসমৰ বিভিন্ন অঞ্চলত গুৰুধৰ্ম প্ৰচাৰৰ দায়িত্ব অৰ্পণ কৰি বিশেষকৈ উজনি অসমত বৈষ্ণৱ ধৰ্মৰ এক অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰিছিল। এইগৰাকী মহান পুৰুষৰ জীৱন আৰু কৃতিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিবৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিয়ে আতাপুৰুষগৰাকীৰ কৰ্মস্থল বৰপেটা জিলাৰ ভৱানীপুৰত এখনি বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। যোৱা আগষ্ট মাহৰ ১১ তাৰিখ (২৫ শাওন,

(২ পৃষ্ঠাত চাওক)

## নেৰিবাহা যুগধৰ্ম

**দীননাথ ডেকা**

এক বিশ্বাত্মা ভগৱানৰ উপাসনা— সনাতন ধৰ্ম আৰু যুগভেদে যি যুগোপযোগী পদ্ধতিৰে সেই উপাসনা কৰা হয় সি যুগধৰ্ম। হৰিনাম কীৰ্তন কলিৰ যুগধৰ্ম।

"কৃতে যদ্ ধ্যায়তো বিষ্ণুং ত্ৰেতায়াং যজতো মখৈঃ।
দ্বাপৰে পৰিচৰ্য্যায়াং কলৌ তদ্ধৰিকীৰ্তনাং।"

— ভাগৱত, ১২/৩/৫২

"ধ্যায়ন্ কৃতে যজন্ যজ্ঞৈস্ত্ৰেতায়াং দ্বাপৰেঽৰ্চয়ন্।
যদাপ্নোতি তদাপ্নোতি কলৌ সংকীৰ্ত্য কেশৱম্।। — বিষ্ণু পুৰাণ, ৬/২/১৭

দুয়োটা শ্লোকৰ অৰ্থ ঃ সত্যযুগত ভগৱান বিষ্ণুৰ ধ্যান কৰি, ত্ৰেতা যুগত বিষ্ণুৰ যজ্ঞ কৰি, দ্বাপৰ যুগত বিষ্ণুৰ পূজা (পৰিচৰ্যা) কৰি সেৱকৰ যি ফল লাভ হয় কলিযুগত একমাত্ৰ ভগৱানৰ নাম-কীৰ্তনতেই সেই সমস্ত ফল লাভ হৈ থাকে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱেও কীৰ্তনত লিখিছে—

"সত্য যুগে কৰি ধ্যান সমাধি।
ত্ৰেতাত সমস্ত যজ্ঞে আৰাধি।।
দ্বাপৰে পুজি নানা ভক্তি ভাৱে।
কলিত কীৰ্ত্তনে সি গতি পাৱে।।" —কীৰ্ত্তন-ঘোষা

অকল ধ্যান, যজ্ঞ, পূজাৰ ফলেই নহয়, সমস্ত

(২ পৃষ্ঠাত চাওক)

## নাট্য-সাহিত্য আৰু শ্ৰীমন্ত শঙ্কৰদেৱ

**ড° প্ৰদীপ হাজৰিকা**

পুণ্যভূমি অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ আৰু জনজীৱনলৈ আগবঢ়োৱা বিচিত্ৰ অৱদান, অসমৰ জাতীয় জীৱনৰ বাবে এক স্মৰণীয় অধ্যায়। সেই অধ্যায় স্বৰ্ণমণ্ডিত হৈ উঠিছিল গুৰুজনাই সৃষ্টি কৰা নাট্যকলাত। চাৰে পাঁচশ বছৰৰ পূৰ্বে নাট্যাভিনয়ৰ শুভ সূচনা কৰি গুৰুজনাই আবাল-বৃদ্ধ-বণিতাক আধ্যাত্মিক শিক্ষা প্ৰদানত অভূতপূৰ্ব সফলতা লাভ কৰিছিল। স্মৰ্তব্য যে গুৰুজনাৰ পূৰ্বে কোনো ভাৰতীয় নাট্যকাৰে ধৰ্মীয় বিষয়বস্তুক নাটকলৈ ৰূপান্তৰ কৰি জন-মন আকৰ্ষণৰ প্ৰচেষ্টাত প্ৰবৃত্ত হোৱা নাছিল। এই পৰিপ্ৰেক্ষিতত শ্ৰীমন্ত শঙ্কৰদেৱৰ এনে প্ৰচেষ্টা আৰু আঁচনি, সেই সময়ৰ পটভূমিত চমকপ্ৰদই নহয়, অভিনৱও।

শ্ৰীমন্ত শঙ্কৰদেৱে মাথোন ঊনৈশ বছৰ বয়সতে বুঢ়া খাঁ, জয়ন্ত মাধৱকে ধৰি তাৰাৰ কেইজন আত্মীয়ৰ অনুৰোধত দৰ্শকক বিপুলভাৱে আকৃষ্ট কৰাৰ কথা চৰিতপুথিত সবিস্তাৰে উল্লেখ আছে। স্মৰণীয় যে 'চিহ্নযাত্ৰা' অভিনয়ৰ পূৰ্বে গুৰুজনাই বৰদোৱাৰ সৰিয়হতলী চিকুণাই নামগৃহ (ৰঙীয়াল ঘৰ) নিৰ্মাণ কৰাৰ লগতে খোল-তাল প্ৰস্তুত কৰোৱাই সিবোৰৰ সফল প্ৰয়োগেৰে গুৰুজনাই অসম

(৮ পৃষ্ঠাত চাওক)

## জন্মলগ্নৰ কিছু কথা

(২ পৃষ্ঠাৰ পৰা)

চৰকাৰসমূহে বিধান সভাৰ আইনৰ জৰিয়তে ৰাজ্যিক বিশ্ববিদ্যালয় আৰু কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC)ৰ আইনৰ ৩নং ধাৰা মতে কিছুমান উচ্চ স্তৰৰ শিক্ষানুষ্ঠানক বিশ্ববিদ্যালয় হিচাপে (Deemed University) গণ্য কৰে। ইয়াৰ উপৰি ইউ.জি.চি.য়ে প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰসমূহক কৰ্তৃত্ব দিয়ে। কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ অৰ্থ সাহায্যৰে প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়সমূহে উচ্চ শিক্ষাৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰাত অসমৰ্থ হৈ পৰিছে। বৰ্তমানে উচ্চতৰ মাধ্যমিক (+ ১২) শ্ৰেণী পাছ কৰি উচ্চ শিক্ষা লাভ কৰিবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ মাত্ৰ ১৪ শতাংইহে এনে সুযোগ লাভ কৰে। কেন্দ্ৰীয় নাইবা ৰাজ্যিক বিশ্ববিদ্যালয়লৈ প্ৰয়োজনীয় পুঁজি যোগান ধৰিবলৈ অসমৰ্থ হোৱা কেন্দ্ৰীয় চৰকাৰে ব্যক্তিগত খণ্ডত বিশ্ববিদ্যালয় স্থাপনৰ অনুমতি দিয়ে ৰাজ্য চৰকাৰসমূহক। ৰাজ্য চৰকাৰসমূহে বিধান সভাত আইন পাছ কৰি প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপনৰ অনুমতি দিয়ে ৰাজ্য চৰকাৰসমূহক। ৰাজ্য চৰকাৰসমূহে বিধান সভাত আইন পাছ কৰি প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপন কৰিব পাৰে। অসম চৰকাৰে The Assam Private Universities Act, 2007 আইন প্ৰণয়ন কৰি অসমত প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰে। বৰ্তমানলৈকে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যই স্থাপন কৰা এনে প্ৰাইভেট বিশ্ববিদ্যালয়ৰ সংখ্যা ১০৮খন মান হ'ব।

**মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম, দৰ্শন, আদৰ্শ আৰু সৃষ্টিৰাজি প্ৰচাৰৰ উদ্দেশ্যে ১৯৩০ চনত স্থাপন হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই অসমত এখন প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপনৰ উদ্যোগ গ্ৰহণ কৰে আৰু এইক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ 'শ্ৰীমন্ত শঙ্কৰদেৱ এডুকেশ্যন এণ্ড চচিঅ' ইক'নমিক ডেভেলপমেণ্ট ট্ৰাষ্ট' নামৰ এটা ন্যাস গঠন কৰি দিয়ে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মূল উদ্যোক্তা (Sponsoring Body) হিচাপে উক্ত ন্যাসৰ জৰিয়তে 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়' নামৰ এখন বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত আগবাঢ়ে।

যোৱা ১৮/০৭/২০১৩ তাৰিখে অসম বিধান সভাই এখন আইন প্ৰণয়ন কৰি 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়' প্ৰতিষ্ঠা কৰে। ইয়াক লগে লগে শ্ৰীমন্তশঙ্কৰদেৱ সঙ্ঘই বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে লোৱা উদ্যোগ সফল হয়। শঙ্কৰদেৱ সঙ্ঘৰ অগণন ভকত বৈষ্ণৱৰ লগতে অসমৰ বিদ্যানুৰাগী ৰাইজ আনন্দিত হয়। উল্লেখনীয় যে বিধান সভাৰ মজিয়াতে অসমৰ শিক্ষামন্ত্ৰী ড° শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মাৰ লগতে আন তিনিজন এম.এল.এ. শ্ৰীযুত ৰেকিবুদ্দিন আহমেদ, শ্ৰীযুত কেশৱ মহন্ত আৰু শ্ৰীযুত চিৰাজুদ্দিন আজমলে এমাহৰ দৰমহা বিশ্ববিদ্যালয় পুঁজিলৈ আগবঢ়ায়। এনে সদিচ্ছাৰ বাবে শঙ্কৰদেৱ সঙ্ঘই আটাইকেইজন দাতালৈ কৃতজ্ঞতা জ্ঞাপন কৰে, বিশ্ববিদ্যালয়খনি প্ৰতিষ্ঠাৰ বাবে অসম চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনি 'অসম প্ৰাইভেট বিশ্ববিদ্যালয় আইন, ২০০৭' অনুযায়ী ব্যক্তিগত খণ্ডত স্থাপন কৰা হৈছে আৰু চৰকাৰৰ তৰফৰ কোনো আৰ্থিক সাহায্য লাভ নকৰিব। নিজে পুঁজি যোগাৰ কৰি বিশ্ববিদ্যালয়খন পৰিচালনা কৰিব লাগিব।

**দীৰ্ঘ পৰিক্ৰমা ঃ** উল্লিখিত আইনৰ অধীনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ২০০৭ চনত ১০ লাখ টকা আবেদন মাচুলসহ বিশ্ববিদ্যালয় স্থাপনৰ বাবে অসম চৰকাৰলৈ আৱেদন কৰে। চৰকাৰে পৰীক্ষা কৰি ২০০৮ চনত কিছুমান চৰ্তসহ সঙ্ঘক প্ৰাৰম্ভিক পত্ৰ (Letter of Intent) প্ৰদান কৰে। দুবছৰৰ ভিতৰত উক্ত চৰ্তসমূহ পূৰণ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ সঙ্ঘক নিৰ্দেশ দিয়ে।

চৰ্তসমূহ এনে ধৰণৰ— (ক) দুই কোটি টকাৰ এটা পুঁজি গঠন (খ) কমেও ৬০ বিঘা বিশ্ববিদ্যালয়ৰ নামত নিজা ভূমি (গ) দহ হাজাৰ বৰ্গমিটাৰ নিৰ্মিত গৃহ (ঘ) ১০ লাখ টকা মূল্যৰ কিতাপৰ এটি পুথিভঁৰাল। পাঁচ বছৰৰ ভিতৰত অন্য ৫০ লাখ টকাৰ মূল্যৰ কিতাপৰ সংগ্ৰহ। (ঙ) ২০ লাখ টকাৰ যন্ত্ৰপাতি, কম্পিউটাৰ, প্ৰয়োজনীয় আচবাব আৰু ৫ বছৰৰ ভিতৰত অন্তত এক কোটি টকা ব্যয় কৰা প্ৰতিশ্ৰুতি (চ) বিশ্ববিদ্যালয়ে শিক্ষাদান আৰম্ভ কৰিব খোজা প্ৰতিটো বিভাগতে কমেও ৩জন অধ্যাপক, ২জন সহযোগী অধ্যাপক আৰু প্ৰয়োজনীয় সংখ্যক সহকাৰী অধ্যাপকৰ নিযুক্তিৰ প্ৰতিশ্ৰুতি।

সঙ্ঘই এই চৰ্তসমূহ পালন কৰিব লাগিছিল ২০১০ চনক ২০ ফেব্ৰুৱাৰীৰ ভিতৰত। ৰাইজৰ পৰা সংগৃহীত গ্ৰন্থৰে প্ৰস্তুত কৰি উলিওৱা পুথিভঁৰাল, আচবাব আৰু যন্ত্ৰপাতিৰ ক্ষেত্ৰত থকা চৰ্তসমূহ পূৰণ কৰা হৈছে বুলি চৰকাৰক প্ৰতিবেদন দাখিল কৰা হ'ল। লগতে সংগৃহীত ২ কোটি টকাৰ জমা পুঁজিৰ প্ৰতিবেদনো দিয়া হ'ল। প্ৰতিবেদন দাখিল কৰা হ'ল ০৮/০২/২০১০ তাৰিখে। কিন্তু লেঠা লাগিল বিশ্ববিদ্যালয়ৰ নামত কমেও ৬০ বিঘা নিজা মাটি আৰু ১০,০০০ বৰ্গমিটাৰ নিৰ্মিত গৃহক লৈ। বিশ্ববিদ্যালয়ৰ বাবে মাটি আবণ্টনৰ বাবে অসম চৰকাৰক আবেদন কৰা হৈছে যদিও তেতিয়ালৈকে আবণ্টন পোৱা হোৱা নাই। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল চৌহদতে অস্থায়ীভাৱে নিৰ্মিত বিশ্ববিদ্যালয় অনুসন্ধান কেন্দ্ৰতে বিশ্ববিদ্যালয় আৰম্ভ কৰিব পৰা যাব বুলি দিয়া প্ৰতিবেদন অসম চৰকাৰে অগ্ৰাহ্য কৰে। লগতে আবেদন মাচুল হিচাবে জমা দিয়া ১০ লাখ টকা বাজেয়াপ্ত কৰাৰ কথা ০৯/০৩/২০১৩ তাৰিখৰ চিঠি যোগে অসম চৰকাৰে আমাক জানিবলৈ দিয়ে।

সঙ্ঘই বিশ্ববিদ্যালয় স্থাপনৰ বাবে চেষ্টা অব্যাহত ৰাখে। অসম চৰকাৰৰ পৰা মাটি আবণ্টনৰ বাবে আৰু মূল চৌহদতে তিনিমহলীয়া গৃহ নিৰ্মাণ কৰি চৰ্ত পূৰণৰ চেষ্টা চলাই যায়। অসম চৰকাৰৰ ৰাজহ বিভাগে সঙ্ঘক বিশ্ববিদ্যালয়ৰ নামত ৬০ বিঘা ২ কঠা ১০ লেছা মাটি আবণ্টন দিয়ে ১৩/০১/২০১১ তাৰিখে। ১৬/০২/২০১৩ তাৰিখে পুনৰ ১০ লাখ আবেদন মাচুলসহ পুনৰ আবেদন দাখিল কৰে। ১১/০৪/২০১৩ তাৰিখে প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপনৰ সম্পৰ্কত অসমৰ মুখ্য সচিবৰ সভাপতিত্বত উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে বিশ্ববিদ্যালয় স্থাপনৰ বাবে অনুমোদন জনায়। ১৮/০৭/২০১৩ তাৰিখে অসম বিধান সভাই আইন প্ৰণয়ন কৰি বিশ্ববিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰে।

**প্ৰস্তুতি ঃ** সঙ্ঘৰ মূল কাৰ্যালয় চৌহদত নিৰ্মাণ কৰি উলিওৱা তিনি মহলীয়া ভৱনতে ২০১৪ চনত জুন/ জুলাই মাহৰ পৰা বিশ্ববিদ্যালয়

(৬ পৃষ্ঠাত চাওক)

## প্ৰকল্পত বৃক্ষ ৰোপণ

(২ পৃষ্ঠাৰ পৰা)

৫ ঘণ্টা জুৰি কৰা কাৰ্যসূচীভাগত এক দীৰ্ঘম্যাদি প্ৰকল্প হাতত লৈ বৃক্ষ ৰোপণ কৰা হয়। কাৰ্যসূচীভাগৰ শুভাৰম্ভ কৰি পদাধিকাৰ বাপে ইয়াৰ লগত সাঙোৰ খাই থকা অৰ্থনৈতিক বিপ্লৱৰ কথাও উল্লেখ কৰে। উল্লেখযোগ্য যে আজি বহু বছৰ ধৰি মূল সঙ্ঘত সেৱা আগবঢ়াই অহা অজিত, পাপু আৰু ভৈৰৱ আমচিয়েও এই কাৰ্যসূচীত বহু কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি পুলিসমূহ ৰোপণ কৰাত সহায়ৰ হাত আগবঢ়াই।◆

## ভৱানীপুৰীয়া গোপালআতাৰ

(২ পৃষ্ঠাৰ পৰা)

৫৬৪ শঙ্কৰাব্দ) দেওবাৰে সঙ্ঘৰ বৰপেটা জিলা শাখাৰ আতিথ্যত অনুষ্ঠিত হোৱা এই গুৰুত্বপূৰ্ণ বক্তৃতানুষ্ঠান সঞ্চালনা কৰে সঙ্ঘৰ সন্মানীয় পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্তদেৱে। বৰপেটা জিলা শাখাৰ সংস্কৃতি বিভাগে পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটি উদ্বোধন কৰি দিয়া ভাষণত সঙ্ঘৰ উপ-পদাধিকাৰ শ্ৰীযুত ভবেন্দ্ৰনাথ ডেকাদেৱে গোপালআতাৰ অননুকৰণীয় ব্যক্তিত্ব, কৰ্মস্পৃহা, তেখেতৰ ওপৰত গুৰু মাধৱদেৱৰ অতল বিশ্বাস আৰু গুৰুধৰ্ম প্ৰসাৰত আতাৰ মহত্ত্বপূৰ্ণ ভূমিকাৰ কথা উদাহৰণেৰে সৈতে দাঙি ধৰে।

অনুষ্ঠানত বক্তাৰূপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° পোণা মহন্ত, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটাৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° বাবুল চন্দ্ৰ দাস, বি. এইছ. বি. মহাবিদ্যালয়, সৰুপেটাৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° অমিয়া মহন্ত, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁৱৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কৈলাস দাস আৰু ভৱানীপুৰৰ স্থানীয় বিদ্যানুৰাগী যুৱক শ্ৰীদিলীপ দাসদেৱে।

"গোপাল আতাৰ সাহিত্যকৃতি" বিষয়ত বক্তৃতা প্ৰদান কৰি ড° পোণা মহন্তদেৱে আতা ৰচিত নাট-গীতসমূহৰ সাহিত্যিক মূল্য, সেইবোৰৰ ভাষা, ব্যৱহৃত অলংকাৰ আদিৰ আধুনিক দৃষ্টিভঙ্গীৰে সূক্ষ্ম বিশ্লেষণ দাঙি ধৰাৰ লগতে 'পূৰ্ণ গোপাল', 'কথাৰ সাগৰ' আদি আখ্যা পোৱা গোপাল আতাৰ সমসাময়িক সমাজখনত কেনে জনপ্ৰিয়তা আছিল তাৰ ভালেমান নিদৰ্শন দাঙি ধৰে অতি গম্ভীৰ অথচ সৰল ভাষাৰে। "শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা..." আদি মাধৱদেৱ প্ৰণিত ঘোষাফাকি সুললিত কণ্ঠে পৰিৱেশন কৰি বক্তৃতা আৰম্ভ কৰা ড° বাবুল চন্দ্ৰ দাসদেৱৰ বক্তৃতাৰ বিষয় আছিল 'গোপাল আতাৰ জীৱন আৰু ব্যক্তিত্ব'। বিভিন্ন চৰিতপুথিৰ উদ্ধৃতিৰে দাসদেৱে গোপাল আতাৰ জীৱনৰ বিশেষত্বপূৰ্ণ দিশসমূহৰ ওপৰত আলোকপাত কৰি আতাগৰাকীৰ ব্যক্তিত্বৰ মহত্বম দিশবোৰ দাঙি ধৰে। গোপাল আতাৰ কলাত্মক প্ৰতিভাৰ নিদৰ্শনৰূপে তেখেতে আতা ৰচিত "হৰি হৰি কিনা ভেলি..." আৰু "কহয় মাধৱ মাই উঠ উঠ..." শীৰ্ষক গীত দুটি (যি দুটিক তাৰাৰ শিষ্য-প্ৰশিষ্যসকলে বৰগীতৰ মৰ্যদা দিয়ে) সুললিত কণ্ঠে পৰিৱেশন কৰি সভাসদক সন্মহিত কৰি তোলে। "গোপাল আতাৰ সাহিত্যৰ ভাষা" শীৰ্ষক বক্তৃতা প্ৰদান কৰি ড° অমিয়া মহন্তই শঙ্কৰদেৱ মাধৱদেৱৰ সাহিত্যৰ ভাষাৰ লগত গোপাল আতাৰ সাহিত্যৰ ভাষাৰ তুলনাত্মক আলোচনা দাঙি ধৰাৰ লগতে আতাৰ সাহিত্যৰ ভাষাৰ বাক্যৰীতি, শব্দচয়ন, বৰ্ণবিন্যাস আদি দিশৰ সূক্ষ্ম বিশ্লেষণ দাঙি ধৰে। "শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ গোপাল আতাৰ ভূমিকা" শীৰ্ষক বক্তৃতা প্ৰদান কৰি অধ্যাপক কৈলাস দাসদেৱে মধ্যযুগত ভাৰতবৰ্ষত ভক্তি আন্দোলন যে ব্ৰাহ্মণ্যবাদৰ প্ৰতিবাদ কল্পেই গঢ়ি উঠিছিল আৰু গুৰুজনাৰ ধৰ্মৰ মূল উদ্দেশ্যও যে জাতিভেদ, অস্পৃশ্যতা দূৰ কৰি এখন সাম্যবাদী সুস্থ মানৱ সমাজ গঢ়ি তোলাটোৱেই আছিল সেই কথাৰ ব্যাখ্যা দাধি ধৰি গোপাল আতাই নিয়োগ কৰা ধৰ্মাচাৰ্যসকলেই যে সৰ্বাধিক আৰ্যভিন্ন লোকসকলক গুৰুধৰ্মত দীক্ষিত কৰাইছিল, সেই বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে। শ্ৰীদিলীপ দাসদেৱে নিজৰ বক্তৃতাত গোপাল আতা প্ৰতিষ্ঠিত আৰু আজ্ঞাপৰ বৰপেটা জিলাৰ স্থানীয় সত্ৰসমূহৰ ইতিবৃত্ত দাঙি ধৰে।

সঞ্চালকৰ ভাষণত পদাধিকাৰ বাপজনাই গোপাল আতাৰ মহৎ কৰ্মৰাজি আৰু ব্যক্তিত্ব অনুসৰণ কৰিবলৈ আৰু শ্ৰীমন্ত শঙ্কৰদেৱে দেখুৱাই থৈ যোৱা সুন্দৰতম জীৱনৰ পথেৰে নিজে আগবঢ়াৰ লগতে আনকো সেই পথলৈ আগবঢ়াই অনাৰ দায়িত্ব পালনৰ বাবে সকলো শ্ৰেণীৰ লোকলৈ আহ্বান জনায়।

অনুষ্ঠানৰ শেষত আয়োজক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ সম্পাদক ড° জগত চন্দ্ৰ কলিতাই অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰি এগৰাকী মহানপুৰুষ গোপাল আতাৰ জীৱন আৰু কৃতি বৰ্তমান সমাজত দাঙি ধৰাত সহযোগ কৰা বাবে সকলো পক্ষলৈ আন্তৰিক কৃতজ্ঞতাৰ সেৱা যাচে।◆◆

## নেৰিবাহা যুগধৰ্ম

(২ পৃষ্ঠাৰ পৰা)

আচাৰ, সমস্ত ধৰ্ম আৰু সমস্ত ধৰ্মৰো ফল নাম-কীৰ্তনতেই পোৱা যায়।

"ইটো ধন্য ধন্য কলি আকেসে মহন্ত বুলি
ভাল মন্দ একোৰে নচাৰে।
যতেক যুগৰ ধৰ্ম্ম আচাৰ যতেক কৰ্ম্ম
কীৰ্ত্তনে সৱাৰো ফল পাৱে।।"

— ভাগৱত, ১২শ স্কন্ধ

নাম-ধৰ্ম কলিৰ বাবেইহে নে আগতেও আছিল ? ইয়াৰ উত্তৰ 'বৈষ্ণৱামৃত' শাস্ত্ৰত দিছে—

"চাৰি যুগে নামধৰ্ম্ম সকলো লোকৰ।
তথাপি কলিত শ্ৰেষ্ঠ নাম গুৰুতৰ।।
আন যুগে আনো নানা কৰ্ম্ম কৰে থিত।
নাম বিনে গতি নাই জানিবা কলিত।।"

সত্যযুগত ধ্যান কৰি বিষ্ণুৰ দহোটা নাম, ত্ৰেতাত যজ্ঞ কৰি বিষ্ণুৰ আঠোটা নাম, দ্বাপৰত হৰি পূজা কৰি বাৰটা নাম ল'লেহে সেই ধ্যান, যজ্ঞ, পূজাদিৰ ফল লাভ হৈছিল। স্বতন্ত্ৰভাবেও হৰিনাম শ্ৰৱণ-কীৰ্তন সেই তিনিও যুগতো সকলো লোকৰ বাবেই স্বধৰ্ম আছিল; কিন্তু কলিযুগত কেৱল হৰিনামহে সকলো লোকৰ বাবে একমাত্ৰ স্বধৰ্ম নিৰ্দিষ্ট হৈছে।

"কলিত কেৱল হৰিনাম মহাধৰ্ম্ম।
এহিমানে সমস্ত শাস্ত্ৰৰ তত্ত্বমৰ্ম।।"

— ভক্তি-ৰত্নাকৰ

কিনো ভাগ্য কিনো ভাগ্য কলিৰ প্ৰজাৰ।
হৰিনাম কীৰ্ত্তনে স্বধৰ্ম্ম ভৈল যাৰ।।"

— কীৰ্ত্তন-ঘোষা

(৬ পৃষ্ঠাত চাওক)

# হৰিশ্চন্দ্ৰ উপাখ্যানৰ বিষয়বস্তু আৰু সাহিত্যিক মূল্য

ড° জগত চন্দ্ৰ কলিতা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান' গ্ৰন্থভাগি তেখেতৰ সমস্ত ৰচনাৱলীৰ মাজত কেইবাটাও দিশৰ পৰা অধিক গুৰুত্বপূৰ্ণ। প্ৰথম কথা এইখন তাৰাৰ প্ৰথম কাহিনীযুক্ত ৰচনা। এইখনৰ আগতে গুৰুজনাই কেৱল কোমল গীত কেইটামানহে ৰচনা কৰিছিল বুলি গুৰুচৰিতৰ পৰা জনা যায় যদিও তেনেকুৱা গীত মাত্ৰ এটাহে (কৰতল কমল কমলদল নয়ন...) পোৱা যায়। দ্বিতীয় কথা, কোমল গীতটোৰ লগতে 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যখনি তেখেতৰ ছাত্ৰ জীৱনতে অৰ্থাৎ গুৰুগৃহত থাকোঁতেই ৰচনা কৰা। কথাগুৰুচৰিতত এই সম্পৰ্কে এনেদৰে লিখা হৈছে "আৰু মাৰ্কণ্ডেয় পুৰাণৰ পৰা প্ৰথমে কাম ধৰি হৰিশ্চন্দ্ৰ উপাখ্যান কৰিছে চাৰিখুটা মাৰি সেৱকলৈ।" তৃতীয় কথা, এই গ্ৰন্থতেই গুৰুজনাই প্ৰথমে তাৰাৰ ভক্তিপন্থ নিৰ্দেশ কৰিছে নাম, দেৱ, গুৰু, ভকত— ভকতিৰ এই চাৰিখুটি মাৰি। গুৰুজনাই নিজেই এই কথা কৈ গৈছে এনেদৰে— "ভকতিৰ চাৰি খুঁটি মাৰি পুথিখনি কৈলো।" চতুৰ্থ কথা ডেকাকালত ৰচিত হোৱা এই উপাখ্যানত আছে লেখকৰ তাৰুণ্যৰ চপলতা, ৰচনাৰ চঞ্চলতা আৰু চাতুৰ্য।

উপাখ্যানখনিৰ ৰচনাৰ সময় নিৰ্দ্দিষ্টকৈ ক'ব নোৱাৰিলেও বিভিন্ন তথ্য বিচাৰ কৰি ড° মহেশ্বৰ নেওগে সিদ্ধান্ত কৰিছে যে— "২১/২২ বছৰ বয়সৰ পূৰ্বে গুৰুজনাৰ প্ৰথম পুথি হৰিশ্চন্দ্ৰ উপাখ্যান ৰচিত হয়।" কম বয়সতে লিখা এই গ্ৰন্থত গুৰুজনাৰ সমাজ জীৱনৰ বিস্তৃত পৰিচয় আৰু সূক্ষ্ম বিশ্লেষণৰ পৰিচয় ফুটি উঠিছে। সমাজখনৰ বিভিন্ন সম্প্ৰদায়ৰ, বিভিন্ন বৃত্তিৰ, বিভিন্ন বয়সৰ, বিভিন্ন ধ্যান-ধাৰণাৰ মানুহৰ মনোবিশ্লেষণ যিমান গভীৰভাৱে কৰা হৈছে সি সঁচাই আশ্চৰ্যকৰ।

**বিষয়বস্তু ঃ** কাব্যখনিৰ মঙ্গলাচৰণতে কবিয়ে ইয়াৰ বিষয়বস্তুৰ পৰিচয় দিছে এই বুলি—

"মাৰ্কণ্ডেয় পুৰাণৰ কথাতে প্ৰধান।
পয়াৰে ৰচিবো হৰিশ্চন্দ্ৰ উপাখ্যান।।"২

মূল কাহিনীটোৰ পৰিচয় কবিয়ে দুটা পদেৰে দাঙি ধৰিছে—

"জয় জয় হৰিশ্চন্দ্ৰ নৃপতি তিলক।
ৰাজসূয় যজ্ঞ যজি ত্ৰিদশ দেৱক।।
সশৰীৰে স্বৰ্গে গৈলা সমস্ত নগৰে।
কৃষ্ণৰ চৰণে পদ ভণিল শঙ্কৰে।।"৩

গুৰুজনাই ছাত্ৰাৱস্থাতে উত্তৰ-পূৰ্বাঞ্চলত এক ধৰ্ম সংস্কাৰৰ বিপ্লৱৰ যি প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল তাক বাস্তৱত ৰূপ দিয়াৰ প্ৰথম পদক্ষেপ আছিল হৰিশ্চন্দ্ৰ উপাখ্যান ৰচনা কৰা। অন্য দেৱ-দেৱীৰ অস্তিত্ব থাকিলেও সেই সমস্ত দেৱ-দেৱীৰ ওপৰত বিষ্ণুৰ শ্ৰেষ্ঠত্ব, বৈষ্ণৱ ধৰ্মত বিষ্ণু আৰু বৈষ্ণৱৰ অৰ্থাৎ ভগৱান আৰু ভক্তৰ সমগুৰুত্ব, বিষ্ণু-বৈষ্ণৱৰ গুণ-গান শ্ৰৱণ-কীৰ্তন পাপক নিৰ্মূল কৰাৰ লগতে এই ধৰ্মই জাতি-অজাতি ভেদ নাশ কৰি সকলোকে সমানে ফলদান কৰা আদি যিবোৰ অতি গভীৰ, মানৱতাবাদী আদৰ্শ মহাপুৰুষজনাৰ গুৰুগৃহত থাকোঁতে উপলব্ধি হৈছিল সেই আদৰ্শসমূহ প্ৰচাৰৰ বাবে তাৰাই মাৰ্কণ্ডেয় পুৰাণৰ এই কাহিনীটো নিৰ্বাচন কৰি কৈছিল—

"বিষ্ণু বৈষ্ণৱৰ কথা দুয়ো সমতুল।
শ্ৰৱণ কীৰ্ত্তনে কৰে পাপক নিৰ্ম্মূল।।
চণ্ডাল পৰ্য্যন্তে কৰে সৱাকো পৱিত্ৰ।
জানি নিৰন্তৰে শুনা বৈষ্ণৱ চৰিত্ৰ।।

নিজৰ ধৰ্মীয় আদৰ্শ প্ৰচাৰ আৰু কাব্য ৰস সৃষ্টি— এই দুই উদ্দেশ্য পূৰণৰ বাবে গুৰুজনাই নিজৰ কাব্যত মূল কাহিনীৰ লগত ভালেমান নিজা বৰ্ণনা, চৰিত্ৰ আদি সংযোগ কৰিছে। থূলমূলভাৱে কাব্যখনিৰ মূল কাহিনীটো এনে ধৰণৰ—

পৃথিৱীৰ ভিতৰতে ঐশ্বৰ্যশালী অযোধ্যাৰ ৰজা হৰিশ্চন্দ্ৰ। অতি ধৰ্মশালী, বিষ্ণু উপাসক ৰজা হৰিশ্চন্দ্ৰ ইমানেই প্ৰজাবৎসল যে তেওঁৰ ৰাজ্যৰ প্ৰজাসকল স্বৰ্গৰ দেৱতাসকলতকৈও সুখী। সপ্তদীপা পৃথিৱীৰ একছত্ৰী মহাৰাজ হৰিশ্চন্দ্ৰৰ অযোধ্যানগৰীত ইমানেই প্ৰচুৰ ধন-সোণ সংগৃহীত হ'ল যে নগৰখনেই তাৰ ভৰ সহিব নোৱাৰা হৈ পৰিল। সেই ধন-সোণ দেৱ-ব্ৰাহ্মণক দান কৰি নিজৰ উপাৰ্জন সাৰ্থক কৰিবৰ বাবে হৰিশ্চন্দ্ৰই ৰাজসূয় মহাযজ্ঞৰ আয়োজন কৰিলে। কুলগুৰু বশিষ্ঠৰ পৌৰোহিত্যত আৰম্ভ হোৱা এই মহাযজ্ঞত ৰাণী সহিতে যেতিয়া ৰজা পূজাত বহিল তেতিয়া বশিষ্ঠই পৰম্পৰা অনুসৰি প্ৰথমে বিঘ্নেশ্বৰ গণপতিক পূজিবলৈ নিৰ্দেশ কৰিলে যদিও বিষ্ণুৰ একান্ত ভকত হৰিশ্চন্দ্ৰে তেনে কৰিবলৈ মান্তি নহৈ বিষ্ণু পূজাৰেহে যজ্ঞ আৰম্ভ কৰি অসংখ্য ঋষিৰ প্ৰত্যেককে ৰজাই বসন-ভূষণৰ উপৰি এশ ভাৰকৈ সোণ দক্ষিণা স্বৰূপে প্ৰদান কৰিলে। এই মহাযজ্ঞৰ খবৰ শুনি অহা ব্ৰাহ্মণৰ লগতে অন্য প্ৰজাসকলকো ৰজাই সুমিষ্ট ব্যঞ্জনেৰে ভোজন কৰোৱাৰ লগতে প্ৰচুৰ ধন-সোণ দান কৰিলে।

ৰাজসূয় মহাযজ্ঞ সমাপনৰ কিছুদিন পিছত ৰজাৰ মন গ'ল মৃগয়া কৰাৰ। অসংখ্য সৈন্য-সামন্ত লৈ মৃগয়ালৈ যোৱা ৰজাই এদিন এটা হৰিণাৰ পিছে পিছে খেদি গৈ যেতিয়া অকলশৰীয়া হ'ল তেতিয়াই বনৰ মাজত কোনো নাৰীৰ কান্দোন শুনিবলৈ পালে। আচলতে সেই সময়ত সেই বনতে অতিশয় খঙাল ঋষি বিশ্বামিত্ৰই এক মহাবিদ্যা সাধন কৰি আছিল। নিজৰ ক্ৰোধ সম্বৰণ কৰি আৰম্ভ কৰা বিশ্বামিত্ৰৰ সেই মহাব্ৰতৰ তেজৰ প্ৰভাৱ সহিব নোৱাৰি বিদ্যাধৰসকলে নাৰীৰূপ ধৰি তেনেকৈ আৰ্তনাদ কৰি আছিল। এই ৰহস্যৰ ভু নাপাই হৰিশ্চন্দ্ৰই ভাবিলে কোনো দুৰ্জনে কোনো নাৰীৰ ওপৰত অত্যাচাৰ কৰা বুলি। নিজৰ ৰাজ্যত কোন দুৰ্জনে এনে সাহস কৰিলে বুলি ক্ৰোধত জ্বলি ৰজাই সেইফালে খেদি গ'ল আৰু যজ্ঞত কৰা অপমানৰ পোতক তোলাৰ চেলু বিচাৰি হৰিশ্চন্দ্ৰৰ পিছে পিছে ঘূৰি ফুৰা গণেশে এই সুযোগ ব্যৱহাৰ কৰি বিশ্বামিত্ৰৰ দ্বাৰা ৰজাৰ ৰাজ্য-ধন হস্তগত কৰোৱাৰ পৰিকল্পনাৰে ৰজাৰ শৰীৰত প্ৰৱেশ কৰি বিশ্বামিত্ৰৰ দ্বাৰা ৰজাৰ ৰাজ্য-ধন হস্তগত কৰোৱাৰ পৰিকল্পনাৰে ৰজাৰ শৰীৰত প্ৰৱেশ কৰি তেওঁৰ খং দহগুণ বঢ়াই তুলিলে। অতি ক্ৰোধত কৰা ৰজাৰ তৰ্জন-গৰ্জনত বিশ্বামিত্ৰৰ ধ্যান ভঙ্গ হৈ ক্ৰোধত জ্বাজ্বল্যমান হ'ল। লগে লগে ৰজাই নিজৰ ভুল বুজিব পাৰি ঋষিৰ শাপৰ ভয়ত কঁপিবলৈ ধৰিলে আৰু কৰযোৰে ক্ষমা ভিক্ষা মাগি কাকুতি-মিনতি কৰিবলৈ ধৰিলে। ক্ষমা কৰাৰ চৰ্তত বিশ্বামিত্ৰই ৰজাৰ ৰাজ্য-ধন সমস্ত দানৰূপে বিচাৰিলে। মহামতি হৰিশ্চন্দ্ৰই আনন্দমনে সমস্ত ঋষিক দান কৰি ভাৰ্যা-পুত্ৰক লৈ দেশান্তৰী হ'বলৈ ওলাল। কিন্তু সিমানতো বিশ্বামিত্ৰৰ প্ৰতিশোধ পূৰণ নহ'ল। দক্ষিণা বিচাৰি হৰিশ্চন্দ্ৰক প্ৰথমে পত্নী-পুত্ৰক আৰু শেষত নিজকো বিক্ৰী কৰিবলৈ বাধ্য কৰালে। পূজালোভী দেৱতাৰ স্বাৰ্থপৰতা আৰু ক্ষমতালোভী ঋষিৰ নিষ্ঠুৰতাৰ বলি হৈ সপ্তদ্বীপা পৃথিৱীৰ একছত্ৰী সম্ৰাট, প্ৰজাৰ মনত পিতৃ স্বৰূপ, স্বৰ্গৰ দেৱতাৰ পৰা পাতালৰ নাগলৈকে সমস্তৰে প্ৰশংসাৰ পাত্ৰ হৰিশ্চন্দ্ৰই এনেকৈ সমস্ত হেৰুৱাই এক অতি ঘৃণিত চৰিত্ৰৰ চণ্ডালৰ দাস হৈ, আনকি মাৰধৰ খাই এক ঘৃণিত জীৱন-যাপন কৰিবলগীয়া হ'ল আৰু তেওঁৰ পত্নীপুত্ৰ তেওঁৰ পৰা আঁতৰি এক নিষ্ঠুৰ ব্ৰাহ্মণৰ দাস-দাসী হৈ অতি কৰুণ জীৱন-যাপন কৰিবলগীয়া হ'ল। অতি কৰুণ এই কাহিনীৰ শীৰ্ষ বিন্দুৰত সৰ্পদংশনত ৰাজকুমাৰ ৰোহিতাশ্বৰ মৃত্যু ঘটিছে আৰু সৎকাৰৰ কাৰণে মৰা পুত্ৰক কোলে লৈ ৰাণী উপস্থিত হৈছে ৰজা চণ্ডাল হৈ থকা সেই শ্মশানত। দেৱতা আৰু ঋষিৰ অনুগ্ৰহত ইমান যাতনা ভুগিবলৈ সক্ষম হোৱা ৰজা-ৰাণীয়ে পুত্ৰ শোকৰ জ্বালা সহিব নোৱাৰি পুত্ৰৰ লগতে দেহ ত্যাগ কৰো বুলি একেলগে চিতাত উঠি বিষ্ণুক সুমৰি জুই দিলে। চিতাজুই দপদপাই উঠি তিনিওকে আৱৰি ধৰিলে যদিও সেই জুয়ে তেওঁলোকৰ শৰীৰ দহন নকৰি দুৰ্যোগে মিলন কৰা শৰীৰবোৰ পৰিষ্কাৰহে কৰিলে। ৰোহিতাশ্বই পুনৰ জীৱন লাভ কৰিলে। এই অতি কঠিন পৰীক্ষাত উত্তীৰ্ণ ৰজা হৰিশ্চন্দ্ৰ পত্নী-পুত্ৰ সমন্বিতে স্বৰ্গবাসী হোৱাৰ উপযুক্ততা অৰ্জন কৰিলে। তেওঁলোকক সশৰীৰে স্বৰ্গলৈ নিবলৈ স্বয়ং ইন্দ্ৰদেৱতা আহিল যদিও প্ৰজাবৎসল হৰিশ্চন্দ্ৰ প্ৰজাসকলক এৰি স্বৰ্গলৈ যাবলৈ মান্তি নহৈ প্ৰজাসকলক লগত লৈ যোৱাৰ চৰ্ত আৰোপ কৰিলে আৰু সেই চৰ্ত মানি লৈ ইন্দ্ৰ দেৱতাৰ নেতৃত্বত সমস্ত দেৱতাই আহি বিমানেৰে অযোধ্যাৰ সমস্ত প্ৰজাৰ লগতে হৰিশ্চন্দ্ৰ ৰজাক স্বৰ্গত স্থান দিলে। কাহিনীৰ শেষত নিজৰ যজমান হেৰুৱা বশিষ্ঠ মুনিয়ে বিশ্বামিত্ৰৰ লগত কাজিয়াত লিপ্ত হৈছে। প্ৰথমে দুয়ো ঋষিয়ে হাতৰ ব্ৰহ্মদণ্ড, কমণ্ডলু আৰু চোঁৱৰেৰে তয়াময়া ৰণত লিপ্ত হ'ল আৰু শেষত বশিষ্ঠ শাপত বিশ্বামিত্ৰ বক হৈ আৰু বিশ্বামিত্ৰৰ শাপত বশিষ্ঠ শৰালি হৈ আকাশত ঘোৰতৰ যুদ্ধ লগালে। সৃষ্টি ধ্বংসৰ উপক্ৰম ঘটা এই যুদ্ধ ব্ৰহ্মাই দেৱতাসকলৰ অনুৰোধত গৈ দুয়োগৰাকী ঋষিক কৰা তিৰস্কাৰত বন্ধ হৈছে আৰু তাতেই কাব্যৰ কাহিনী শেষ হৈছে।

**কাব্যৰ সাহিত্যিক মূল্য ঃ** সাহিত্যিক মূল্য বিচাৰ কৰিবলৈ যাওঁতে আমি এটা কথা মনত ৰখা উচিত হ'ব যে মহাপুৰুষ সমস্ত ৰচনাৱলী নিজৰ ধৰ্মাদৰ্শ প্ৰচাৰৰ উদ্দেশ্য লৈ লিখা যাৰ বাবে ডিম্বেশ্বৰ নেওগদেৱে মহাপুৰুষৰ ৰচনাৱলীক বাওঁহাতৰ লেখনি বুলিছে। গতিকে কালিদাস আদি মহাকবিৰ কাব্যৰস সৃষ্টিৰ মূল উদ্দেশ্য লৈ লিখা কাব্যৰ দৰে শঙ্কৰদেৱ, মাধৱদেৱ আদি ভক্ত কবিসকলৰ কাব্য একে মাপ-কাঠিৰে জুখিলে উচিত বিচাৰ নহ'ব। আন এটা কথা আমি মনত ৰখা উচিত হ'ব যে এইখন মহাপুৰুষৰ ছাত্ৰ জীৱনৰ ৰচনা (ড° মহেশ্বৰ নেওগৰ মতে ২০/২১ বছৰমানৰ ৰচনা)। ছাত্ৰ জীৱনতে লিখা হ'লেও এই কাব্যখনিৰ সাহিত্যিক মূল্য কোনো গুণে কম নহয়। বৰঞ্চ ডেকা কবিৰ সৃষ্টিশীলতাৰে চপচপীয়া হৃদয়-মনৰ উৰ্বৰ ক্ষেত্ৰখনত সৃষ্ট 'হৰিশ্চন্দ্ৰ উপাখ্যান' এখনি উপভোগ্য ৰচনা।

কাব্যৰ কাহিনীটো বিশ্লেষণ কৰিলে দেখা যায় কাহিনী কাব্য এখনিত যি বৈচিত্ৰ্যময় কাহিনী এটাৰ প্ৰয়োজন তেনে এক কাহিনী প্ৰস্তুত কৰি উলিওৱাত লিখক সফল হৈছে। নাটকৰ দৰে আখ্যানমূলক কাব্যৰ কাহিনীতো মুখ, প্ৰতিমুখ, গৰ্ভ, নিৰ্বহন আৰু উপসংহাৰ এই পাঁচোটা অৱস্থা বা সন্ধি থকাটো বাঞ্ছনীয়। হৰিশ্চন্দ্ৰ উপাখ্যানত এই পাঁচোটা অৱস্থা ফুটি উঠিছে। হৰিশ্চন্দ্ৰই কৰা বৃহৎ ৰাজসূয় যজ্ঞৰ বৰ্ণনা কাহিনীৰ মুখ য'ত সংঘাতৰ বীজ অংকুৰিত হৈছে গণেশ দেৱতাৰ অসন্তুষ্টিৰে। যজ্ঞৰ পিছত চিকাৰলৈ গৈ বিশ্বমিত্ৰৰ ৰোষৰ বলি হোৱা খণ্ডটো কাহিনীৰ প্ৰতিমুখ। বিশ্বামিত্ৰৰ ৰোষৰ বলি হৈ নায়ক-নায়িকাৰ জীৱনলৈ যি দুৰ্ঘোৰ বিপৰ্যয় নামি আহিছে সেয়া কাহিনীৰ গৰ্ভ। সুনিপুণ শিল্পী শঙ্কৰদেৱে কাহিনীৰ গৰ্ভ বা Climax নিখুঁত বৰ্ণনাৰে দীঘলীয়াকৈ উপস্থাপন কৰি পাঠকৰ অন্তৰ গভীৰ কৰুণ ৰসেৰে বুৰাই পেলাইছে। কাৰুণ্যৰ প্ৰতিমূৰ্তি ৰজা-ৰাণীয়ে মৃত পুত্ৰৰ স'তে চিতাত উঠি প্ৰাণ ত্যাগ কৰিবলৈ ওলোৱা অতি হৃদয় বিদায়ক বৰ্ণনাখিনি ক্লাইমেক্সৰ উচ্চ সীমা। কাহিনীটো নিৰ্বহন অতি কম পৰিসৰতে শেষ হৈছে। ৰজা-ৰাণী সামৰাজে স্বৰ্গলৈ যোৱা কথাখিনিতে কাব্যৰ উপসংহাৰ ঘটিব পাৰিলেহেঁতেন যদিও কবিয়ে মূলত থকা বশিষ্ঠ-বিশ্বামিত্ৰৰ যুদ্ধখনৰ দীঘলীয়া বৰ্ণনাৰেহে কাব্য সামৰিছে। এই যুদ্ধখনৰ বৰ্ণনা অপ্ৰয়োজনীয় আৰু ইয়ে কাব্যৰ সাহিত্যিক মূল্য হ্ৰাস কৰিছে বুলি কিছুমান সমালোচকে ক'ব বিচাৰে। এটা দৃষ্টিভঙ্গীৰে চালে যুদ্ধখনৰ বৰ্ণনা নিদিয়াহেঁতেন কাব্যখনিৰ কাব্যৰস নকমিলহেঁতেন। কিন্তু মূলত থকা এনে এক হাস্যৰসাত্মক বৰ্ণনাৰ পৰা পাঠকক বঞ্চিত কৰাটোও লেখকৰ উচিত নহ'লহেঁতেন। আনহাতে ৰস নিষ্পত্তিৰ দৃষ্টিৰে চালে মূল কাহিনীটোত যি অসহনীয় কাৰুণ্যৰ সৃষ্টি হৈছে সেই কাৰুণ্যৰ পৰা পাঠকক নিষ্কৃতি দিয়াৰ ব্যৱস্থা স্বৰূপেও এনে এক লঘু হাস্যৰসাত্মক কাহিনীৰ প্ৰয়োজন থকা বুলি স্বীকাৰ কৰিব লাগিব। পৃথিৱীৰ সকলো মহান কবি-নাট্যকাৰেই নিজৰ অতি কৰুণ কাহিনীৰ লগত এনে দৃশ্য বা বৰ্ণনা সংযোগ কৰি কাৰুণ্য প্ৰশমন (Comic relief) ব্যৱস্থা কৰে। বিশেষত ভাৰতীয় পৰম্পৰাত ট্ৰেজেডীৰ স্থান নাই। হৰিশ্চন্দ্ৰৰ স্বৰ্গপ্ৰাপ্তিয়ে কাহিনীৰ মধুৰ সমাপ্তি ঘটালেও কাব্যখনিৰ সৰহ অংশ জুৰি থকা অতিশয় কৰুণৰসাত্মক বৰ্ণনাসমূহে পাঠকৰ অন্তৰত সৃষ্টি কৰা কৰুণ ৰসে সীমা চেৰাই গৈ ত্ৰাসৰ পৰ্যায় পাইছে। সেই ত্ৰাসৰ পৰা পাঠকক নিষ্কৃতি দিবৰ বাবেই খলনায়ক বিশ্বামিত্ৰৰ বিপৰ্যয়াত্মক বৰ্ণনাটোৰ আৱশ্যক বুলি দূৰদৰ্শী লেখক শঙ্কৰদেৱে সঠিকভাৱেই সিদ্ধান্ত কৰিছে। আনহাতে কাব্যৰস সৃষ্টি কৰাৰ উপৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যি উদ্দেশ্য লৈ তাৰাই কাব্যখনি লিখিছে সেই উদ্দেশ্য সিদ্ধিৰ বাবেও এই যুদ্ধৰ বৰ্ণনা অপৰিহাৰ্য।

চৰিত্ৰসমূহলৈ দৃষ্টি দিলে কাব্যখনিৰ সাৰ্থকতা আৰু বেছি অনুভূত হয়। কাব্যৰ নায়ক ৰজা হৰিশ্চন্দ্ৰ আৰু নায়িকা শৈব্যা দুয়োটা চৰিত্ৰৰ প্ৰতি

(১১পৃষ্ঠাত চাওক)

মণিকাঞ্চন

সম্পাদকীয়

অষ্টাদশ বছৰ ঃ নৱম সংখ্যা Ð গুৱাহাটী Ð ছেপ্টেম্বৰ 2013 ঃ

## আনন্দ ব্ৰহ্মক যিটো জনে ভজে স্বামী

প্ৰলয় কালত সমস্ত বেদ বিষ্ণুত লীন হ'ক। প্ৰলয়ৰ অন্তত পুনৰ ভগৱান বিষ্ণুৰ নাসিকাইদি নিশ্বাসৰ সৈতে বাহিৰ হৈ বেদে বিষ্ণুক তুতি কৰিছে—

"আনন্দ ব্ৰহ্মক যিটো জনে ভজে স্বামী।
তাহাৰ মহিমা আৰ কি কহিবো আমি।।"

আনন্দই ব্ৰহ্ম আৰু ব্ৰহ্মই আনন্দ। বিশাল জলাশিকে সাগৰ বোলা হয় আৰু সাগৰ বুলি ক'লে বিশাল জলৰাশিকে বুজায়। সাগৰ আৰু সাগৰ জলৰ কোনো ভেদ নাই, তেনেদৰে ব্ৰহ্ম আৰু আনন্দৰ মাজতো কোনো ভেদ নাই। যেনেকৈ সাগৰত ঢৌৰ সৃষ্টি হয়, জীৱবিলাকো তেনেদৰে ব্ৰহ্মৰে সৃষ্টি। সেই কাৰণে জীৱবিলাক আনন্দ অভিলাসী। সকলো জীৱই আনন্দ বিচাৰে যিহেতু জীৱ আনন্দ স্বৰূপ জুইৰ পৰা ওফৰি অহা ফিৰিঙতি। স্বভাৱজাত কাৰণত জীৱই যি কৰ্ম (খোৱা-শোৱা, খেলা-ধূলা, উঠা বহা, অহা-যোৱা, নিয়া-দিয়া ইত্যাদি ইত্যাদি) সকলো আনন্দ লাভৰ কাৰণে কৰে।

ব্ৰহ্মই প্ৰথমে মায়া সৃষ্টি কৰিলে আৰু তাৰ পাছত জীৱৰ সৃষ্টি কৰিলে আৰু জীৱক স্থান দিলে মায়াৰ মাজত। সেই কাৰণে জীৱই সততে মায়াৰ বান্ধোনৰ মাজত সোমাই থাকে। গতিকে মায়াজনিত সুখ-দুখৰ মাজতে আৱদ্ধ হৈ পৰে। কোনোকালে কেতিয়াবা পুণ্যৰ ফলত সদ্গুৰুৰ কৃপা হ'লে ব্ৰহ্ম, মায়া আৰু জীৱৰ ভেদ বুজিব পৰা হয়। সেই গুৰুৱে জ্ঞান দি মায়া অতিক্ৰমি জীৱই কেনেকৈ ব্ৰহ্মক লাভ কৰি মুক্ত হ'ব পাৰি তাৰ পৰিচয় কৰাই দিয়ে। জীৱই সেইমতে গুৰু প্ৰদত্ত পথ অৱলম্বন কৰি সংসাৰ বন্ধনৰ পৰা মুক্ত অৰ্থাৎ মায়াৰ পৰা মুক্তি লাভ কৰি ব্ৰহ্মৰ সাক্ষাৎ লাভ কৰি ব্ৰহ্ম হৈ যাব পাৰে।

জীৱই যিবোৰক আনন্দ বুলি ভাবি সদাব্যস্ত হৈ আছে যেনে ধন-বিত, ঘৰ-বাৰী, সতি-সন্ততি সেইবোৰ প্ৰকৃতাৰ্থত আনন্দ নহয়। এই সকলোবোৰ অপৰ্যাপ্ত থকা লোকো সুখী নহয়, কাৰণ এইবোৰত সেই আনন্দ নাই। সিবোৰৰ পাছত আনন্দ বিচাৰি ফুৰা মৰীচিকা সদৃশ ভ্ৰমহে মাথোন। মায়াজনিত সুখ ক্ষন্তেকীয়া। ভোকত আহাৰ খালে সুখ অনুভৱ হয়, কিন্তু এবাৰ খোৱাৰ পাছত দ্বিতীয় বাৰ খোৱাৰ ইচ্ছা নোহোৱা হয়। তেনেদৰে পিয়াহ লাগিলে এগিলাচ পানীয়েই যথেষ্ট, দ্বিতীয় গিলাচ হয়তো খাব পাৰে যেতিয়া বেছি পিয়াহত থাকে। কিন্তু পিয়াহ গুচিলে তৃতীয় গিলাচৰ প্ৰয়োজন নোহোৱা হৈ পৰে। সতি-সন্ততিও যেতিয়া স্বাৰ্থৰ অনুকূলে থাকে তেতিয়ালৈকে ঠিকেই থাকে, যেতিয়া বিপৰীত স্থিতি গ্ৰহণ কৰে তেতিয়া শত্ৰু হৈ পৰে। সেইদৰে পত্নী যেতিয়ালৈকে গৃহলক্ষ্মী হৈ থাকে তেতিয়ালৈকে মৌ বৰষে আৰু যেতিয়াই পতিৰ বা পৰিয়ালৰ প্ৰতিকূল আচৰণ কৰে তেতিয়া মৰমৰ পত্নীও কুলটা হৈ পৰে। পিতা-মাতাই যেতিয়াই সম্পতি পুত্ৰক নিদি আনক দান কৰে, তেতিয়া পিতা-মাতাকো পুত্ৰই পৰ জ্ঞান কৰে। সংসাৰীক বস্তুৰ পৰা কেতিয়াও আনন্দ লাভ নহয়। গতিকে সংসাৰী বস্তুত আনন্দ বিচাৰিলে পোৱা নাযায়, কাৰণ আনন্দ তাত নাই। তেন্তে কেনেকৈ আনন্দ লাভ কৰিব পাৰি এইটোৱেই হ'ল প্ৰধান প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰৰ বাবেই বেদে বিষ্ণুক তুতি কৰিছে—

"আপুনি স্ৰজিলা চৰাচৰ দেহা যত।
সমস্ত ঐশ্বৰ্য্য ভাৱে আছা সমস্তত।।
জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে।
আৱে আমি তোমাক ভজো সৰ্ব্বভাৱে।।
তোমাৰেসে অংশ আমি সৱে জীৱজাক।
তোমাৰ মায়ায়ে প্ৰভু বান্ধিলে আমাক।।" — বেদস্তুতি

মায়ায়ে জীৱক বান্ধি ৰাখে। ব্ৰহ্মক অৰ্থাৎ আনন্দক পাবলৈ হ'লে মায়া নিবাৰণ অনিৰ্বাৰ্য। এই মায়াও ব্ৰহ্মৰ সৃষ্ট, গতিকে মায়া নিৰাকৰণ দুষ্কৰ কাৰ্য। ব্ৰহ্মৰ কৃপা হ'লেহে মায়া নিবৃত্তি সম্ভৱ। আনন্দ ব্ৰহ্মক ভজনা কৰিলেহে জীৱৰ মায়া নিবৃত্তি হয়, তেতিয়াহে জীৱৰ ব্ৰহ্মৰ স্বৰূপ স্বৰূপানন্দ, সহজানন্দ, ব্ৰহ্মানন্দ, নিজানন্দ অনুভূত হয়। বেদে সেইসকল জীৱৰে মহিমাৰ গুণ-গান কৰিছে— হে প্ৰভু, তুমি আনন্দ ব্ৰহ্ম, তোমাক যিজনে ভজনা কৰে সেই জনৰ অপাৰ আনন্দ লাভ হয়, অৰ্থাৎ তোমাক ভজনা কৰি আনন্দ স্বৰূপ তোমাক লাভ কৰিব পাৰে।❑❑

পদাধিকাৰৰ কলম ।। ৰজনীকান্ত দত্ত।।

# শিশু কল্যাণ দিৱস ঃ ইয়াৰ তাৎপৰ্য

মানুহৰ জীৱনৰ প্ৰথম স্তৰটোৱেই হ'ল শৈশৱ। জন্মৰ পৰা এঘাৰ বছৰৰ পৰ্যন্ত এই কালছোৱাক শৈশৱ নামেৰে অভিহিত কৰা হৈছে। শৈশৱ হ'ল জীৱনৰ ভেটি। এটা ঘৰ সাজিবৰ বাবে যেনেকৈ তাৰ ভেটিটো মজবুত হোৱাৰ প্ৰয়োজন, ঠিক তেনেকৈ জীৱন সুন্দৰ কৰিবলৈ হ'লে এই ভেটি স্বৰূপ শৈশৱ অতি মজবুত ৰূপত গঢ়ি তুলিবই লাগিব।



আজিৰ শিশু কালিলৈ এজন সুস্থ মানুহ হ'ব লাগিব। সমাজৰ কামত অহা এজন সুনাগৰিক হ'ব লাগিব। স্বদেশ স্বজাতিৰ উত্তৰণৰ স্বাৰ্থত প্ৰতিটো কাম সুসম্পন্ন কৰিবৰ অৰ্থে শিশুসকলে এই প্ৰস্তুতিৰ সময়ছোৱাতে নিজক সকলো দিশত প্ৰস্তুত কৰিব। প্ৰশ্ন হ'ল তাৰ বাবে— সমাজখনে সজাগ দৃষ্টি ৰাখি সকলো পৰিকল্পনা তৈয়াৰ কৰিব লাগিব আৰু সুচিন্তিত ৰূপত এই পৰিকল্পনা ৰূপায়নো কৰিব লাগিব। পিতৃ-মাতৃ, সমাজ আৰু অভিভাৱকসকল সদা সতৰ্ক হৈ কাম নকৰিলে শিশুৰ সৰ্বাঙ্গীন বিকাশ সম্ভৱ নহয়।

শিশুসকলে জন্মৰ পিচতে লগ পাই পিতৃ-মাতৃ, ভাই-ককাই, বাই-ভনীসকলক। লগে লগে তেওঁলোকে লগ পায় ওচৰ-চুবুৰীয়াসকলক, বন্ধু-বান্ধৱ আৰু মিতিৰ-কুটুমসকলক। প্ৰথমতে শিশুৱে পাই এটা ঘৰুৱা পৰিৱেশ। এই পৰিৱেশৰ মাজত সি লালিত-পালিত, ডাঙৰ-দীঘল হয়। লগে লগে সি পাই এটি সামাজিক পৰিৱেশ। সন্মুখীন হয় ক্ৰমগতিত, ভাল পোৱা, বেয়া পোৱা, কাৰোবাক সহায় কৰা, শিষ্টাচাৰ দৰ্শন, সহানুভূতি আৰু আত্মবিকাশ আদিবোৰ। এই সকলোবোৰৰ প্ৰভাৱ শিশুৰ মনত লাহে লাহে পৰিবলৈ ধৰে আৰু ইয়াৰ দ্বাৰা শিশু ক্ৰমগতিত প্ৰভাৱান্বিত হয়।

শৈশৱত কোনোটো শিশুৱে হয়তো সন্মুখীন হৈছে বহুতো দুখ-কষ্ট, যন্ত্ৰণাৰ। কোনোবাই আকৌ ভাবিব নোৱাৰা ভোগবিলাসৰ মাজত নিজকে উটুৱাই দিয়ে।

শিশুসকলৰ কল্যাণ সমাজৰ বাবে অতীৱ গুৰুত্বপূৰ্ণ। শিশুসকলৰ বিকাশ প্ৰকাশ কৰাটো এটা সামাজিক দায়িত্বৰূপে স্বীকৃত হ'ব লাগিব। অন্যথা কলিতে ফুল যদি মৰহি যায় তাৰ পূৰ্ণ প্ৰস্ফুটিত ৰূপ দেখা পোৱা নাযাব। ঠিক একেদৰে যদি শৈশৱতে শিশুক প্ৰকৃত ৰূপত গঢ়িব পৰা নাযায় তেতিয়াহ'লে আমি সেইসকল শিশুৰ পৰা পূৰ্ণ মানৱৰ আশা কৰিব নোৱাৰিম। আমাক কিন্তু এখন বিকশিত সমাজৰ বাবে পূৰ্ণ ৰূপত বিকশিত পূৰ্ণ মানৱৰ লাগিবই।

শিশুসকলৰ কল্যাণ সাধনৰ অৰ্থে পৃথিৱীৰ মঙ্গলকামী ৰাষ্ট্ৰসমূহে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰি ইয়াক ৰূপায়ন কৰিবৰ বাবে যত্ন কৰি আহিছে আৰু এইক্ষেত্ৰত সেই সেই দেশসমূহ আংশিকভাৱে হ'লেও সফলকামী হ'ব পাৰিছে। **UNO** ৰ **UNESCO** দ্বাৰা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত জগতৰ শিশুসকলৰ পূৰ্ণবিকাশৰ বাবে বহুতো আঁচনি দাঙি ধৰা হৈছে। এইবোৰৰ পূৰ্ণ ৰূপায়ণৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত শিশুৰ বিকাশ কৰিবলৈও যত্ন কৰা হৈছে।

আমাৰ ভাৰতবৰ্ষত পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম দিন ১৪ নৱেম্বৰ তাৰিখটো ভাৰতবৰ্ষৰ শিশুসকলৰ বিকাশৰ নামত 'শিশুদিৱস' স্বৰূপে ঘোষণা কৰা হৈছে। এই দিনটোতে ভাৰতীয় শিশুসকলৰ সামগ্ৰিক বিকাশৰ বাবে শাৰীৰিক, সামাজিক, মানসিক, বৌদ্ধিক আৰু অন্যান্য সমস্ত ক্ষেত্ৰতে বিকাশৰ বাবে আঁচনি গ্ৰহণ কৰি সম্পূৰ্ণ ৰূপায়নৰ বাবে চেষ্টা কৰি অহা হৈছে। এই কাৰ্যসূচীসমূহত শিশুসকলক ব্যক্তিগতভাৱে জড়িত কৰাৰ প্ৰচেষ্টাও গ্ৰহণ কৰা হৈছে। বাস্তৱ দৃষ্টিভঙ্গীৰে যদি এই দিৱসৰ তাৎপৰ্য অনুধাৱন কৰি সকলোৱে ইয়াৰ সফলতাৰ বাবে দেহ-মন উৎসৰ্গা কৰি কামত লাগে তেতিয়াহ'লে শিশু দিৱসৰ আকাংক্ষিত ফল লাভ কৰাটো সম্ভৱ বুলি আমি বিশ্বাস কৰোঁ। অন্যথাই ই এক ধৃষ্টতালৈ ৰূপান্তৰ ঘটিব।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শিশুসকলৰ সামাজিক বিকাশৰ লক্ষ্য সন্মুখত ৰাখি কৃষ্ণ জন্মাষ্টমী তিথিভাগক শিশুসকলৰ কল্যাণৰ অৰ্থে উৎসৰ্গ কৰিছে। কৃষ্ণৰ জন্মাষ্টমী দিনটোক 'শিশু-কল্যাণ' দিৱসৰূপে ঘোষণা কৰি এই দিনটোৰ যোগেদি শিশুসকলৰ শাৰীৰিক, মানসিক, সামাজিক আৰু বৌদ্ধিক বিকাশৰ বাবে যত্ন কৰি আহিছে। আমি এই কথা উপলব্ধি কৰিছো যে এটা জাতি, এখন সমাজৰ সুচিন্তিত আৰু সুদৃঢ় ভৱিষ্যত গঢ় দিবলৈ হ'লে শিশুসকলৰ সামগ্ৰিক বিকাশ সাধন হ'বই লাগিব। অন্যথাই সমাজ সুন্দৰ ৰূপত পৰিৱৰ্তন কৰাটো অসম্ভৱ। সেয়ে এই উদ্দেশ্য সাধনৰ লক্ষ্য সন্মুখত ৰাখি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যোৱা বছৰবোৰত শিশুৰ সামগ্ৰিক কল্যাণৰ অৰ্থে সেৱা আগবঢ়াই কাৰ্যসূচী পালন কৰি আহিছে। চাৰি তৰপীয়া অনুষ্ঠানৰূপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই চাৰিওটা স্তৰতে প্ৰাথমিক, আঞ্চলিক, জিলা আৰু মূলত শিশু-কল্যাণৰ অৰ্থে বিভিন্ন কাৰ্যসূচী পালন কৰি শিশুসকলক জড়িত কৰাই আহিছে।

কৃষ্ণৰ জন্ম জগতত শান্তিৰ প্ৰতিষ্ঠা, জগতত দুষ্টসকলক দমন কৰি সন্তসকলক পালন কৰা ধৰ্ম সংস্থাপনৰ স্বাৰ্থত অধৰ্মক বিনাশ কৰা। আমাক লাগে শান্তি-প্ৰশান্তি, আমি বিচাৰো এখন সুন্দৰ পৃথিৱী। কৃষ্ণই তাকে কৰিবৰ বাবে জন্মগ্ৰহণ কৰিছিল কংসৰ অন্ধকাৰ পোতাশালত। তেওঁৰ জন্মৰ লগে লগে কাৰাগাৰৰ অন্ধকাৰ নাশ হৈ অনন্ত পোহৰে আৱৰি ধৰিছিল। শান্তি, প্ৰগতি, মানৱতাক বন্ধ কৰি ৰখা প্ৰকাণ্ড তলাবোৰ আপোনা-আপুনি খোল খাই গৈছিল। বন্ধ দুৱাৰ নিজে নিজে খোল খাই এছাতি শীতল সুশীল বতাহে আমন্ত্ৰণ জনাইছিল। এয়া কৃষ্ণ ঃ এয়া মহানন্দ ঃ এয়া শান্তি-প্ৰশান্তি।

একেদৰেই শিশুসকল আহিছে আমাৰ মাজলৈ, আমাৰ পৃথিৱীলৈ এক নিৰিবিলি প্ৰশান্তিৰ বতৰা লৈ। এয়া কৃষ্ণ বতৰা, এয়া শান্তি-সম্প্ৰীতিৰ বতৰা। শৈশৱ আৰু কৃষ্ণ বৰ ওচৰা-ওচৰি সম্বন্ধ। 'Life is but a slip...' কৃষ্ণ ঈশ্বৰৰ কাষৰ পৰা খহি পৰি শিশুটি শৈশৱত তেওঁৰ নিচেই কাষতে আছে। দিন, মাহ, বছৰ বাঢ়ি যোৱাৰ লগে লগে জগতৰ কলুষ কালিমাই স্পৰ্শ কৰিব, ধাই মাতৃ পৃথিৱীয়ে তেওঁক চুৰা কৰিব। এনে হ'বলৈ দিব নোৱাৰি, দিয়াটো অনুচিত। সেয়ে শিশুসকলক সুন্দৰ ৰূপত ৰাখিব লাগিব। তেওঁলোকৰ সৰ্বাঙ্গীণ কল্যাণ সাধন হ'বই লাগিব।

এই শৈশৱতে তেওঁলোকক আধ্যাত্মিক জ্ঞানৰ বতৰাৰে সমৃদ্ধ কৰি তুলিব লাগিব। আধ্যাত্মিকতা মনুষ্য জীৱনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় গুণ। মানুহ হ'ব লাগিলে, সমাজ এখন বৰ্ণিল ৰূপত গঢ়ি তুলিবলৈ হ'লে সমাজৰ প্ৰতিজন মানুহ নৈতিক চৰিত্ৰৰ দ্বাৰা সমৃদ্ধ হ'বই লাগিব। তেওঁলোকক ভোগবাদীতাৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ হ'লে নীতি-নিষ্ঠতা, সদাচাৰী জীৱনৰ সোণালী পথৰ সন্ধান দিব পাৰিব লাগিব। তেওঁলোকক মানৱীয় সকলো সদ্গুণেৰে সজাই-পৰাই প্ৰকৃত মানুহৰ স্থানলৈ উত্তোলন কৰাৰ প্ৰয়াস হাতত ল'ব লাগিব। শিশু শঙ্কৰে দেখুৱা মানৱীয় প্ৰমূল্যেৰে ভৰা পথ, মাধৱদেৱ মহাপুৰুষে এৰি যোৱা পথৰ এওঁলোকক দেখাব পাৰিব লাগিব।

'শিশুৱে বিষয় আশাআগ...' সন্মুখত পৰি থকা সুদীৰ্ঘ জীৱন যাতে এই শৈশৱতে মন্দাকিনী ধাৰাৰ নিৰ্মল স্ৰোতৰ প্ৰৱাহেৰে পবিত্ৰ কৰিব পাৰে তাৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তিয়ে দায়িত্ব ল'ব লাগিব, এয়া পবিত্ৰ এটি কৰ্ম বুলি গ্ৰহণ কৰিব লাগিব।❑❑

# শিক্ষক দিৱস আৰু ৰাধাকৃষ্ণণ

**প্ৰদীপ ভূঞা**

পাঁচ ছেপ্টেম্বৰ। ভাৰতৰ এজন শ্ৰেষ্ঠ শিক্ষক, শ্ৰেষ্ঠ দাৰ্শনিক তথা ভাৰতৰ দ্বিতীয়জনা ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিন। ১৯৬২ চনৰ ৫ ছেপ্টেম্বৰ ৰাধাকৃষ্ণণৰ গৌৰৱপূৰ্ণ ৭৫তম জন্ম জয়ন্তী ভাৰতীয় ইতিহাসত উল্লেখযোগ্য। ভাৰতৰ শিক্ষক সমাজে বাস্তৱিকতে গৌৰান্বিত যে এজন শিক্ষকে দেশৰ সৰ্বোচ্চ পদ মৰ্যদাত অধিষ্ঠিত হৈ শিক্ষক সমাজৰে কৃতিত্ব অৰ্জন কৰিছে। সেই কাৰণেই তেওঁৰ জন্ম দিনটো সমগ্ৰ ভাৰতত শিক্ষক দিৱস হিচাপে পালন কৰা হয়। এই দিনটো তাৎপৰ্যপূৰ্ণ। ভাৰতৰ ঐতিহাসিক দিৱস।

ডক্টৰ সৰ্বপল্লী ৰাধাকৃষ্ণণ বিশ্ববিখ্যাত দাৰ্শনিক পণ্ডিত। যুগশ্ৰেষ্ঠ ঋষি, ভাবমূৰ্তি আৰু ভাৰতীয় সংস্কৃতিৰ পতাকা বাহক। উদাৰ মানৱীয়তা আৰু আধ্যাত্মিকতাই সমগ্ৰ বিশ্বক গুণমুগ্ধ কৰিছে। আদৰ্শবাদী ৰাজনীতি জ্ঞানে আস্তিগভীৰ দাৰ্শনিক চিন্তাধাৰাই প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ সাংস্কৃতিৰ যোগসূত্ৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়।

১৯৬২ চনতে শিক্ষক দিৱস উপলক্ষে জাতীয় চৰকাৰৰ প্ৰচেষ্টাত এটি ৰাষ্ট্ৰীয় শিক্ষক নিধি প্ৰতিষ্ঠা কৰে। এই নৱ প্ৰতিষ্ঠিত পুঁজিলৈ ভাৰতৰ ছাত্ৰ সমাজ আৰু শুভাকাংক্ষী ৰাইজে মুক্তহস্তে দান-বৰঙণি আগবঢ়োৱাত ৰাষ্ট্ৰীয় শিক্ষক নিধিৰ পুঁজিটি ঠন ধৰি উঠে। যিসকল শিক্ষক ৰোগগ্ৰস্ত, বিপদগ্ৰস্ত আৰু দুৰ্দশাগ্ৰস্ত, সেইসকল শিক্ষকক সহায় কৰাটো এই পুঁজিৰ মুখ্য উদ্দেশ্য। ইতিমধ্যে এই পৰ্যায়ৰ শিক্ষকে সাহায্য মঞ্জুৰ পোৱাত নিশ্চয় বহুখিনি উপকৃত হৈছে। অপৰোক্ষভাৱে দেশৰ প্ৰতিৰক্ষা কাৰ্যত এই পুঁজিৰ পৰাও ১৯৬২ চনত সহায় কৰা হৈছিল। গতিকে ৰাষ্ট্ৰীয় শিক্ষক নিধি পুঁজিটোৰ আৱশ্যকতা আৰু উপকাৰিতা সকলোৱে উপলব্ধি কৰিব পাৰিছে।

আজি আমি এখন স্বাধীন সাৰ্বভৌম গণতান্ত্ৰিক দেশৰ নাগৰিক। বিদেশী শাসনে আমাৰ মানসিক অৱনতি ঘটালে। নৈতিকতাক বলি দিলে আৰু আমাক এলেহুৱা আৰু অকৰ্মণ্য কৰিলে। পাশ্চাত্য শিক্ষাৰ প্ৰভাৱত যদিও ভাৰতৰ জনসাধাৰণে এক নতুন আদৰ্শৰ সন্ধান পালে তথাপি জাতীয় জীৱনত জাতীয় চেতনা, ব্যক্তি স্বাধীনতাক কালৰ বুকুত বলি দিলে। সাংস্কৃতিক জীৱনত কুঠাৰাঘাত হানিলে।

ভাৰতৰ নিচিনা এখন গণতান্ত্ৰিক দেশত শিক্ষিতৰ সংখ্যা ইমান কম হোৱাত গণতন্ত্ৰৰ গাত ঘুণে ধৰাটো স্বাভাৱিক। নিকা আৰু উপযুক্ত শাসন কাৰ্যৰ জৰিয়তে গণতান্ত্ৰিক চৰকাৰ টিকি থাকিব পাৰে। অৱশ্যে শিক্ষিত সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। শিক্ষাৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িছে। কিন্তু শিক্ষাৰ মান বঢ়া নাই বৰং অধোগতিহে হৈছে। ছাত্ৰৰ কৰ্তব্য জ্ঞানহীনতা, শ্ৰমবিমুখতা আৰু অধ্যয়নৰ শিথিলতা দূৰ কৰা। কালৰ সোঁতত 'ছাত্ৰানাং অধ্যয়নং তপঃ' কথাষাৰ পাহৰি গৈছে। বাহিৰা কামত বেছি ৰত হৈ পৰা দেখা যায়। অৰ্থনৈতিক চেপাত পৰি জুৰুলা হোৱা অভিভাৱকসকলৰ ছাত্ৰৰ ওপৰত তত্ত্বাৱধানত অমনোযোগিতাৰ ভাব পৰিলক্ষিত হয়। শিক্ষক, ছাত্ৰ আৰু অভিভাৱক— এই ত্ৰিবেণী সংগম হ'লেহে শিক্ষাৰ সুফল লাভ কৰিব পাৰি। শিক্ষাৰ মান উন্নতি কৰাৰ ক্ষেত্ৰত শিক্ষক সমাজৰ দায়িত্ব আৰু মহান কৰ্তব্য সম্পাদন কৰিবলৈ শিক্ষক সমাজে, সমাজ তথা চৰকাৰৰ পৰা বিশেষ সুবিধা পাইছেনে? একেখন শিক্ষক সমাজতে চৰকাৰী আৰু বে-চৰকাৰী ভেদাভেদৰ এখন ডাঙৰ প্ৰাচীৰ। বহুতো শিক্ষকৰ অৱস্থা পানীত হাঁহ নচৰা। শিক্ষক আৰু শিক্ষানুষ্ঠানৰ দুৰাৱস্থাৰ বিষয়ে সমাজৰ কেইজনে ভু ৰাখে অথবা অনুভৱ কৰে? শিক্ষকৰ কল্যাণেই জাতিৰ কল্যাণ। অথচ সমাজ তথা চৰকাৰৰ পৰা আজিৰ শিক্ষক সমাজে পদ পৰ্যাদা পোৱা নাই বুলি ক'লে বঢ়াই কোৱা নহ'ব।

ল'ৰা-ছোৱালীৰ জন্মদাতা পিতৃ-মাতৃ। কিন্তু সিহঁতক মানুহ কৰাৰ দায়িত্ব হ'ল শিক্ষকৰ। ল'ৰা-ছোৱালীক জন্ম দিয়াটো সহজ। মানুহ হিচাপে গঢ়ি তোলাটোহে টান কাম। "The Teacher is the true builder of the nation." গতিকে এনে শিক্ষাৰ প্ৰয়োজন— যি শিক্ষাই সমাজ তথা দেশৰ একোজন আদৰ্শ ব্যক্তি হিচাপে গঢ় ল'ব পাৰে। ইয়াৰ বাবে শিক্ষানুষ্ঠানত শান্তি, ন্যায় আৰু মানৱতাৰ সৌধ প্ৰতিষ্ঠা কৰিব লাগিব। পৱিত্ৰতা আৰু সততাই শিক্ষানুষ্ঠানত স্থান লাভ কৰিব লাগিব— য'ত ছাত্ৰই সহজভাৱে জ্ঞানৰ সঁফুৰা বুটলি ল'ব পাৰিব। দুৰ্নীতি দূৰ কৰি শিক্ষানুষ্ঠান সুদৃঢ় কৰিব লাগিব। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত পৱিত্ৰ সম্বন্ধ গঢ়ি তুলি শিক্ষাদান দিব লাগিব। হোৰেছৰ মতে যি শিক্ষকে ছাত্ৰৰ মনত শিক্ষাৰ প্ৰতি প্ৰেৰণা নজগোৱাকৈ ছাত্ৰক শিক্ষা দিবলৈ চেষ্টা কৰে তেওঁ চেঁচা লোত হাতুৱীয়ে কোবায়।

শিক্ষাৰ উন্নতিৰ উদ্দেশ্যে জাতীয় শিক্ষা নীতিৰ লগত সামঞ্জস্য ৰাখি অসমতো ১৯৭৩ চনক পৰা নতুন শিক্ষা পদ্ধতি প্ৰৱৰ্তন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে।

শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অৰ্থনৈতিক বৈষম্যৰ কথা উলাই কৰিব নোৱাৰি। পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱকো অস্বীকাৰ কৰিব নোৱাৰি। কোৱা বাহুল্য যে যিখন সমাজৰ স্বাৰ্থপৰতা, হিংসা, ফাকি, প্ৰৱঞ্চনাই হৈছে স্বাভাৱিক ধৰ্ম। পৰক নিন্দা কৰি নিজক শ্ৰেয় বুলি ভবা, সৰুৱে ডাঙৰক, শিষ্যই গুৰুক অসন্মান কৰা, অসৎ উপায়ে ধন ঘটি ধনী হোৱা। যিখন সমাজৰ সঁচাক মিছা কৰা স্বাভাৱিক ধৰ্ম, ভেঁজালৰ তাণ্ডৱ নৃত্য, অবাধ দুৰ্নীতি, শোষণ-পীড়ন সেইখন সমাজত আদৰ্শ ব্যক্তি গঢ়ি তোলাটো নিশ্চয় কষ্টসাধ্য। এইটো ঠিক যে সুস্থ সবল সামাজিক পৰিৱেশ সমাজতহে শিক্ষা ফলপ্ৰদ হ'ব পাৰে।

ছাত্ৰক শাৰীৰিক, মানসিক আৰু নৈতিকতাৰ সম্বল সীমাবদ্ধ পাঠ্যপুথিকেইখনেই যোগান ধৰিব নোৱাৰে। যি জাতি নিষ্কৰ্মা হৈ হাত সাৱটি বহি থাকে, যি জাতিৰ জাতীয় প্ৰেৰণা নাই, সেই জাতি আজি ইতিহাসৰ পৰা নিচিহ্ন হৈ গৈছে। সেইদৰে যি ছাত্ৰৰ উন্নতিৰ প্ৰেৰণা নাথাকে, উন্নতিৰ আকাংক্ষা নাথাকে, সেই ছাত্ৰই কেতিয়াও জীৱনত উন্নতি কৰিব নোৱাৰে। পাশ্চাত্য শিক্ষাত শিক্ষিত হ'বলৈ গৈ আমাৰ সমাজখন নৈতিকতাহীন হৈছে। যি পৰ্যন্ত আমি নৈতিকতাত বলিয়ান হ'ব নোৱাৰো, সেই পৰ্যন্ত দেশৰ উন্নতি হ'ব নোৱাৰে। ইয়াৰ বাহিৰেও ছাত্ৰ সমাজৰ প্ৰেৰণা, উচ্চ আকাংক্ষা আৰু স্বাধীন চিন্তা অত্যাৱশ্যক। ৰাধাকৃষ্ণণে কৈছিল— কোনো স্বাধীনতাই প্ৰকৃত স্বাধীনতা নহয়, যদিহে ই মানসিক স্বাধীনতা দিব নোৱাৰে।

দেশত আদৰ্শবাদী জাতীয় শিক্ষা ব্যৱস্থা হ'ব লাগে। ৰাধাকৃষ্ণণ এজন শ্ৰেষ্ঠ শিক্ষক। তেওঁৰ শিক্ষাৰ মূল লক্ষ্য হ'ল মানৱ আত্মাক নতুন জগতৰ পোহৰ দেখুওৱা। সকলো পৰিকল্পিত শিক্ষাৰ উদ্দেশ্য হ'ব লাগে ব্যক্তিক নিয়মীয়াভাৱে গঢ় দিয়া হয়। তেওঁৰ মতে নৈতিক গুণ মানসিক উৎকৰ্ষতাতকৈয়ো মূল্যৱান। ছাত্ৰসকলে একমাত্ৰ বুদ্ধি বৃত্তিত পাৰ্গত আৰু ব্যৱহাৰিক বিদ্যাত শিক্ষিত হ'লেই নহয়, সিহঁতে যাতে নিজৰ নিজৰ ভাৱনা-অনুভূতিবোৰ প্ৰকাশত ভদ্ৰ আৰু সৎ উদ্দেশ্যৰে পৰিচালিত হয়।

ৰাধাকৃষ্ণণ বিশ্বৰ এজন মহান ব্যক্তিয়েই নহয়, বহুমুখী প্ৰতিভাৰ অধিষ্ঠাতা, ভাৰতীয় সমাজৰ উন্নতিৰ কাৰণে যত্নবান ব্যক্তি। তেওঁ সমাজৰ নৱনিৰ্মাণ হোৱাটো উচিত বুলি ভাৱে। সমাজৰ নৱনিৰ্মাণৰ ক্ষেত্ৰত তেওঁৰ বিচাৰ ধাৰা অত্যন্ত সূক্ষ্ম আৰু মৌলিক। সেই কাৰণেই কৈছিল— সমাজৰ উন্নতি সেইসকল ব্যক্তিৰ দ্বাৰাই হ'ব পাৰে, যাৰ ব্যক্তিত্ব গভীৰ আৰু যাৰ জীৱনত সততা আছে। দুখময় পাৰিবাৰিক জীৱনৰ পৰাহে উন্নতিশীল সমাজৰ জন্ম হয়।

ৰাধাকৃষ্ণণৰ দৃঢ় সংকল্প আছিল যে আজি আমি ৰোগ আৰু মৃত্যুৰ লগত যিমান সংগ্ৰাম কৰিব লাগে, মানুহে মানুহক কৰা অমানুষিক ব্যৱহাৰ, অত্যাচাৰ আৰু অন্যায় আচৰণৰ বিপক্ষে তাতোকৈয়ো বেছি সংগ্ৰাম কৰিব লাগিব। আমাৰ বিপ্লৱৰ শেষ হোৱা নাই। হিংসা, গোড়ামী আৰু যুক্তিহীনতাৰ পৰা আমি নিজকে ৰক্ষা কৰিব লাগিব। পাশৱিক হিংসাৰ ৰাজত্ব সদায় সমাজত থাকিব নোৱাৰিব। গতিকে শিক্ষক সমাজে শিক্ষক দিৱসত যুগশ্ৰেষ্ঠ শিক্ষক ৰাধাকৃষ্ণণৰ দৰে অন্যায়-অত্যাচাৰ, অবিচাৰ, দুৰ্নীতি, শোষণ, পীড়নৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ এখন সুস্থ সৰল সমাজ গঢ়িব লাগিব।

৫ ছেপ্টেম্বৰত শিক্ষক দিৱস পালন কৰা সাৰ্থক হ'ব যদিহে তেওঁৰ আদৰ্শত অনুপ্ৰাণিত হৈ শিক্ষকে নিজক গঢ়িব পাৰে তথা দেশক গঢ়িব পাৰে। ৰাধাকৃষ্ণণৰ গৌৰৱপূৰ্ণ কৰ্মময় জীৱনৰ চানেকি শিক্ষক আৰু ছাত্ৰ সমাজৰ বাবে অত্যন্ত প্ৰয়োজনীয়তা বোধ কৰি তেওঁৰ সংক্ষিপ্ত জীৱনী তলত উল্লেখ কৰা হ'ল—

১৮৮৮ চনৰ ৪ ছেপ্টেম্বৰত মাদ্ৰাজৰ চিতুৰ জিলাৰ নিৰুতলী গাঁৱত এটি ৱাহ্মণ পৰিয়ালত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হয়। তেওঁ খ্ৰীষ্টিয়ান মিছনেৰী স্কুলত প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰে। সৰু কালৰ পৰাই তেওঁ হিন্দী, সংস্কৃত অধ্যয়ন কৰে। ১০ বছৰতে স্বামী বিবেকানন্দৰ দৰ্শনৰ লগত পৰিচয় হয়। 1903 চনত মেট্ৰিক পাছ কৰে আৰু দুবছৰৰ পাছত আ.এ. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। মাদ্ৰাজ খ্ৰীষ্টিয়ান কলেজৰ পৰা দৰ্শন শাস্ত্ৰত এম.এ. উপাধি লয়। আইনৰ বিষয়তো অধ্যয়ন কৰি পৰীক্ষাত কৃতকাৰ্য হয়। সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এইটো সদায় বিশ্বাস আছিল যে দৰ্শন সূক্ষ্ম অব্যৱহাৰিক বস্তু নহয়, বৰং ই সকলোৰে জীৱনৰ এক অঙ্গ।

এম.এ. সফলতাৰে পাছ কৰি মাদ্ৰাজ প্ৰেছিডেন্সী কলেজৰ অধ্যাপক নিযুক্ত হয়। 'বেদান্তত আচাৰ নীতি'ৰ ওপৰত গৱেষণাত্মক ৰচনা লিখি ডক্টৰেট উপাধি লয়। ১৯২৬ চনত ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তভুক্ত সকলো বিশ্ববিদ্যালয়ৰ এখন সন্মিলন অনুষ্ঠিত হয়। ভাৰতীয় প্ৰতিনিধি হিচাপে সৰ্বপল্লী ৰাধাকৃষ্ণণে এই সন্মিলনত অংশগ্ৰহণ কৰে। তাত তেওঁ চমদকাৰ ভাষণ দিয়ে আৰু আধ্যাত্মিক বিষয়ত ব্যাখ্যা দাঙি ধৰে। ভাৰতীয় সংস্কৃতি আৰু দৰ্শনৰ সুন্দৰ ব্যাখ্যা শুনি সকলো মুগ্ধ হৈ পৰে। আমেৰিকাৰ হাৰ্ভাড বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক সন্মিলনতো তেওঁ অংশগ্ৰহণ কৰে। এইদৰেই ৰাধাকৃষ্ণণে আন্তৰ্জাতিক খ্যাতি লাভ কৰে। আমেৰিকাৰ পৰা ঘূৰি আহি ইংলেণ্ড অক্সফোৰ্ড বিশ্ববিদ্যালয়ত ৰাধাকৃষ্ণণে দৰ্শন বিভাগৰ অধ্যাপক নিযুক্ত হয়। কিছু দিনৰ পিছত ভাৰতলৈ ঘূচি আহে।

১৯৪১ চনত তেওঁ কাশী বিশ্ববিদ্যালয়ত উপাচাৰ্য হয়। কিন্তু মালব্যৰ মৃত্যুৰ পাছতেই পদত্যাগ কৰে। ১৯৪৭ চনৰ মাৰ্চ মাহত এছিয়া মহাদেশৰ দেশসমূহৰ এখন সন্মিলন দিল্লীত হয়। এই সন্মিলনত ৰাধাকৃষ্ণণে কৈছিল যে— ভৌতিকবাদত বিশ্বাসৰ দ্বাৰাই শান্তি হ'ব নোৱাৰে। বিশ্ব শান্তিৰ একমাত্ৰ পথ আধ্যাত্মবাদ। ভাৰতবৰ্ষ স্বাধীন হয়। সৰ্বপল্লী ৰাধাকৃষ্ণণ বিধান পৰিষদৰ সদস্য হয়। ৰাজনীতিৰ কামত যদিও ৰাপ নাছিল তথাপিও দেশ সেৱাৰ কাৰণেই সদস্য হৈছিল। ইয়াৰ পিছত ইংলেণ্ডত ভাৰতৰ ৰাষ্ট্ৰদূত হৈ যায়। যেতিয়া অক্সফ্ৰোৰ্ড বিশ্ববিদ্যালয়ত অধ্যাপক হৈ আছিল তেতিয়া ৰাধাকৃষ্ণণে ইংলেণ্ডৰ ৰজা ষষ্ঠ জৰ্জক ভাৰতৰ দৰ্শন শিকাইছিল। ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে ৰাছিয়াত যেতিয়া আছিল তেতিয়া ষ্টেলিনে ভাৰতীয় মানুহ কেৱল ৰাধাকৃষ্ণণকহে বিশেষকৈ লগ কৰিছিল।

১৯৫০ চনত যেতিয়া ভাৰত গণতন্ত্ৰ ৰাষ্ট্ৰ হিচাপে ঘোষিত হয় তেতিয়া ৰাধাকৃষ্ণণ ভাৰতৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। ১৯৬২ চনৰ জুন মাহত ৰাধাকৃষ্ণণ ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। ১৯৬৮ চনলৈকে নিজৰ ব্যক্তিত্ব আৰু যোগ্যতাৰে নিজ কৰ্তব্যৰ দ্বাৰা দেশৰ উন্নতি সাধন কৰে। ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ গ্ৰহণ কৰি বাঙ্গালোৰত থাকে।

এই জন জ্ঞান গভীৰ দাৰ্শনিকৰ ৰচিত গ্ৰন্থসমূহ ভিতৰত ভাগৱতী গীতাৰ ব্যাখ্যা, গৌতম বুদ্ধ, ভাৰতীয় দৰ্শন, প্ৰাচ্য আৰু পাশ্চাত্যৰ ধৰ্ম, হিন্দুৰ জীৱন দৃষ্টি, ৰবীন্দ্ৰনাথৰ দৰ্শন, ভাৰত আৰু চীন ৰচনাৱলীয়েই প্ৰধান।

সৰ্বপল্লী ৰাধাকৃষ্ণণ এজন স্বতন্ত্ৰ বিচাৰক, বিখ্যাত গ্ৰন্থকাৰ আৰু তৰ্কত বিচক্ষণ শক্তিৰ ব্যক্তি। সাধক নহ'লেও এজন সুপ্ৰসিদ্ধ ভাষ্যকাৰ আৰু বক্তৃতা বিনম্ৰতাৰ প্ৰতিমূৰ্তি। ৰাষ্ট্ৰীয় আন্দোলনত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ নকৰিলেও ৰাষ্ট্ৰীয় নেতাসকলৰ লগত ঘনিষ্ট সম্বন্ধ ৰাখিছিল। ৰাধাকৃষ্ণণ ভাৰতীয় সংস্কৃতি আৰু দৰ্শনৰ সৰ্বশ্ৰেষ্ঠ আচাৰ্য।

১৯৭৫ চনৰ ১৭ এপ্ৰিলৰ দিনা ৰাতি ১২.৪৫ মিনিটত মাদ্ৰাজৰ সৰ্বজন শ্ৰদ্ধেয় ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মৃত্যু হয়।❏❏

## জন্মলগ্নৰ কিছু কথা

(২ পৃষ্ঠাৰ পৰা)

শৈক্ষিক কামকাজ আৰম্ভ কৰা হ'ব। নিয়োগৰ সম্ভাৱনা থকা বিষয়ৰ লগতে কিছু পাৰস্পৰিক বিষয়ৰ ওপৰতো শিক্ষা দান দিয়াৰ কথা ভবা হৈছে। এই বিষয় অসমৰ শিক্ষাবিদ আৰু বিদ্বৎ সমাজৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰা হৈছে। কলা আৰু সংস্কৃতি বিভাগৰ জৰিয়তে শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ে বিস্তৃত গৱেষণাৰ ব্যৱস্থা কৰি এম. ফিল. আৰু পি.এইছ.ডি. ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ে সম্যক জ্ঞান দিয়াৰ বাবে এক বাধ্যতামূলকভাৱে পাঠ্যক্ৰম বিশ্ববিদ্যালয়খনত প্ৰৱৰ্তন কৰা হ'ব।

**স্থায়ী চৌহদ ঃ** নগাঁও চহৰৰ পৰা ৮ কি.মি. দূৰত (বৰদোৱাৰ নাতিদূৰত) চৰকাৰে আবণ্টন দিয়া মাটিত বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ নিৰ্মাণৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰা হৈছে। বিশ্ববিদ্যালয় স্থায়ী চৌহদৰ নক্সা আৰু প্ৰকল্প নিৰ্মাণৰ বাবে গুৱাহাটীৰ এখন ফাৰ্মক দায়িত্ব দিয়া হৈছে। প্ৰায় তিনিশ কোটি টকাৰ বাজেটৰ এখন দীৰ্ঘম্যাদী 'মাষ্টাৰ প্লেন' প্ৰস্তুত কৰা হৈছে। আশা কৰা হৈছে এই বিশ্ববিদ্যালয়খন অদূৰ ভৱিষ্যতে উচ্চ শিক্ষা আৰু গৱেষণাৰ এক উৎকৰ্ষ কেন্দ্ৰ (Centre for Excellence) হ'ব, জ্ঞানৰ সৃষ্টি আৰু প্ৰসাৰৰ এক কেন্দ্ৰস্থল হিচাপে পৰিগণিত হ'ব।

ওপৰত উল্লেখ কৰা হৈছে যে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে এনে ধৰণৰ প্ৰাইভেট বিশ্ববিদ্যালয়বোৰলৈ কোনো ধৰণৰ আৰ্থিক সাহায্য প্ৰদান নকৰে। এই কথা ২০০৭ চনৰ অসম চৰকাৰৰ আইনত পৰিস্কাৰকৈ উল্লেখ আছে। তেনে স্থলত বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয় আন্তগাঠনি নিৰ্মাণ, শিক্ষক আৰু অনাশিক্ষক কৰ্মচাৰীৰ দৰমহা আৰু বিশ্ববিদ্যালয়খনৰ যাৱতীয় পৰিচালনাৰ খৰচৰ বাবদ বৃহৎ পুঁজিৰ প্ৰয়োজন হ'ল। এই পুঁজি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ন্যাস আৰু বিশ্ববিদ্যালয়ে নিজাববীয়াকৈ সংগ্ৰহ কৰিব লগিব। আমি ভাবো এই পুঁজি নিশ্চয় অসমৰ ৰাইজ তথা সঙ্ঘৰ সদস্যৰ পৰা দান-বৰঙণি, বিভিন্ন উদ্যোগপতিসকলৰ পৰা, দেশ-বিদেশৰ দাতাসকলৰ পৰা বিশেষকৈ প্ৰবাসী ভাৰতীয় আৰু প্ৰবাসী অসমীয়াসকলৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগিব। লগতে থাকিব ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুল। উল্লেখনীয় যে বিশ্ববিদ্যালয়ৰ ন্যাসে পুঁজি সংগ্ৰহৰ বাবে ভাৰত চৰকাৰৰ আয়কৰ (Income Tax) বিভাগৰ পৰা অনুমোদন ব্যৱস্থা কৰিছে। এই অনুমোদন লাভ কৰিলে এই বিশ্ববিদ্যালয়লৈ দিয়া দানৰ ওপৰত দাতাসকলে আয়কৰ ৰেহাই পোৱা ব্যৱস্থা থাকিব। লগতে বিদেশৰ পুঁজি সংগ্ৰহৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ Foreign Contributions Regulation Act (FCRA)ৰ অধীনত প্ৰয়োজনীয় অনুমতি প্ৰদান কৰিছে।

ছাত্ৰ-ছাত্ৰীক বিশ্বদ্যিালয়খনিৰ প্ৰতি আকৰ্ষিত কৰিব পৰাকৈ আটকধুনীয়া আৰু আধুনিক অন্তঃগাঠনি শ্ৰেণীকোঠা, লাইব্ৰেৰী, হোষ্টেল, লেবৰেট'ৰী, প্ৰেক্ষাগৃহ, খেলপথাৰ, বেঙ্ক, ডাকঘৰ আদিৰে এখন ক্ষুদ্ৰ চহৰৰ পৰিৱেশ প্ৰস্তুত কৰি উলিয়াব লাগিব। অসমত ইতিমধ্যে স্থাপন হোৱা প্ৰাইভেট বিশ্ববিদ্যালয়কেইখনে উচ্চ মানদণ্ডৰ আন্তঃগাঁঠনিৰ সৃষ্টি কৰিছে। এনে ক্ষেত্ৰত আমিও পিছপৰি থাকিব নালাগিব। তেতিয়াহে এই বিশ্ববিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পাৰিব।

বিশ্ববিদ্যালয় আটাইতকৈ জৰুৰী আৰু প্ৰয়োজনীয় দিশ হ'ব অধ্যাপক/ আধ্যাপিকা নিযুক্তি। মেধাসম্পন্ন শিক্ষক নিযুক্তিয়েহে বিশ্ববিদ্যালয়ৰ উৎকৰ্ষতা আনিব। যোগ্য আৰু মেধাসম্পন্ন শিক্ষকৰ নিযুক্তি দিবলৈ হ'লে তেওঁলোকক যোগ্যতা অনুযায়ী দৰমহা দিয়াৰ ব্যৱস্থা কৰিব। শিক্ষকৰ অৰ্হতা আৰু মেধাৰ ক্ষেত্ৰত যাতে কোনো আপোচ কৰা নহয়— এই দিশলৈ মন দিব লাগিব।

সদৌ শেষত ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থা, বিশেষকৈ বিশ্ববিদ্যালয়সমূহৰ বৰ্তমানৰ অৱস্থা দেখি ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় শ্ৰীযুত মনমোহন সিঙে কৰা এটি উক্তিলৈ সকলোৰে মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছোঁ।

*"Our university system is, in many parts, in a state of disrepair... In almost half the districts in the country, higher education enrolments are abysmally low, almost two-third of our universities and 90 percent of our colleges are rated as below average. I am concerned that in many states university appointments, including that of vice-chancellors, have been politicised and have become subject to caste and communal considerations, there are complaints of favouritism and corruption."*

—Prime Minister, Manmohan Singh in 2007.

ভাৰত বৰ্ষৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ উপৰিউক্তি উক্তিত ফুতি উঠিছে বিশ্ববিদ্যালয়ৰ প্ৰতি থকা গভীৰ আস্থা আৰু প্ৰত্যাশাৰ বাৰ্তা। বৰ্তমানৰ প্ৰধান মন্ত্ৰীজনে ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ গুণগত অৱক্ষয়ৰ বাবে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। আমি আশা কৰোঁ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় দৃঢ়তাৰে এই প্ৰত্যাশা আৰু প্ৰত্যাহ্বান গ্ৰহণ কৰি আগুৱাই যাব।❑❑

***লেখক ঃ বিশেষ কৰ্তব্যৰত বিষয়া
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়,
নগাঁও***

## নেৰিবাহা যুগধৰ্ম

(২ পৃষ্ঠাৰ পৰা)

তেনেহ'লে তপ, জপ, যজ্ঞ, যাগ, যোগ, তীৰ্থ, ব্ৰত, দান আদি ধৰ্মবোৰ ক'লৈ গ'ল—

"কলিৰ ভয়ত ত্ৰাস হুৱা ধৰ্ম্ম যত।
একস্থান হৈয়া ৰৈল হৰিৰ নামত।।"
"আন ধৰ্ম্ম কৃষ্ণৰ লগতে গুচি গৈল।
একস্থান হুয়া হৰিনাম মাত্ৰ ৰৈল।।" - ভাগৱত

কলিযুগত বৈদিক কৰ্মকাণ্ডৰ কৰ্মবোৰ কিয় সিদ্ধ নহয়? কিম্বা কিয় সেইবোৰৰ কোনো ফল পোৱা নাযায়? ইয়াৰ উত্তৰ দিছে—

"ঘোৰ কলিযুগ ভৈল একাকাৰ
দেখা কৰি স্থিৰ বুদ্ধি।
চিত-বিত পাত্ৰ অপৱিত্ৰ সৰে
নাহি শৰীৰ শুদ্ধি।।
জানি আন কৰ্ম্ম দূৰতে তেজিয়া
ভকতিক কৰা সাৰ।
এহি নাম গুণ কীৰ্ত্তনতে দেখা
মহাসুখে পাই পাৰ।।" — ভাগৱত

কলিযুগত মানুহৰ চিত্ত শুদ্ধ নহয়, যি ধনেৰে কৰ্ম কৰিব সেই ধন শুদ্ধ নহয়, যেয়ে কৰ্ম কৰিব সেই পাত্ৰ শুদ্ধ নহয়। শুদ্ধভাৱে মন্ত্ৰ প্ৰয়োগ নহয়, তন্ত্ৰ অনুষ্ঠান পদ্ধতি শুদ্ধ নহয়, দেশ শুদ্ধ নহয়, কাল শুদ্ধ নহয়। এইবোৰ কাৰণে কোনো বৈদিক বা তান্ত্ৰিক ক্ৰিয়া ফলদায়ক নহয়। তদুপৰি কলিৰ লোক অল্পায়ু, অল্পশক্তি, অল্পবুদ্ধি আৰু পাপমতি। পাপীৰ কৰ্ম সিদ্ধ হোৱা দূৰৈৰ কথা, কৰ্মত অধিকাৰেই নাই।

"নাম বিনে নাহি কলিত গতি।
কলিৰ লোক হইবে পাপমতি।।
অন্যত্ৰ ধৰ্ম্মে নাহি অধিকাৰ।
জানিবা কলিত নামেসে সাৰ।।"
— কীৰ্ত্তন-ঘোষা

"পাতকীৰো কৰ্ম্ম আছে শুনি মৰি ঘিণে।
কলিযুগে গতি নাহি হৰি নাম বিনে।।"
— ভাগৱত

পাপত মগন হুয়া কৰ্মক আচৰে গৈয়া
জানা সি পুণ্য সিদ্ধে তাৰ।
দুৰ্ঘোৰ কলিত ইটো মলমতি মনুষ্যৰ
একো কৰ্মে নাহি অধিকাৰ।
—ভাগৱত

মন্ত্ৰ আদি ঠিক মতে উচ্চাৰণ কৰিব নোৱাৰাৰ দোষত মন্ত্ৰৰ বিপৰীত অৰ্থ হৈ যজমান নষ্ট হোৱা কথা যাস্কাচাৰ্যও বেদাঙ্গ 'নিৰুক্ত' গ্ৰন্থত লিখা আছে—

"মন্ত্ৰো হীনঃ স্বৰতো ৱৰ্ণতো বা
মিথ্যা প্ৰযুক্তো ন তমৰ্থমাহ।
স ৱাগৱজ্ৰো যজমানং হিনস্তি
যথেন্দ্ৰ শত্ৰুঃ স্বৰতোহপৰাধাৎ।"

মন্ত্ৰৰ উচ্চাৰণত যদি স্বৰ বা বৰ্ণৰ ত্ৰুটি ঘটে, তেন্তে সেই মন্ত্ৰই বজ্ৰস্বৰূপ হৈ যজমানকহে নষ্ট কৰে। ত্ৰেতা যুগত ত্বষ্টাদিত্যই ইন্দ্ৰবধৰ বাবে এটি যজ্ঞ কৰিছিল। সেই যজ্ঞত আহুতিৰ মন্ত্ৰ আছিল—

"ইন্দ্ৰশত্ৰু বিৱৰ্দ্ধস্ব মা চিৰং জহি বিদ্বিষম্"

অৰ্থাৎ হে ইন্দ্ৰৰ ঘাতক তুমি বাঢ়ি উঠা আৰু শত্ৰু ইন্দ্ৰক নিহত কৰা। এই মন্ত্ৰৰ 'ইন্দ্ৰশত্ৰু' শব্দটোৰ উচ্চাৰণত ব্যতিক্ৰম হোৱা বাবেই বৃত্ৰাসুৰৰ হাতত ইন্দ্ৰ নিহত নহৈ ইন্দ্ৰৰ হাতত বৃত্ৰাসুৰ হত হ'ল। 'ইন্দ্ৰশত্ৰু' শব্দটোৰ দুটা ভাগ 'ইন্দ্ৰ' আৰু 'শত্ৰু'। 'ইন্দ্ৰ' ভাগত বেছি জোৰ দি উচ্চাৰণ কৰিলে অৰ্থ হয় শত্ৰু ইন্দ্ৰ অৰ্থাৎ ইন্দ্ৰ নিজে আৰু শত্ৰু ভাগত বেছি জোৰ দি উচ্চাৰণ কৰিলে হয় ইন্দ্ৰৰ শত্ৰু বা ইন্দ্ৰৰ ঘাতক। পুৰোহিতে উচ্চাৰণ কৰোতে ইন্দ্ৰ ভাগত জোৰ দি উচ্চাৰণ কৰি আহুতি দিয়াত বৃত্ৰাসুৰৰ হাতত ইন্দ্ৰ নমৰি ইন্দ্ৰৰ হাততহে বৃত্ৰাসুৰ মৰিল। ত্ৰেতা যুগতেই যেতিয়া এনে হ'ল, কলি যুগততো কথাই নাই।

তদুপৰি প্ৰত্যেক মন্ত্ৰৰ ঋষি কোন, ছন্দ কি, দেৱতা কোন, যজ্ঞাদি কৰ্মত তাৰ বিনিয়োগ কেনেকুৱা এইবোৰ বিষয়ে সকলো নিৰ্ভুলভাৱে জানিলেহে মন্ত্ৰ প্ৰয়োগ কৰিব পাৰি। বেদ মন্ত্ৰত এইবোৰ জ্ঞান বৈকল্পিক নহয়, বাধ্যতামূলক। এইবোৰ নজনাকৈয়ে যি বেদমন্ত্ৰ স্বাধ্যায় কৰে বা পঢ়ে তেওঁক ধৰ্ম শাস্ত্ৰত 'মন্ত্ৰকণ্টক' বোলা হয়।

"ঋষিচ্ছন্দোদৈৱতানি ব্ৰাহ্মণাৰ্থং স্বৰাদ্যপি।
অৱিদিত্বা প্ৰযুঞ্জানো মন্ত্ৰকণ্টত উচ্যতে।।"

এইবোৰ নজনাকৈয়ে যদি কোনোবাই মন্ত্ৰ অধ্যাপনা বা জপাদি কৰে তেওঁ পাপী হয়।

"অৱিদি ত্বা ঋষিং ছন্দো দৈৱতং যোগমেৱ চ।
যঃ অধ্যাপয়েদ্ জপেদ্ বাপি পাপীয়ান্ জায়তে তু সঃ।।"

বৈদিক কৰ্মকাণ্ড নিৰ্ভুলভাৱে (যদিও এই যুগত সেইটো সম্ভৱ নহয়) কৰা বুলি ধৰি ল'লেও তাৰ পৰা যি ফল উৎপন্ন হয় সি অতি ক্ষণস্থায়ী, বিনাশী। তাৰ দ্বাৰা 'স্বৰ্গ নৰক ভুগি জীৱবোৰে বাৰে বাৰে সংসাৰ-চক্ৰত বিভিন্ন যোনিত জন্মগ্ৰহণ কৰি অশেষ ক্লেশ ভোগ কৰি ফুৰিব লাগে। সেই কাৰণে মহাভাৰতত মহামুনি ব্যাসে ঘোষণা দিছে—

"অজস্ৰং জন্মনিধনং চিন্তয়িত্বা ত্ৰয়ীমিমাম্।
পৰিত্যজ্য ক্ষয়মিহ অক্ষয়ং ধৰ্মমাস্থিতঃ।।"
— মহাভাৰত, শান্তিপৰ্ব, ৩১৮/৫৪

অৰ্থাৎ সংসাৰত জন্ম আৰু মৃত্যুৰ গতি অবিৰাম চলি আছে, ইয়াক চিন্তা কৰি বৈদিক কৰ্মকাণ্ডত কোৱা সমস্ত কৰ্ম আৰু তাৰ ফল বিনাশী বুলি জানি সেইবোৰ পৰিত্যাগ কৰি অক্ষয় অবিনাশী ধৰ্মৰ আশ্ৰয় লোৱা উচিত। আন এঠাইত ব্যাসে কৈছে—

"ন ধৰ্ম্মকালঃ পুৰুষস্য নিশ্চিতো।
ন চাপি মৃত্যুঃ পুৰুষং প্ৰতীক্ষতে।।
সদা হি ধৰ্মস্য ক্ৰিয়ৈৱ শোভনা।
যথা নৰো মৃত্যুমুখেহভিবৰ্ততে।।"
— মহাভাৰত, শান্তি পূৰ্ব

অৰ্থাৎ মৃতুৱে মানুহৰ সময় অসময়লৈ বাট নাচায়। গতিকে মানুহৰ ধৰ্ম আচৰণৰ কোনো নিৰ্দিষ্ট সময় নাই। মানুহ যেতিয়া সদায় মৃত্যুমুখত পৰি আছে ধৰ্মকাৰ্য সকলো সময়তে কৰা উচিত—

"অজৰামৰাবৎ প্ৰাজ্ঞঃ বিদ্যামৰ্থঞ্চ চিন্তয়েৎ।
গৃহীত ইব কেশেষু মৃত্যুনা ধৰ্ম্মমাচৰেৎ।।"

অৰ্থাৎ—

"অজৰ অমৰ ভাবি নিজৰ জীৱন।
জ্ঞানীয়ে কৰিব বিদ্যাধন উপাৰ্জন।।
চুলিত ধৰিছে যমে এতিয়াই নিব।
হেনমতে ভাবি তেওঁ ধৰ্ম্ম আচৰিব।।"

এতিয়া এই অক্ষয় ধৰ্ম কি? আৰু আমি কি ধৰ্ম আচৰণ কৰিম? আসন্ন মৃত্যুৰ মুখত পৰি মহাৰাজ পৰীক্ষিতে মহামুনি শুকক সুধিছিল—

"অতঃ পৃচ্ছামি সংসিদ্ধিং যোগিনাং পৰমং গুৰুম্।
পুৰুষস্যেহ জন্যং যৎ কৰ্তব্যং নৃভিঃ প্ৰভো।
স্মৰ্তব্যং ভজনীয়ং বা ব্ৰুহি যদ্বা বিপৰ্য্যয়ম্।।"
— ভাগৱত, ১/২৯/৩৭—৩৮

অৰ্থাৎ—

তোমাৰ চৰণে মৰণ সময়ে
পুছোহো প্ৰভু সাম্প্ৰত।
ম্ৰিয়মান নৰে সদায়ে কি কৰ্ম্ম
কৰিবে ইটো লোকত।।
কাহাক শুনিবে কাহাক জপিবে
কাহাক স্মৰিবে নৰে।
ভজিবাক যোগ্য কোননো দেৱতা
কহিয়ো মোক সত্বৰে।।
শ্ৰৱণ কীৰ্ত্তন স্মৰণক যোগ্য
নুহি যত যত কথা।
তুমিসি পৰম গুৰু মহামুনি
কহিয়ো মোত সৰ্ব্বথা।।"

এই প্ৰশ্ন পৰীক্ষিতৰ প্ৰশ্ন নহয়। এই প্ৰশ্ন বিশ্বৰ নৰ-নাৰীৰ প্ৰশ্ন। পৰীক্ষিতে সাতদিন সময় পাইছিল। সাতদিনৰ ভিতৰত তেওঁৰ মৃত্যু নহয়। কিন্তু আমাৰ এই মুহূৰ্তও সময় নাই। আমি কোনেও ক'ব নোৱাৰো যে আমি সাতদিন জীয়াই থাকিম। ওপৰত কোৱাৰ দৰে মৃত্যুৱে আমাক চুলিত ধৰি আছে। মৃত্যু যেতিয়া সন্নিকট আমি কি ধৰ্ম আচৰণ কৰিলে আৰু কাক আৰাধনা কৰিলে আমাৰ ইহকাল পৰকালৰ কল্যাণ আৰু আত্মাৰ সদ্গতি হ'ব?

(৭ পৃষ্ঠাত চাওক)

# নেৰিবাহা যুগধৰ্ম

(৬ পৃষ্ঠাৰ পৰা)

শুকে ইয়াৰ উত্তৰ দিলে—

"এতন্নির্বিদ্যমানানামিচ্ছতামকুতোভয়ম্।
যোগিনাং নৃপ নিৰ্ণীতং হৰের্ণামানুকীৰ্ত্তনম্।।"

— ভাগৱত, ২/১/১১

অৰ্থাৎ যি সকলে মুক্তি বাঞ্ছা কৰে, যিসকলে বিভিন্ন ঐশ্বৰ্য, সম্পদ, ভোগ বিলাস আদি কামনা কৰে আৰু যিসকল জ্ঞানী, সকলোৰে নিজ নিজ উদ্দেশ্য সাধনৰ উপায় হিচাপে হৰিনাম কীৰ্তনকে চূড়ান্তভাৱে নিৰ্ণয় কৰা হৈছে। ইয়াৰ অনুবাদ—

প্ৰশ্নৰ উত্তৰ দেও শুন সাৱধান।
কৃষ্ণৰ নামেসে জানা পৰম কল্যাণ।।
নামে সাধে যাৰ যেন মত অভিলাষ।
যিবা মোক্ষ চাহে বৈকুণ্ঠত দেন্ত বাস।।
জ্ঞানৰো জানিবা হৰিনামে মোক্ষ ফল।
নাহিকে নামত পৰে পৰম মঙ্গল।।
চাৰিও বেদৰ সাৰ এহিসে নিশ্চয়।
জানি পৰীক্ষিত তুমি তেজিয়ো সংশয়।
অল্পকালে সাধে সিদ্ধি কৃষ্ণৰ ভকতি।
দুই দন্দে পাইলা গতি খটাঙ্গ নৃপতি।।"

— ভাগৱত

কৃষ্ণ ভকতি কৰি দুই দন্দ অৰ্থাৎ ৪৮ মিনিটতে খটাঙ্গ ৰজাই গতি পাইছিল। শুকে আৰু ক'লে যে বেদৰো সাৰ হৰিনাম শ্ৰৱণ-কীৰ্তনহে।

"ন হি অতোহন্যঃ শিৱঃ পন্থা বিশতঃ সংসৃতাবিহ।

বাসুদেৱে ভগৱতি ভক্তি যোগো যতো ভৱেৎ।।

ভগৱান ব্ৰহ্ম কাৰ্ৎস্ন্যেন ত্ৰিৰন্বীক্ষ্য মনীষয়া।
তদধ্যবস্যৎ কুটস্থো ৰতিৰাত্মন্ যতো ভৱেৎ।
তস্মাৎ সৰ্ব্বত্মনা ৰাজন্ হৰিঃ সৰ্বত্ৰ সৰ্ব্বদা।
শ্ৰোতব্যঃ কীৰ্তিতব্যশ্চ স্মৰ্তব্যো ভগৱান নৃনাম্।।"

— ভাগৱত, ২/২/৩৩-৩৪, ৩৪

অৰ্থাৎ—

সংসাৰ তৰণ পথ আছে অসংখ্যাত।
অনেক বিঘিনি তাতো দুষ্কৰ সাক্ষাত।।
শ্ৰৱণ-কীৰ্ত্তন কৰি কৃষ্ণক আৰাধে।
মহামোক্ষ সাধে একো বিঘিনি নবাধে।।
যাত হন্তে হোৱে ৰতি কৃষ্ণৰ চৰণে।
নাহিকে সুগম আত পৰে ত্ৰিভুৱনে।।
পূৰ্বতে ব্ৰহ্মায়ে একচিত্তে নিতিবাৰ।
বেদত বিচাৰি এহিমানে পাইলা সাৰ।।
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে উপজে গোৱিন্দত প্ৰেম ৰতি।।
হেনজানি মহা যত্নে কৃষ্ণক সৰ্বথা।
শ্ৰৱণ কীৰ্ত্তন কৰা ত্যজি আন কথা।।
শুদ্ধ হুইবা এতেকে ত্যজিব মায়া জালে।
কৃষ্ণৰ পৰম পদ পাইবা অবিকলে।।"

— ভাগৱত

আৰু ক'লে—

"অকামঃ সৰ্বকামো বা মোক্ষ কাম উদাৰধীঃ।
তীব্ৰেণ ভক্তি যোগেন যজেম পুৰুষং পৰম।।"

— ভাগৱত, ২/৩/১০

১। অকাম ঃ যিজনৰ কোনো কামনা নাই।

২। সৰ্বকাম ঃ যিজন ঐশ্বৰ্য, সম্পত্তি, বিষয়ভোগ আদি সকলো কামনাযুক্ত।

৩। মোক্ষকাম ঃ যি কেৱল মুক্তি কামনা কৰে।

এই তিনিও শ্ৰেণীভুক্ত বিচাৰ বুদ্ধি সম্পন্ন লোকসকলে নিজ নিজ অভিষ্ট সিদ্ধিৰ বাবে তীব্ৰ অৰ্থাৎ ব্যভিচাৰশূন্য ভকতিৰে একমাত্ৰ ঈশ্বৰক আৰাধনা কৰিব। শ্ৰীমৎ দামোদৰদেৱৰ প্ৰধান শিষ্য ভট্টদেৱে শ্লোকৰ ব্যাখ্যা এইদৰে কৰি 'তীব্ৰেন' মানে ব্যভিচাৰ দোষ ৰহিতেন অৰ্থাৎ ব্যভিচাৰ দোষ শূন্য ভকতিৰে বুলি কৈছে। আৰু ব্যভিচাৰ সম্বন্ধে তেওঁৰ নিজৰ ব্যাখ্যা 'কথা গীতৰ' ১৪শ অধ্যায়ৰ শেষত দিছে— "অহে লোকসৱ দেখহ অব্যভিচাৰী ভক্তি কৰি কৃষ্ণক পায় অন্য দেৱতা সম্বন্ধক ব্যভিচাৰ বুলি। এতেকে অন্য দেৱতা উপাসকৰ সঙ্গ মাত্ৰও নকৰি ডাকি হৰি বোলা হৰি।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও ভাগৱতত লিখিছে—

"অন্য দেৱী দেৱ নকৰিবা সেৱ
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।"

— ভাগৱত, ২য়

ওপৰত লিখা শ্লোকৰ গুৰি বিচাৰি গ'লে 'পদ্ম পুৰাণ'ত যি শ্লোক পোৱা যায় তাত ব্ৰাহ্মণ সকলোকো সামৰিছে।

"নান্যং দেৱং তু বীক্ষেত ব্ৰাহ্মণো ন পূজয়েৎ।
নান্যং প্ৰসাদং ভুঞ্জীত নান্যস্যায়তনং বিশেৎ।।"

— পদ্মপুৰাণ, উত্তৰ খণ্ড, ২৮২/৬৩

অৰ্থাৎ ব্ৰাহ্মণে বিষ্ণু ভিন্ন আন দেৱতাৰ দৰ্শন নকৰিব, পূজা নকৰিব, প্ৰসাদ নাখাব আৰু গৃহত প্ৰৱেশ নকৰিব। হাৰীত মুনিৰ স্মৃতিশাস্ত্ৰতো এই একেই শ্লোক পোৱা যায়—

"কৰ্মণা মনসা বাচা ন প্ৰসাদেৎ জনাৰ্দনম্।
ভক্তি সা সাত্বিকী জ্ঞেয়া ভৱেদব্যভিচাৰিণী।।
নান্যং দেৱং নমস্কুৰ্য্যাৎ নান্যং দেৱং প্ৰপূজয়েৎ।
নান্যং প্ৰসাদং ভুঞ্জীত নান্যদায়তনং বিশেৎ।।

— বৃদ্ধ হাৰীত

অক্ষয় ধৰ্ম কি? আৰু সংসাৰৰ সকলো লোকেই যেতিয়া মৃত্যুমুখী পালনীয় ধৰ্ম কি? ইয়াৰ উত্তৰ স্বৰূপে একমাত্ৰ হৰিনাম কীৰ্তন আৰু ভগৱান কৃষ্ণত অব্যভিচাৰিণী ভক্তিকেই মহামুনি শুকদেৱে নিৰ্ণয় কৰিলে। এই ধৰ্মকেই কলিযুগৰ যুগধৰ্ম আৰু সকলো লোকৰ স্বধৰ্ম হিচাপে নিৰ্দিষ্ট কৰা হৈছে বুলি আগতে কোৱা হৈছে। 'স্বধৰ্ম' শব্দ বৰ্ণাশ্ৰম ধৰ্মৰ বৰ্ণভেদে আৰু আশ্ৰমভেদে নিৰ্দিষ্ট ধৰ্ম-কৰ্মৰ বৰ্ণভেদে আৰু আশ্ৰমভেদে নিৰ্দিষ্ট ধৰ্ম-কৰ্মৰ ক্ষেত্ৰতো প্ৰয়োগ হয়। কিন্তু ভাগৱতত আৰু গীতাৰ শেষত সেই সকলো ধৰ্ম ত্যাগ কৰি ঈশ্বৰ কৃষ্ণত একশৰণ লৈ সকলো যুগতে সকলো লোকৰে স্বধৰ্ম আৰু কলিযুগৰ বাবে সকলো লোকৰে একমাত্ৰ স্বধৰ্ম হৰিনাম কীৰ্তন কৰিবলৈহে উপদেশ দিয়া হৈছে।

"তক্তৱা স্বধৰ্মং চৰণাম্বুজং হৰেৰ্ভজন্নগ্‌কোহ্থ পতেৎ ততো যদি।

যত্ৰ ক্ক বাভদ্ৰমভুদমুষ্য কিং কো বাৰ্থ আপোহ ভজতাং স্বধৰ্মতঃ।"

— ভাগৱত, ১/৫/১৭

অৰ্থাৎ—

"আৰে অনাদৰি জ্ঞান স্বধৰ্ম নিশেষ।
কেৱলে দিয়োক ভকতিৰ উপদেশ।।
স্বধৰ্মক তেজি ভজে কৃষ্ণক সম্প্ৰতি।
তাত প্ৰেম পূৰ্ণ যেৱে নভৈল ভকতি।।
ভৈল ভ্ৰষ্ট যদিবা অল্পতে গৈল প্ৰাণ।
জানা নাহি তথাপি তাহাৰ অকল্যাণ।।"

— ভাগৱত, ১ম স্কন্ধ

তদুপৰি কলিযুগত বৰ্ণাশ্ৰম ধৰ্ম নাথাকে বুলি শাস্ত্ৰত কোৱা আছে। স্বৰূপাৰ্থত আজিৰ যুগত সেই ধৰ্ম কোনেও আচৰণ নকৰে। তাৰ জকাটোহে নামত আছে। আজিকালি ব্ৰাহ্মণ কুমাৰে ব্ৰহ্মচাৰী হৈ গুৰুগৃহত বেদ অধ্যয়ন কৰিবলৈ নাযায়। ৫০ বছৰৰ পাছত বানপ্ৰস্থী হৈ তপস্যা কৰিবলৈ নাযায়, ৭৫ বছৰৰ পাছত সন্ন্যাস ধৰ্ম অৱলম্বন নকৰে। সেইবাবেই বোধহয় বিষ্ণু পুৰাণত লিখিছে—

"বৰ্ণাশ্ৰমাচাৰৱতী প্ৰবৃত্তি ৰ্ণ কলৌ নৃণাম্।
সাম-ঋক্ যজুৰ্ব্বেদবিনিস্পাদন হেতুকা।।"

— বিষ্ণু পুৰাণ, ৬/১/১০

অৰ্থাৎ কলিযুগত মানুহৰ বৰ্ণ আৰু আশ্ৰম ধৰ্মৰ অনুৰূপ প্ৰবৃত্তিবোৰ নাথাকিব আৰু ঋক্-যজু-সাম্ আদি বেদ বিহিত ক্ৰিয়াবোৰ নিষ্পাদিত নহ'ব।

বেদ অধ্যয়ন নকৰি আন কৰ্মত ৰত থাকিলে সেইসকলক ব্ৰাহ্মণ নোবোলে, শূদ্ৰহে বোলে। যোহনধীত্য দ্বিদো বেদম্ অন্যত্ৰ কুৰুতে শ্ৰমম্। স জীৱন্নেৱ শূদ্ৰত্বমাশু গচ্ছতি সান্বয়ঃ। —মনু, ২/১৬৮

অৰ্থাৎ সি দ্বিজে বেদ অধ্যয়ন নকৰি আন শ্ৰম কৰে সি জীৱন কালতে সপৰিয়ালে শূদ্ৰত্ব প্ৰাপ্ত হয়। পিতৃ গৃহত ৰজস্বলা হোৱা কন্যা বিবাহ কৰিলেও ব্ৰাহ্মণ গুচি শূদ্ৰ হয়।

"পিতৃগৃহেষু যা কন্যা ৰজঃ পশ্যতি অসংস্কৃতা।
সা কন্যা বৃষলী জ্ঞেয়া তৎপতিৰ্বৃষলীপতিঃ।।"

— প্ৰজাপতি স্মৃতি, ৮৫

অৰ্থাৎ বিবাহৰ আগেয়ে পিতৃগৃহত ৰজস্বলা হোৱা কন্যাক বৃষলী বোলে আৰু যেয়ে সেই কন্যা বিয়া কৰায় তাক বৃষলীপতি বোলে—

"বৃষলীগমনং চৈবমাসমেকং নিৰন্তৰম্।
ইহ জন্মনি শূদ্ৰত্বং পুনঃ শ্বানো ভৱিষ্যতি।।"

— বৃহৎ যম স্মৃতি, ৩/১৪

অৰ্থাৎ যেয়ে এমাহ ধৰি বৃষলীগমন কৰে সি এই জন্মত শূদ্ৰ হয় আৰু পৰজন্মত কুকুৰ হৈ জন্মে।

"বৃষলী যস্তু গৃহ্নাতি ব্ৰাহ্মণো মদমোহিতঃ।
সদা কুতকিতা তস্য ব্ৰহ্মহত্যা দিনে দিনে।।"

— ঐ, ৩/১৩

অৰ্থাৎ, যি ব্ৰাহ্মণে মুগ্ধ হৈ বৃষলী কন্যা বিয়া কৰায় যি সদায় অপৱিত্ৰ থাকে আৰু দিনে দিনে তাৰ ব্ৰহ্মহত্যা পাপ হয়। মহাভাৰতৰ বনপৰ্বত মহামুনি ব্যাসে লিখিছে—

"ব্ৰাহ্মণাঃ ক্ষত্ৰিয়া বৈশ্যা ন নিষ্যন্তি জনাধিপ।
এক বৰ্ণস্তদালোকো ভৱিষ্যতি যুগক্ষয়ে।।"

— মহাভাৰত, বনপৰ্ব, ১৯০/৪২

অৰ্থাৎ যুগান্তত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আদি বৰ্ণ নাথাকে। সকলো এক বৰ্ণ হ'ব।

গীতাৰ শেষত বিধি কিংকৰ সকলো ধৰ্ম ত্যাগ কৰি একমাত্ৰ তেওঁতেই শৰণ ল'বলৈ ভগৱান কৃষ্ণই নিৰ্দেশ দিছে।

"সৰ্ব্বধৰ্মান্ পৰিতাজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বাপাপেভ্যঃ মোক্ষয়িষ্যামি মা শুচঃ।।"

— গীতা, ১৮/৬৬

"তেজি বিধিকিঙ্কৰ যতেক ধৰ্ম্মগণ।
মোতেসে কেৱলে এক লৈয়োক শৰণ।।
কৰ্ম্ম ত্যাগ নিমিত্তে সিজয় পাপচয়।
ইটো শোক নকৰিবা তুমি ধনঞ্জয়।।
যেহেতু আমাত তুমি লৈলাহা শৰণ।
সৰ্বপাপ হন্তে মই কৰিবো ৰক্ষণ।।"

এই হৰি নাম শ্ৰৱণ-কীৰ্তন ধৰ্ম হৰি ভকতৰ সঙ্গতহে পোৱা যায়। হৰিভকতৰ সঙ্গক বিভিন্ন ঠাইত সৎসঙ্গ, বৈষ্ণৱ সঙ্গ, সাধু সঙ্গ, মহন্ত সঙ্গ, সজ্জন সঙ্গ আদি নামকৰণ কৰা হৈছে। সাধুৰ লক্ষণ প্ৰসঙ্গত ভাগৱত আৰু ভক্তি-ৰত্নাকৰত আঠাইশ লক্ষণযুক্ত এক প্ৰকাৰ সাধুৰ কথা কৈ পাছত নিম্নলিখিত লক্ষণ বিশিষ্টজনকো সেই আঠাইশ লক্ষণযুক্ত সাধুৰ দৰেই শ্ৰেষ্ঠতম সাধু বুলি নিৰ্ণয় কৰিছে। উদ্ধৱৰ প্ৰতি ভগৱানৰ কৃষ্ণৰ বাণী—

"আজ্ঞায়ৈবং গুণান্ দোষান্ ময়াদিষ্টানপি স্বকান্।

ধৰ্মান্ সন্ত্যজ্য যঃ সৰ্ব্বান্ মাং ভজেৎ স সত্তমঃ।।"

— ভাগৱত ১১/১১/৩২

এই শ্লোকৰ অনুবাদ—

"শুনা সখি আৰো বেদৰূপে মই
কহি আছো ধৰ্ম্ম গণ।
আচৰিলে গুণ নাচৰিলে দোষ
জানিয়া আৰু যিজন।।
ভকতিতে সৰে ধৰ্ম্ম সিদ্ধ হৈব
কৰিয়া দৃঢ় নিশ্চয়।
তেজি ধৰ্ম্ম সিটো মোক ভজে যিটো
সেহি সাধু মহাশয়।।
আঠাইশ লক্ষণ পূৰ্ণ ভক্তজন
তেনয় ইটো উত্তম।।"

— ভক্তি-ৰত্নাকৰ

গীতাতো ভগৱন্তই কৈছে মহা দুৰাচাৰীজনেও যদি আন দেৱসেৱা ত্যাগ কৰি ব্যভিচাৰশূন্য হৈ একমাত্ৰ তেওঁকে ভজনা কৰে তেন্তে সেইজনকো পৰম সাধু বুলি ধৰিব লাগে—

"অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক্।
সাধুৰেব স মন্তব্যঃ সম্যগ্বৱসিতো হি সঃ।।
ক্ষিপ্ৰং ভৱতি ধৰ্ম্মাত্মা শশ্বচ্ছান্তিং নিগচ্ছতি।
কৌন্তেয় প্ৰতিজানীহি ন মে ভক্তা প্ৰণশ্যন্তি।।"

— গীতা, ৯/৩০—৩১

এই শ্লোকৰ ভাঙনি মহাপুৰুষ মাধৱদেৱে কৰিছে—

"মাধৱে বোলন্ত ধনঞ্জয় মহাদুৰাচাৰো আতিশয়
আন দেৱ ত্যজি মোকেসে মাত্ৰ ভজয়।
তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্ব্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক নিশ্চয়।।"
ভক্তিৰ মহিমা বিপৰীত অধৰ্ম্ম তেজিয়া ধৰ্ম্মচিত্ত
হোৱা শীঘ্ৰে মোক ভজি জানা কুন্তীসুত।
আৰু যি কুতৰ্কী নমানয় তথা গৈয়া বায়া বাদ্যচয়
বাহু মেলি কৰা অঙ্গীকাৰ অদভূত।।
মোহোৰ পৰম ঈশ্বৰৰ দুৰাচাৰ ভক্তো নোহে নষ্ট
কিন্তু সিটো ভক্ত কৃতাৰ্থ আতি হোৱয়।
তোমাৰ প্ৰগল্‌ভ প্ৰৌঢ়ি শুনি সমস্ত কুতৰ্ক পৰিহৰি
গুৰুত্বে তোমাক কৰিবে সৱে আশ্ৰয়।।"

— নাম-ঘোষা

এতিয়া দেখা গ'ল যে, বিধি কিংকৰ ধৰ্ম আৰু আন দেৱ সেৱা ত্যাগ কৰি একান্তভাৱে ভগৱন্তক ভজনা কৰাজনহে ভকত, সাধু, মহন্ত, সন্ত আদি নামৰ যোগ্য আৰু তেনে জনৰ সঙ্গতহে ভগৱদ্ কথা শ্ৰৱণ কৰি ভগৱদ্ ভক্তি লাভ কৰিব লাগে। কলিযুগত সেই জনকহে বৈষ্ণৱ বোলে—

"কৃষ্ণ ব্যতিৰেকে যিটো আনক নভজে।
কৃষ্ণৰেসে নাম লৱে কৃষ্ণকেসে পূজে।।
সুখে দুখে লৱে এক কৃষ্ণত শৰণ।
কলিত বৈষ্ণৱ সেহি নৰ মহাজন।।
বিষয়ৰ দোষে তাক ব্যাধিতে নোৱাৰে।
তাক যিটো নিন্দা কৰে নৰকত পৰে।।"

— ভাগৱত

বিষ্ণু ভিন্ন আন দেৱতা পূজকক অবৈষ্ণৱ

(১২ পৃষ্ঠাত চাওক)

# শ্ৰীমন্ত শঙ্কৰদেৱ

(১ পৃষ্ঠাৰ পৰা)

মুলুকত নাট্যাভিনয়ৰ সূচনা কৰে। 'সাত দিন সাত ৰাতি'

অনুষ্ঠিত হোৱা এই নাট্যাভিনয়ত গুৰুজনাই নিজেও নৃত্য-গীতত অংশ লোৱাৰ লগতে অভিনয়তো অংশগ্ৰহণ কৰি দৰ্শকক বিস্ময়াভূত কৰা কাৰ্যৰ বিষয়েও চৰিতপুথিয়ে আভাস দিয়ে। গুৰুজনাই তাঁতীকুছিৰ শিপিনীসকলৰ দ্বাৰা কাপোৰত শ্ৰীকৃষ্ণৰ লীলা-মালা খোদিত কৰি এক অভিনৱ বস্ত্ৰ নিৰ্মাণ কৰোৱায়। স্মৰ্তব্য যে দীঘে বিশ হাত আৰু প্ৰস্তই চল্লিশ হাত বস্ত্ৰখনি 'বৃন্দাবনী বস্ত্ৰ' নামেৰে অভিহিত কৰা হৈছে। অন্যহাতে সংস্কৃত নাটকত সূত্ৰধাৰ চৰিত্ৰৰ অৱস্থিতি লক্ষ্য কৰা যায় যদিও শ্ৰীমন্ত শঙ্কৰদেৱে সূত্ৰধাৰ চৰিত্ৰক অংকীয়া নাটকত নব্য ৰূপত উপস্থাপন কৰিলে। বিশেষকৈ সংস্কৃত নাটকত সূত্ৰধাৰে নান্দী পাঠ তথা নাটৰ প্ৰস্তাৱনা কৰাৰ পাছতেই বিদায় মগাৰ বিপৰীতে অংকীয়া নাটত আৰম্ভৰ পৰা সামৰণি পৰ্যন্ত উপস্থিত থাকি বিবিধ কাৰ্য সম্পাদন কৰি নাট্যাভিনয়ত বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। চৰিত্ৰটিয়ে গীত আৰু নৃত্য পৰিৱেশন কৰি পৰিস্থিতি ব্যাখ্যা কৰাৰ লগতে পৰিচালকৰ ভূমিকাত অৱতীৰ্ণ হয়।

'চিহ্নযাত্ৰা'ৰ বিপুল সাফল্যৰ পাছত গুৰুজনাই নাট্যকলাৰ প্ৰতি বিশেষভাৱে মনোযোগ দিছিল, যাৰ ফলস্বৰূপে 'পত্নীপ্ৰসাদ'কে ধৰি ছখন নাটক মহাপুৰুষৰ কালজয়ী কাপৰ পৰা নিসৃত হৈছিল। কোনো কোনো সমালোচকে 'কালিয় দমন' মহাপুৰুষৰ প্ৰথম নাটক বুলি অভিহিত কৰিলেও নাটকখনৰ বিষয়বস্তু আৰু আংগিকৰ প্ৰতি লক্ষ্য কৰি 'পত্নীপ্ৰসাদ'হে গুৰুজনাৰ প্ৰথম নাটক বুলি মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাই মত পোষণ কৰিছে।

অংকীয়া নাটকৰ বাটকটীয়া পত্নীপ্ৰসাদ আছিল গুৰুজনাৰ ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰতি জনোৱা এক প্ৰচণ্ড প্ৰত্যাহ্বান। তাৰাৰ কীৰ্ত্তনৰ অন্তৰ্গত পাষণ্ড মৰ্দন, নাম-অপৰাধ আদি খণ্ডসমূহৰ দৰেই পত্নীপ্ৰসাদৰ মাজেদিও ব্ৰাহ্মণ্য শক্তিক নস্যাৎ কৰি কৃষ্ণ স্তুতিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছিল। যি সময়ত আমাৰ ভাষাত কোনো নাটকেই ৰচনা কৰা হোৱা নাছিল, তেনে এটা সময়ত গুৰুজনাই দৰ্শকৰ সন্মুখত ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা বিষয়বস্তুক নাটকৰ মাজেদি দাঙি ধৰা কাৰ্যই তাৰাৰ প্ৰবল আত্মিক শক্তিৰে উমান দিছিল।

গুৰুজনাৰ অন্যান্য নাটকৰ তুলনাত পত্নীপ্ৰসাদৰ কাহিনীভাগ অত্যন্ত চমু আৰু সৰল। ভক্তিবিৰোধী পাণ্ডিত্যাভিমানী ব্ৰাহ্মণসকলৰ লগত কৃষ্ণভক্তি পৰায়ণা ব্ৰাহ্মণীসকলৰ বিৰোধক কেন্দ্ৰ কৰি নাটকৰ বিষয়বস্তু সূচিত হৈছে আৰু ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা নাটকখনৰ মাজেদি প্ৰতিপাদত কৰা হৈছে।

গুৰুজনাৰ পৰৱৰ্তী নাটকেইখনত থকাৰ দৰে আলোচ্য নাটকখনত মুক্তিমংগল ভটিমা নাই। সেইদৰে নাটকখনৰ প্ৰাৰম্ভতে এটিহে মাথোন নান্দীশ্লোক সন্নিবিষ্ট কৰিছে। নাটকখনত উপস্থাপিত চৰিত্ৰসমূহৰো বিকাশ ঘটা নাই। অন্যহাতে শ্ৰীকৃষ্ণ চৰিত্ৰৰ বাদে বাকীবোৰ চৰিত্ৰই সমূহীয়াভাৱে আত্মপ্ৰকাশ কৰিছে আৰু সংলাপসমূহো চৰিত্ৰ বিশেষৰ পৰিৱৰ্তে সমস্বৰৰ মুখত পৰিৱেশন কৰোৱা হৈছে।

*"বালকসৱঃ হে ৰাম, হে কৃষ্ণ, তোহো হামাৰ পৰম জীৱন। আজু পৰভাতে ভোজন কৰয়ে নাহিঃ হামু দধি অন্ন সঙ্গে নাহি আনল। ক্ষুধায়ে পৰম পিড়িত হৈয়া আছিঃ*

*ব্ৰাহ্মণসৱঃ হে মিশ্ৰ, হে কন্দলি, হে আচাৰ্য্য, ওহিব্ৰাহ্মণীসৱ শৌচাচাৰহীন বেদ শাস্ত্ৰ জানয়ে নাহিঃ পৰম ধৰ্ম গুৰু সেৱা বৰ্জিত। আৱাসৱৰ শ্ৰীকৃষ্ণত পৰম প্ৰেম ভকতি ভেল।..."*

অৱশ্যে নাটকখনত চন্দ্ৰভাৰতী নামৰ এজন দাম্ভিক ব্ৰাহ্মণক উপৰিষ্ট কৰোৱাই এটি সংলাপৰ যোগেদি ভক্তি বিৰোধী ৰূপটো উদঙাই দেখুৱাইছে—

*"চন্দ্ৰভাৰতীঃ আহে গোৱাল সব, হামু বেদত শাস্ত্ৰত পৰম পাৰ্গতঃ যজ্ঞব্ৰত দানে পৰম পৱিত্ৰ ঃ ওঃ হামোসৱ ভূদেৱতাঃ হামাক সৰ্বলোক পূজয় ঃ নন্দসূত কৃষ্ণ, হামাক অগে কোন হয়।"*

মহাপুৰুষ অন্যান্য নাটকৰ দৰে পত্নীপ্ৰসাদো নৃত্য-গীত মুখৰ নাট। আৰম্ভণিৰ পৰা সামৰণি পৰ্যন্ত চৰিত্ৰৰ মানসিক অৱস্থা, শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা আদি বিষয়বোৰ গীতৰ মাজেদিয়েই অৱতাৰণা কৰা হৈছে। অৱশ্যে মহাপুৰুষৰ বাকী নাটত আৰু পয়াৰসমূহ ব্ৰজাৱলী ভাষাত ৰচনা কৰাৰ পৰিৱৰ্তে আলোচ্য নাটকখন বিশুদ্ধ অসমীয়াত ৰচনা কৰা হৈছে।

নাটকখনৰ চৰিত্ৰসমূহৰ বিকাশ নহ'লেও অথবা ৰচনাশৈলীৰ উত্তৰণ নঘটিলেও গুৰুজনাৰ প্ৰথম নাটক হিচাপে পত্নীপ্ৰসাদে অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত এক স্মৰণীয় অৱদানৰূপে স্বীকৃত হৈ ৰ'ব। সন্মুখত কোনো আৰ্হি নথকা সত্বেও আৰু ব্ৰাহ্মণ্য শক্তিয়ে সমগ্ৰ সমাজ ব্যৱস্থা নিয়ন্ত্ৰণ কৰা মুহূৰ্ততো মহাপুৰুষে নাট্য ৰচনাৰ মাজেদি যি অসীম সাহস আৰু প্ৰতিভাৰ পৰিচয় দিলে, সেয়া অসম তথা ভাৰতীয় সাহিত্যৰ বুকুত এক অবিস্মৰণীয় ঘটনা ৰূপে চিহ্নিত হৈ ৰ'ব।

শ্ৰীমন্ত শঙ্কৰদেৱে পাটবাউসীত থকাৰ সময়তে জগতানন্দ ওৰফে ৰামৰায়ৰ অনুৰোধক্ৰমে 'কালিয় দমন' নাটক প্ৰণয়ন কৰে। শ্ৰীমদ্ভাগৱত পুৰাণৰ দশম স্কন্ধৰ পঞ্চদশ অধ্যায়ৰ ১৬—১৭ আৰু ৪৭—৫২ শ্লোকৰ বিষয়বস্তুৰ আধাৰত কালিয় দমন নাটক ৰচনাৰে অসমীয়া নাট্য সাহিত্যৰ ভেটি সুদৃঢ় কৰি তোলে।

নাট্য কাহিনী অনুযায়ী অহংকাৰী কালিনাগক দমন কৰাৰ পাছত শ্ৰীকৃষ্ণ সমন্বিতে গোপবালকসকলক বনজুয়ে বেৰি ধৰাত কৃষ্ণই বনাগ্নি পান কৰি ভক্ত আৰু গোপবালসকলক এই বিপদৰ পৰা পৰিত্ৰাণ কৰে। মূলতঃ কালিয় দমন আৰু শ্ৰীকৃষ্ণৰ বনাগ্নি পান দুটি পৃথক ঘটনা। ভাগৱতত দুয়োটা ঘটনাকে এটাৰ আনটো পৰিপূৰক ৰূপে বৰ্ণনা কৰা হৈছে। মহাপুৰুষেও মূলৰ লগত সংগতি ৰাখি কালিয় দমনৰ লগতে বনাগ্নি পান ঘটনাকো নাটকখনত স্থান দি শ্ৰীকৃষ্ণৰ অসীম শক্তি তথা কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে।

নাটকখনত যশোদাই পুত্ৰ স্নেহত ব্যাকুল হৈ ফুৰা মাতৃ হৃদয়ৰ কৰুণ ৰূপটি অতি মৰ্মস্পৰ্শীভাৱে অৱতাৰণা কৰিছে। অন্যহাতে নাটকখনত শ্ৰীকৃষ্ণক অৱতাৰণা কৰা হৈছে মানৱী ৰূপৰ পৰিৱৰ্তে পৰম পুৰুষৰ ৰূপত। শ্ৰীকৃষ্ণই নিজেই ঈশ্বৰত্ব সম্পৰ্কে এনেদৰে ঘোষণা কৰিছে—

*"আহে সৰ্পৰাজ কালিঃ তোহো ভয় কৰবি নাহিঃ হামাক প্ৰসাদে ওহি মায়া সংসাৰ তোহো নিস্তৰল।... হামাৰ চৰণক চিহ্ন, ধ্বজ ব্ৰজ পঙ্কজ, তোহাৰি ফণাত লাগি ৰহল।"*

'কালিয় দমন' নাটকৰ মাজেদি ৰূপকাত্মক অৰ্থৰ যিদৰে মনোৰম প্ৰকাশ ঘটিছে. কালিহ্ৰদত বিচৰণ কৰা কালি নাগৰ মাজেদি মূৰ্ত হৈ উঠিছে অহংকাৰ, নিষ্ঠুৰতা আদি দুষ্কৃতি স্বৰূপ প্ৰবৃত্তিসমূহ। এই প্ৰবৃত্তিসমূহে সহস্ৰ ফণা তুলি জগতত ত্ৰাসৰ সৃষ্টি কৰে আৰু জীৱক নিকাৰ ভুঞ্জায়। এনে প্ৰবৃত্তিসমূহ হৰিভক্তিৰ অন্তৰায়। সিবোৰক মনৰ পৰা বিসৰ্জন দিব নোৱাৰিলে ভক্তিৰ পৰিৱেশ সৃষ্টি নহয়। গুৰুজনাই নাটকখনত দুষ্কৃতিৰ প্ৰতীক কালিনাগৰ অহংকাৰ চূৰ্ণ কৰি সংস্কৃতিৰূপী শ্ৰীকৃষ্ণৰ অনন্ত শক্তি তথা শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে।

মহাপুৰুষৰ কাপৰ পৰা নিসৃত কেলিগোপাল বা ৰাসলীলা পাটবাউসীত থকা সময়ছোৱাত ৰচিত হয় বুলি চৰিত পুথিত উল্লেখ আছে। কেলিগোপাল নাটকৰো আধাৰ হ'ল শ্ৰীমদ্ভাগৱত পুৰাণ। উল্লিখিত শাস্ত্ৰৰ দশম স্কন্ধৰ ২৯-৩৩ অধ্যায়ৰ ভেটিত বিৰচিত আলোচ্য নাটৰ প্ৰতিপাদ্য বিষয় হ'ল— শৰৎ কালৰ পূৰ্ণিমা নিশা গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণই কৰা ৰাসক্ৰীয়াৰ মনোৰম নাট্য ৰূপায়ণ। সুমধুৰ বাঁহীৰ সুৰত বিহ্বল হৈ পৰা গোপীসকলে শ্ৰীকৃষ্ণৰ লগত অভিসাৰত নিমগ্ন হ'ল। গোপীসকলৰ প্ৰাণৰ বল্লভ শ্ৰীকৃষ্ণই তেওঁলোকক পতি-পুত্ৰৰ কথা সোঁৱৰাই দি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰাৰ বাবে পৰামৰ্শ দিলে যদিও সেই পৰামৰ্শ আওকাণ কৰি কৃষ্ণপ্ৰেমত অটল হৈ ৰ'ল গোপীসকল।

অন্যহাতে গোপীসকলক পৰীক্ষা কৰাৰ মানসেৰে শ্ৰীকৃষ্ণই এগৰাকী গোপীক লৈ অন্তৰ্ধান হোৱাত বিৰহত কাতৰ হোৱা গোপীসকলে কৃষ্ণভাৱনা ৰূপায়ণ কৰি পৰমপুৰুষ কৃষ্ণৰ প্ৰত্যাৱৰ্তনৰ অৰ্থে মুকুন্দক প্ৰাৰ্থনা জনালে। গোপীসকলৰ ভক্তিত সন্তুষ্ট হৈ শ্ৰীকৃষ্ণৰ আৱিৰ্ভাৱ আৰু পৰিশেষত মহাৰাসৰ বৰ্ণনাৰে নাটকৰ যৱনিকা পৰিছে। যথাৰ্থতে গুৰুজনাই এই নাটকতো ৰূপকাত্মকভাৱে পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ আকৰ্ষণকে নাটকৰ মাজেদি অৱতাৰণা কৰিছে।

শ্ৰীমদ্ভাগৱত গ্ৰন্থৰ দশম অধ্যায়ৰ ঊনত্ৰিশৰ পৰা তেত্ৰিশ অধ্যায়ক ৰাস পঞ্চাধ্যায় ৰূপে অভিহিত কৰা হয়।

উল্লিখিত অধ্যায়ৰ ভেটিত যুগুত কৰা নাট্য কাহিনীভাগত শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰদৰ্শনৰ বাবে শঙ্খচূড় বধ নামৰ আন এটি কাহিনীও অন্তৰ্ভুক্ত কৰি ঘটনাৰ বৈচিত্ৰ্য সম্পাদন কৰিছে। স্মৰণীয় যে কালিয় দমন নাটকৰ বনাগ্নি পান ঘটনাংশ অন্তৰ্ভুক্ত কৰাৰ দৰে আলোচ্য নাটকখনতো ৰাসলীলাৰ উপৰি শঙ্খচূড় বধ সম্পৰ্কীয় ঘটনাংশ অন্তৰ্ভুক্ত কৰাটো উল্লেখযোগ্য দিশ। ঘটনা সংস্থাপনৰ ক্ষেত্ৰত দুয়োখন নাটকৰ সাদৃশ্য মন কৰিবলগীয় বিষয়।

কেলিগোপালত শ্ৰীকৃষ্ণই মুখ্য চৰিত্ৰ যদিও নাট্যকাৰে শ্ৰীকৃষ্ণৰ মানৱীয় ৰূপৰ পৰিৱৰ্তে পৰমপুৰুষৰ ৰূপহে অংকন কৰিছে। অন্যহাতে এগৰাকী গোপীক লৈ শ্ৰীকৃষ্ণ অন্তৰ্ধান হোৱা ঘটনাংশৰ লগত সংপৃক্ত গোপীগৰাকীৰ নাম এখন সাঁচিপতীয়া পুথিত আৰু প্ৰকাশিত সংস্কৰণ দুটাত ৰাধাৰ উল্লেখ থাকিলেও কালিৰাম মেধিয়ে এই নাম প্ৰক্ষিপ্ত বুলি অভিমত দিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল— ৰাধা নামৰ গোপীৰ উল্লেখ ভাগৱতত নাই। দ্বিতীয়তে, শঙ্কৰদেৱে তাৰাৰ ৰচনাৰাজিত ৰাধাক শ্ৰীকৃষ্ণৰ প্ৰেমিকাৰ ৰূপত অংকন কৰা নাই।

কেলিগোপাল নৃত্য-গীত প্ৰধান নাটক। নাটকখনৰ মাজেদি পূৰ্ণিমা নিশা শ্ৰীকৃষ্ণৰ সুমধুৰ বাঁহীৰ সুৰত শ্ৰীকৃষ্ণৰ সৈতে কৰা নৃত্যৰ মনোৰম ছবি উদ্ভাসিত হোৱাই নহয়, এক সপোন মাধুৰী পৰিৱেশনৰ সূচনা হৈছে। ছয়ত্ৰিশটি গীত সন্নিবিষ্ট কেলিগোপাল নাটৰ গীতৰ মাজেদি কৃষ্ণ প্ৰেমৰ লগতে গোপীসকলৰ মানসিক অৱস্থাৰ মধুৰ চিত্ৰন ঘটিছে। যথাৰ্থতে মহাপুৰুষৰ এই নাটত লৌকিক প্ৰেমৰ মাজেদি আধ্যাত্মিক প্ৰেমৰ মধুৰ বিন্যাস ঘটিছে। উল্লিখিত কাৰণতেই ৰাসক্ৰীড়াক আধ্যাত্মিক ৰূপক বুলিও ব্যাখ্যা কৰা হয়।

শ্ৰীমন্ত শঙ্কৰদেৱে জীৱনৰ শেষৰ ফালে অৰ্থাৎ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ পাছত পাৰিজাত হৰণ নাটক ৰচনা কৰে। মহাপুৰুষে ভাগৱত পুৰাণৰ কাহিনী বিশেষৰ লগত হৰিবংশৰ বিষয়বস্তু সংযোগ কৰি নাটকখন নিৰ্মাণ কৰিছে। পাৰিজাত হৰণৰ কাহিনী ভাগৱতৰ দশম স্কন্ধ ত্ৰিচত্বাৰিংশ আৰু চতুৰ্শ্বত্বাৰিংশ অধ্যায়ত সামৰা হৈছে যদিও হৰিবংশত নৰকাসুৰ বধৰ উপৰি পাৰিজাত হৰণৰ ঘটনাংশই চৈধ্যটা অধ্যায় সামৰি লৈছে। উল্লিখিত গ্ৰন্থখনৰ বিষুওপৰ্ব খণ্ডৰ চৌৱাল্লিশ অধ্যায়ত নৰকাসুৰ নিধনৰ বৰ্ণনা কৰাৰ পাছত ৪৬ অধ্যায়ৰ পৰা পঁচপন্ন অধ্যায় পৰ্যন্ত ৰুক্মিণীয়ে পাৰিজাত ফুল লাভ কৰাৰে পৰা সত্যভামাই পাৰিজাত ফুল নিজৰ গৃহত ৰোপণ কৰালৈকে বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে।

মহাপুৰুষ শঙ্কৰদেৱে কালিয় দমন আৰু কেলিগোপাল নাটত দুটাকৈ ঘটনা অৱতাৰণা কৰি বৈচিত্ৰ্য সৃষ্টি কৰাৰ দৰে পাৰিজাত হৰণ নাটতো নৰকাসুৰ বধ আৰু পাৰিজাত হৰণৰ দৰে দুটাকৈ ঘটনা সন্নিৱিষ্ট কৰি নাটকখনত বৈচিত্ৰ্যৰ সঞ্চাৰ কৰিছে। মহাপুৰুষে হৰিবংশৰ ঘটনাংশৰ দ্বাৰা প্ৰভাৱান্বিত হ'লেও ভাগৱতৰ ঘটনা ক্ৰমহে নাটখনত অনুসৰণ কৰি নাটৰ জুমুধিটো নিৰ্মাণ কৰিছে।

জীৱনৰ বিয়লি বেলাত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাপৰ পৰা নিসৃত পাৰিজাত হৰণ মহাপুৰুষৰ শ্ৰেষ্ঠতম নাট্যকৃতি। যিবোৰ গুণে নাটক এখন সফল হোৱাত বৰঙণি যোগায়, সেই সকলোবোৰেই পাৰিজাত হৰণত বিদ্যমান। বিশেষকৈ চৰিত্ৰাংকন আৰু সংলাপৰ ক্ষেত্ৰত নাট্যকাৰে প্ৰদৰ্শন কৰা চাতুৰ্যৰ বাবেই পাৰিজাত হৰণ নাটকে অনন্য মাত্ৰা লাভ কৰিছে। মহাপুৰুষে ধৰ্মীয় বিষয়বস্তুৰ মাধ্যমেদি ব্যক্তিৰ হৃদয়ত সুপ্ত হৈ থকা ভাবৰাশিক অতি কলাসন্মতভাৱে নাটকখনত অৱতাৰণা কৰি ভক্তিধৰ্মক জনগণৰ কাষ চপাই নিছে আৰু চৰিত্ৰাংকনত মহাপুৰুষৰ প্ৰতিভাই চূড়ান্ত ৰূপ পৰিগ্ৰহ কৰিছে। নাৰীৰ সৌন্দৰ্যৰ প্ৰতি থকা চিৰন্তন দুৰ্বলতা আৰু সতিনী বিদ্বেষ, নাটকখনৰ অন্যতম প্ৰতিপাদ্য বিষয়। নাৰদৰ মুখে পাৰিজাত ফুলৰ গুণাৱলী শুনাৰ পিছত ৰুক্মিণীৰ দৰে নাৰীৰ হৃদয়ত অংকুৰিত হোৱা দুৰ্বলতাও অতি সুন্দৰভাৱে নাটকখনত উপস্থাপন কৰিছে। 'পাৰিজাত হৰণ'ৰ আটাইতকৈ মোহনীয় দিশটো হৈছে সত্যভামাৰ সতিনী বিদ্বেষ আৰু পাৰিজাত ফুলৰ প্ৰতি থকা সীমাহীন দুৰ্বলতা। জগতৰ স্বামী শ্ৰীকৃষ্ণক স্বামী ৰূপে পোৱাৰ পিছতো তেওঁ পাৰিজাত ফুলৰ বাবে হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে আৰু যুদ্ধলৈ যাত্ৰা কৰা স্বামীৰ লগ নেৰা হৈছে। স্বৰ্গতো পাৰিজাত ফুলৰ বাবেই ইন্দ্ৰপত্নী শশীৰ লগত কাজিয়াত লিপ্ত হৈ সাধাৰণ নাৰীত পৰিণত

(১০ পৃষ্ঠাত চাওক)

# জীৱন জিজ্ঞাসাৰ মনস্তাত্বিক ব্যঞ্জনা

**বিভা নেওগ**

জীৱন। জীৱন মানেই এক অতৃপ্ততা। জন্মৰ পৰা মৃত্যুলৈকে এই দীঘলীয়া পথটোত আমিবোৰ একো একোজন যাত্ৰী। জন্মৰ পিছত যে মৃত্যু নিশ্চিত সেয়া জানিও আমি আগবাঢ়ি গৈ থাকো জীৱনৰ সত্যক বিচাৰি, সুন্দৰক বিচাৰি। শান্তি আৰু সুখৰ মাজতে আমি জীৱন-যাপন কৰিব বিচাৰোঁ। কিন্তু আমি কিমান সুখত থাকো, কিমান শান্তিত থাকো সেয়া আমাৰ নিজৰ মাজতে গুজৰি-গুমৰি থকা এক ডাঙৰ প্ৰশ্ন। আচলতে এই সকলোবোৰ আঁৰত লুকাই আছে আমাৰ মনৰ মাজত।

জীৱশ্ৰেষ্ঠ হিচাপে চিহ্নিত মানুহ জীয়াই থাকে আশাৰ সপোন দেখি। এই আশা সুখৰ বাবে, শান্তিৰ বাবে, ভোগৰ বাবে। যেতিয়াই এই আশাবোৰে বাস্তৱ ৰূপ পাই তেতিয়াই আমি সুখ অনুভৱ কৰোঁ। কিন্তু মানুহৰ আশাবোৰ সিমানতে ক্ষান্ত নাথাকি আৰু অধিক বিচাৰি উত্তাল হৈ পৰে। আচলতে মানুহ কোনো দিনেই কোনো প্ৰকাৰে সুখী নহয়। অতৃপ্ততাই সেয়ে মানুহক পঙ্গু কৰি তোলে। এটা কথা আমি ক'ব লাগিব যে মানুহ হিচাপে জীয়াই থাকিবলৈ আমাক থকাৰ বাবে বাসস্থান, পিন্ধিবলৈ সাজ-পোছাক, জীয়াই থাকিবলৈ খাদ্য ইত্যাদিবোৰ লাগিবই। বৌদ্ধিক উত্তৰণৰ বাবে আমাক জ্ঞান লাগিব। কিন্তু যিখিনি ন্যূনতম আহিলা লৈ আমি সুন্দৰ জীৱন-যাপন কৰিব পাৰো তাতোকৈ অধিক বিচাৰি আমি অসুখী হৈ পৰো। আমি অতিমাত্ৰ পাৰ্থিৱ সম্পত্তিৰ আশাত বন্দী হৈ সুন্দৰ এটা জীৱন উপভোগ কৰাৰ পৰা নিজকে বঞ্চিত কৰোঁ। কোনোদিনে আমি নিজকে এবাৰ প্ৰশ্ন নকৰোঁ যে কিমান ধন-ঐশ্বৰ্য সম্পদ পালে আমি সুখী হ'ম। পাৰ্থিৱ সম্পত্তিৰ প্ৰতি আমি অত্যধিক লালায়িত হৈ প্ৰতিটো সময়তে সম্পদ আহৰণৰ চিন্তাতে মনোনিবেশ কৰি মনুষ্যত্বসুলভ চিন্তা-চৰ্চা কৰিবলৈ পাহৰি যাওঁ। আমি হেৰুৱাই পেলাওঁ আমাৰ মানৱীয় অনুভূতিসমূহ আৰু যেতিয়াই এই সকলোবোৰ অনুভূতি আমি জলাঞ্জলি দিওঁ মানুহ হিচাপে নিজকে চিনাকি দিয়াৰ কিবা যুক্তি থাকেনে? এটা ভোগবাদী, বস্তুবাদী জীৱন-নিৰ্বাহ কৰিবলৈ গৈ নানা অসৎ উপাই অৱলম্বন কৰি নিজৰ বিবেকক হেৰুৱাই পেলাই। এনেধৰণৰ উদাহৰণ আমি প্ৰতিদিনে বাতৰি কাকত, টেলিভিছনৰ পৰ্দাত দেখিবলৈ পাওঁ। নিজৰ সন্তানে যেতিয়া এখন মটৰ চাইকেল বা এটা দামী ম'বাইল ফোন, কিনিবলৈ নাপাই মাক-দেউতাকক হত্যা কৰে, বাই-ভনী নিচিনি সুৰাৰ ৰাগীত মাতাল হৈ ৰাজপথত অশালীন আচৰণ কৰে ইয়াতকৈ আৰু পৰিতাপৰ কথা কি হ'ব পাৰে। অসৎ উপায়েৰে ধন-সম্পত্তি আহৰণ কৰি নিজৰ সন্তানক যেতিয়া পোহ-পাল দিয়ে সেই সন্তান যে কেতিয়াও সৎ নহয় সেয়া চিৰসত্য। অধিক ধন-সম্পত্তি গঢ়ি লৈ মনত অহংভাব পোষণ কৰি নিজৰ জীৱনলৈহে ধ্বংস মাতি আনে। আমাৰ এটা স্বভাৱগত দুখ আছে যে পাৰ্থিৱ সম্পত্তি আহৰণৰ বেলিকা আমি কেতিয়াও আমাতকৈ নোহোৱা বা নিম্নজনৰ ফালে নাচাওঁ। নোহোৱাজনে কেনেদৰে এবেলা খাই এবেলা নাখাই দিন অতিবাহিত কৰি আছে। আমি সদায় চাওঁ আমাতকৈ উচ্চখাপত থকা জনক তেওঁৰ কিমানটা ডাঙৰ ডাঙৰ অট্টালিকা আছে, কিমানখন দামী গাড়ী আছে ইত্যাদিবোৰ।

জীৱনটোক কেতিয়াও সুখী কৰিব নোৱাৰি অধিক টকা-পইচাৰ যোগেদি। যি সুখে মানুহৰ মনুষ্যত্বসুলভ গুণবোৰ নাশ কৰে, মানুহক পাশৱিক কৰি তোলে সেই সুখ প্ৰকৃততে সুখ নহয়।

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। বিজ্ঞানৰ দ্ৰুতগতিৰ উন্নয়নে সমগ্ৰ পৃথিৱীকে একাকাৰ কৰি তুলিছে। এটা সৰু পৰিয়াললৈ ৰূপান্তৰ কৰিছে সমগ্ৰ বিশ্বক। মুহূৰ্তৰ ভিতৰতে বিশ্বৰ ইটো মূৰৰ পৰা সিটোমূৰলৈ সংযোগ স্থাপন কৰিব পৰা হ'ল। নানান ধৰণৰ চিন্তা-চৰ্চা, গৱেষণা পদ্ধতি সহজ কৰি তুলিছে বিজ্ঞানে। বৌদ্ধিক উত্তৰণৰ ই এক আহিলা হিচাপে বিজ্ঞানে নিজকে প্ৰতিষ্ঠা কৰিছে। সম্প্ৰতি বিজ্ঞানে যিদৰে মানুহৰ কল্যাণ সাধন কৰিছে আৰু স্বচ্ছল কৰিছে মানুহৰ জীৱন সেই স্বচ্ছলতা সুযোগ লৈ এচামে অসুস্থ বাতাবৰণ সৃষ্টি কৰিছে। প্ৰত্যেকৰে ভাল আৰু বেয়া এই দুয়োটা দিশ থাকে। কিন্তু কিছু অসৎ চৰিত্ৰৰ লোকে বেয়া দিশটোৰ প্ৰতি ধাৱমান হৈ সমাজখনৰ সুস্থ বাতাবৰণত যথেষ্ট পৰিমাণে প্ৰভাৱ পেলাইছে। যাৰ পৰিণাম অতি ভয়াবহ হৈ পৰিছে। বিদ্বৎ মহলত সংশয়ৰ উদ্ৰেক হৈছে সমাজৰ এনে ধৰণৰ অনৈতিক অসংযমী আচৰণ দেখি। সভ্যতাৰ পোহৰ পায়ো আদিম যুগলৈ গতি কৰিছে বহুলোকে। আজিকালি শিক্ষাৰ ক্ষেত্ৰতো প্ৰতিযোগিতা দেখা গৈছে। প্ৰতিযোগিতাত স্থান পাবলৈ ছাত্ৰ-ছাত্ৰীসকলে দিন-ৰাতি একাকাৰ কৰি পঢ়া দেখা যায়। তেনেদৰে পৰীক্ষাসমূহত শীৰ্ষ স্থানো লাভ কৰে। কিন্তু সেই শিক্ষাৰ দ্বাৰা কি জ্ঞান অৰ্জন কৰিছে তাত সন্দেহৰ অৱকাশ আছে। উচ্চ শিক্ষাৰে শিক্ষিত হৈছে আজিৰ নতুন প্ৰজন্ম। বিভিন্ন ডিগ্ৰী আহৰণ কৰিছে বিভিন্ন দিশত। কিন্তু কিমানজনে সেই শিক্ষাক সমাজখনৰ উত্তৰণৰ দিশত প্ৰয়োগ কৰিছে সেয়াও এক ডাঙৰ প্ৰশ্ন। সেই শিক্ষাই যদি সমাজখনক আগুৱাই নিয়াত সহায় কৰিব পৰা নাই বা নিজকে সংশোধন কৰিব পৰা নাই তেনে সেই শিক্ষা লোৱা বৃথা। আমি প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ উঠি অহা আমাৰ নৱপ্ৰজন্মক সমাজমুখী, জ্ঞানমুখী আৰু শান্তিপ্ৰিয় কৰি তুলিব লাগিব। সৃষ্টিশীলতা নিদৰ্শন আমি দাঙি ধৰিব লাগিব। ভৱিষ্যত প্ৰজন্মক। তেতিয়াহে আমাৰ শিক্ষা সাৰ্থক হ'ব, আমাৰ জীৱন সাৰ্থক হ'ব।

জীৱন বৰ্ণময় লগতে মোহনীয়। জীৱনৰ প্ৰতি থকা দুৰ্বাৰ মোহৰ বাবেই দৰিদ্ৰতমজনো জীৱনৰ মোহত বন্দী, দুৰ্বিসহ একো একোটা দিন কটায়ো জীয়াই থাকিব বিচাৰে জীৱনৰ মোহত। মানুহৰ মনৰ স্বৰূপ গঢ় লৈ উঠে অন্তৰ অনুভূতিৰ প্ৰকৃতিৰ ওপৰত। অন্তৰ অনুভূতি শুদ্ধ হৈ উঠিব যেতিয়া আমাৰ আত্মা আৰু মন শুদ্ধ হ'ব। ইয়াৰ বাবে লাগিব আমাক নৈতিক আৰু আধ্যাত্মিক জ্ঞান। নৈতিকতা আৰু আধ্যাত্মিকতাৰ অবিহনে আমি সুস্থ জীৱন-নিৰ্বাহ কৰিব নোৱাৰোঁ। কাৰণ অধ্যাত্ম জ্ঞানেই সত্য আৰু নিত্য। ইয়াৰ পৰিধিও অপৰিসীম। আমি পাহৰি যাওঁ যে জীৱনৰ লক্ষ্যই

(১৩ পৃষ্ঠাত চাওক)

# যুৱ সমাজত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰাসঙ্গিকতা

**কৌশিক কলিতা**

**(ছাত্ৰ, গুৱাহাটি বিশ্ববিদ্যালয়)**

'একশৰণ হৰিনাম ধৰ্ম'ৰ প্ৰৱৰ্তক, প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আছিল অসমীয়া ভাষাক সৰ্বকালৰ বাবে প্ৰতিষ্ঠা কৰোঁতা ভাষাবিদ পণ্ডিত আৰু সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ কবি এইক্ষেত্ৰত কাৰো দ্বিমত থাকব নালাগে। শঙ্কৰদেৱ বিৰচিত সমস্ত সাহিত্য-সম্ভাৰক কোনো কোনো পণ্ডিত সমালোচকে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে সৃষ্ট আৰু প্ৰচাৰধৰ্মী সাহিত্য হিচাপে সংস্কৃত সাহিত্যৰ পৰা অনুবাদ কৰি আনিছে বুলি কৈ শঙ্কৰদেৱৰ প্ৰতিভা, অগাধ পাণ্ডিত্য, অসমৰ সমাজ-সাহিত্যৰ প্ৰতি আৰু অসমীয়া ভাষাৰ প্ৰতি যোগাই থৈ যোৱা বিপুল অৱদানৰ কথা আৰু সৰ্বতোপৰি শঙ্কৰদেৱে অসমৰ সমাজ গঠন আৰু সমাজ সংস্কাৰৰ বাবে সমগ্ৰ জীৱনজুৰি যি সাধনা আৰু ত্যাগ কৰিছিল সেই অৱদানৰ কথা পাহৰি যায়।

পঞ্চদশ শতিকাৰ মাজভাগত মহাপুৰুষ শঙ্কৰদেৱৰ আৱিৰ্ভাৱে অসমৰ সমাজ জীৱনত এক নতুন যুগৰ সূচনা কৰে। মহাপুৰুষ শঙ্কৰদেৱে বেদ, উপনিষদ, গীতা, শ্ৰীমদ্ভাগৱত আদি শাস্ত্ৰসমূহৰ সাৰভাগ উদ্ধাৰ কৰি মানৱৰ কল্যাণ হেতু একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তনেৰে সমাজত ভক্তিৰসৰ নিজৰা বোৱাই দিছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বহুজন সংযোগী ব্যক্তি আছিল। ৰাজ্য শাসন আৰু সমাজ সংস্কাৰৰ পৰ্যায়ে তেওঁ এহাতে প্ৰজাৰ লগত প্ৰীতিৰস, সাহিত্যৰ মৌজোল আৰু ধৰ্মতত্ত্বৰ অমৃত; আনহাতে সাম্প্ৰদায়িক অসূয়া, ক্লেশ, পাৰিবাৰিক জীৱনৰ তাপ, ধৰ্ম বিভেদৰ যন্ত্ৰণা আদি একেলগে পাণ কৰিছিল। অমৃত আৰু গৰলৰ পাৰ্থক্য তেওঁ বাৰুকৈয়ে উপলব্ধি কৰি সমাজত যাতে গৰল স্বৰূপ অনৈক্য অশান্তিয়ে গা কৰিব নোৱাৰে মানুহে যাতে মানৱ জীৱনৰ মহত্ব গুৰুত্ব আৰু আদৰ্শৰ মূল্যায়ন কৰিব পাৰে তাৰ বাবে তেওঁ মৌখিক উপদেশ দিয়াৰ উপৰি সাহিত্যৰ মাজৰে আদৰ্শ দাঙি ধৰিছিল—

"ব্ৰাহ্মণ চণ্ডাল নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।"
"যত জীৱ জঙ্গম কীট পতঙ্গম।
অগ নগ জগ তেৰি কায়া।।"—বৰগীত

মহাপুৰুষ শঙ্কৰদেৱ প্ৰমুখ্য বৈষ্ণৱ মহাপুৰুষসকল (প্ৰায়) সংস্কৃতত পণ্ডিত আছিল। ইচ্ছা কৰাহেঁতেন তাৰাসৱে সংস্কৃততে শাস্ত্ৰাদি ৰচনা কৰিব পাৰিলেহেঁতেন কিন্তু নকৰিলে। বৈষ্ণৱ কবি অনন্ত কন্দলিৰ ৰচনাতে ইয়াৰ আভাষ পাব পাৰি—

"শ্লোক সংস্কৃত আমি লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ।।"

নিজ মাতৃভাষাৰ প্ৰতি সন্মান জনাই বৈষ্ণৱ মহাপুৰুষসকলে সহজ-সৰল অসমীয়া ভাষাত জনজাধাৰণৰ উপযোগীকৈ গ্ৰন্থ লিখি অসমবাসীৰ বাবে যি মহৎ অৱদান দি থৈ গ'ল সেয়া অসমবাসীৰ বাবে অমৃত সদৃশ। কিন্তু বৰ্তমানে যুৱ সমাজৰ মাতৃভাষা অসমীয়াৰ প্ৰতি যি অনিহা সেয়া কিমান যুক্তিসংগত ভাবি চাবৰ হ'ল। নহ'লে আমাৰ মাতৃভাষা মাতৃভূমিতে এলাগি হৈ পৰিব আৰু এদিন আমি নিথৰুৱা হৈ পৰিম। আধুনিকতাৰ কৰাল গ্ৰাসত পৰি আজিৰ যুৱ সমাজ বিপথে পৰিচালিত হৈ পৰিছে এয়া সাম্প্ৰতিক সময়ৰ ভয়াবহ দৃশ্য। আধুনিক মানুহৰ আৱেগ অনুভূতিৰ বিষয়ে ডাঃ ৰিমা মুখোপাধ্যায়ে এই বুলি মন্তব্য দাঙি ধৰিছে— "আধুনিক যুগত সমাজ সংস্কৃতিৰ পৰিবৰ্তন হৈছে। সেই হিচাপে মানুহৰ মনো পৰিৱৰ্তন হৈছে। ফলত ঋণাত্মক মানসিকতা অতন্ত্য আৱেগিক, ক্ষীপ্ৰতাৰে ফলাফল লাভৰ হেপাহ, কম কষ্টতে অধিক ধনৰ লোভ বাঢ়িছে আধুনিক মানুহৰ মন অতন্ত্য বেগী কিন্তু শৰীৰটো সেই অনুপাতে কমৰ্থ নহয়, অলপমান বিৰক্তিকো বহুত যেন বোধ হয় তেওঁলোকৰ; অলপ কথাতে বিচলিত হয়। এনেদৰে ধৈৰ্য, সহ্য গুণ কম, অনবৰতে তেওঁলোকে খং, ভয়, লোভ, সন্দেহ আদি ঋণাত্মকতাত ডুবি থাকি নিজৰ অস্তিত্বৰ কথা পাহৰি যায়। মানুহৰ জীৱনলৈ সংস্কৃতি আহে দুই প্ৰকাৰে। এক প্ৰকাৰ হ'ল বাহ্য সংস্কৃতি আৰু আন প্ৰকাৰ হ'ল অন্তঃ সংস্কৃতি। খোৱা, থকা, খেলাৰ ধৰণ আদি বাহ্য সংস্কৃতি। সদাচাৰ, সুনীতি, মানৱীয়তা আদি গুণবোৰ অন্তঃসংস্কৃতি। মহাপুৰুষ শঙ্কৰদেৱে অন্তঃসংস্কৃতিৰ ওপৰতহে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে পশ্চিমীয়া শিক্ষাৰে শিক্ষিত জ্যোতিপ্ৰসাদ আগৰৱালাই শঙ্কৰদেৱৰ অগাধ প্ৰতিভাৰ পৰশ পাই মন্তব্য কৰিছিল— "পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অন্ধলা হৈ ঘৰতে মহাপ্ৰতিভাক চিনি নাপাই ফুৰা মোৰ মনতোৰ অহংকাৰ সেইদিনা একেবাৰে ধূলিসাৎ হৈ গ'ল। সেইদিনাৰ পৰাহে মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলো, মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে।"

বৰ্তমান সমাজত যুৱ সমাজৰ মাজত সুস্থ মূল্যবোধৰ অভাৱ পৰিলক্ষিত হয়। ব্যস্ততাই আৰু প্ৰতিযোগিতাই মানুহৰ মাজৰ পৰাই মানৱীয় অনুভূতিবোৰ ক্ৰমান্বয়ে নোহোৱা কৰিছে আৰু ইয়াৰ ফলত মানুহে বহু সময়ত মানুহৰ বাবে ভাবিবলৈ এৰি দিছে। জ্যোতিপ্ৰসাদ আগৰৱালাই ভাবীকালৰ সংস্কৃতিত লিখিছে— "ধনবাদী সমাজত ব্যক্তিৰ জীৱনৰ শেষ আকাংক্ষা হয় গৈ নিজৰ নিজৰ সা-সম্পদ অনিৰ্দিষ্টভাৱে বৃদ্ধি কৰা ইয়াৰ বাবেই ব্যক্তি এজনৰ লগত আনজনৰ সম্পৰ্ক হৈ পৰে প্ৰতিযোগিতামূলক। ফলত ব্যক্তি আৰু সমাজৰ মাজত বিৰোধ সৃষ্টি হয় আৰু ব্যক্তিয়ে সমাজক শত্ৰু জ্ঞান কৰিবলৈ লয়।" ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় সামাজিকৰ মনত আধ্যাত্মিক শিক্ষাৰ অভাৱ। সুস্থ মানসিকতাৰ বিকাশত সুস্থ আধ্যাত্মিক শিক্ষাৰ অতি প্ৰয়োজন। মহাপুৰুষ শঙ্কৰদেৱে বৰগীতৰ মাধ্যমেৰে জগতক কৈছে—

"অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।

(১৩ পৃষ্ঠাত চাওক)

# শ্ৰীমন্ত শঙ্কৰদেৱ

(৮ পৃষ্ঠাৰ পৰা)

হৈছে। আনহাতে পাৰিজাত ফুল গছে সৈতে আনিও সত্যভামা নিশ্চিন্ত হ'ব পৰা নাই, জানোচা ইমান কষ্টৰ মাজেদি লাভ কৰা পাৰিজাত ফুল সতিনীসকলৰ কোনোবাই লাভ কৰে। সেইবাবে স্বামীক অকপটে নিৱেদন কৰিছে—

*"হে স্বামী, আ ঃ কি কয়ল। হামাক বহুত সতিনী থিক ঃ পাৰিজাত ফুল চোৰি কৰি নিতে ঃ কত কলহ কৰি বেড়াৱব। এথা নহে ঃ হামাৰ দ্বাৰ নিকটে নিয়া ৰোপণ কৰহ ঃ"*

সত্যভামাৰ দৰে ইন্দ্ৰপত্নী শশীকো মহাপুৰুষে উপস্থাপন কৰিছে কথাই কথা কাজিয়াত লিপ্ত হোৱা গ্ৰাম্য কলহপ্ৰিয়া এক নাৰীৰ ৰূপত। পাৰিজাত ফুলৰ বাবেই স্বকীয় মৰ্যাদা বিসৰ্জন দিয়া শশীয়ে সত্যভামাৰ প্ৰতি নিক্ষেপ কৰা বচনতেই তেওঁৰ কদৰ্য ৰূপটোৰ প্ৰতিফলন ঘটিছে। শশীয়ে সত্যভামাক আঘাত কৰিবলৈকে কৃষ্ণকো তাচ্ছিল্য কৰিব এৰা নাই—

*"অয়ে সত্যভামা ঃ তোহাৰি স্বামী মাধৱক কথা হামু সব জানি। ওহি গোপীবিটাল গোপাল ঃ উনিকৰ আগু গোকুলক স্ত্ৰী নাহি ৰহল। দেখো কংসক দাসী কুবুজী তাহেক হাত এড়াৱল নাহি।"*

শশী-সত্যভামাৰ কাজিয়া ভাগৱতত উল্লেখ নথকা সত্বেও গ্ৰাম্য সমাজৰ দৰ্শকৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি গুৰুজনাই এনে ঘটনা নাটকখনত সন্নিৱিষ্ট কৰিছে।

উল্লিখিত দুয়োটা চৰিত্ৰৰ বিপৰীতে পাৰিজাত ফুলৰ স্বভাৱজাত দুৰ্বলতা থাকিলেও ৰুক্মিণী উপস্থাপিত হৈছে স্বাভাৱিক গাম্ভীৰ্যৰে। সতিনী হ'লেও সত্যভামাক সম্বোধন কৰিছে 'ভগিনী' বুলি।

পাৰিজাত ফুল গছে সৈতে লাভ কৰি সত্যভামাই আত্মম্ভৰিতা প্ৰকাশ কৰোঁতে ৰুক্মিণীয়ে স্বাভাৱিক গাম্ভীৰ্যৰে সতিনীক নিজৰ বুদ্ধিমত্তাৰ পৰিচয় দাঙি ধৰিছে—

*"অয়ে ভগিনী সতেভামা ঃ কি কহৈছ ঃ জগতক পৰম গুৰু স্বামী কৃষ্ণ ঃ উনিকৰ চৰণ সেৱা কৰিতে ঃ ব্ৰহ্মাণ্ড ভিতৰে দুৰ্ল্লভ থিক ঃ ... তোহাৰি পাৰিজাত কোন কথা ঃ"*

নাটকখনৰ গতি প্ৰবাহত বিশিষ্ট ভূমিকা লোৱা নাৰদ ভাগৱতত কৈ অধিক উজ্জ্বলভাৱে উপস্থাপিত হৈছে— আলোচ্য নাটক 'পাৰিজাত হৰণ'ত। মুখত অহৰ্নিশে ভগৱানৰ নাম লৈ টুটকীয়া আৰু কলহপ্ৰিয় ৰূপত প্ৰসিদ্ধি লাভ কৰা নাৰদ গুৰুজনাৰ অনুপম সৃষ্টি। এবাৰ তেওঁ পাৰিজাত ফুলৰ গুণৰাশি বৰ্ণনা কৰি সেই ফুল ৰুক্মিণীক দিয়াৰ উদ্দেশ্যে শ্ৰীকৃষ্ণক প্ৰদান কৰিছে আৰু আনহাতে সেই কথা এগুণত দুগুণ কৰি অন্তেষপুৰত থকা সত্যভামাক অৱগত কৰি সতিনীৰ বিদ্বেষ তীব্ৰতৰ কৰি বং চাইছে। নাৰদ চৰিত্ৰৰ এনে বৈশিষ্ট্যৰ বাবেই পাঁচশ বছৰ ধৰি চৰিত্ৰটিয়ে সমাজত এক কুটিল চৰিত্ৰৰূপে পৰিগণিত হৈছে।

বিশ্বৰ বিভিন্ন প্ৰান্তত নাট্যকাৰসকলে চৰিত্ৰাংকন কৰোঁতে সততেই প্ৰকাশ কৰে বৈপৰীত্য আৰু সাদৃশ্য বা সহধৰ্মিতাৰ আধাৰত। শ্ৰীমন্ত শঙ্কৰদেৱে তাহানিতেই এনে ৰীতি নাটকত প্ৰয়োগ কৰি চৰিত্ৰসমূহক পাদ প্ৰদীপৰ সন্মুখত উজ্জলাই তুলিছিল। এই ক্ষেত্ৰত সত্যভামা আৰু শশীৰ সাদৃশ্যৰ বিপৰীতে ৰুক্মিণী আৰু সত্যভামাৰ বৈপৰীত্যই চৰিত্ৰ দুটিৰ বিপৰীত ছবি এখন দাঙি ধৰাত নাট্যকাৰ সফলকাম হৈছে।

নাটকখনত বহু পত্নীক পুৰুষৰ দুৰাৱস্থাৰ ছবি এখন মূৰ্ত হৈ উঠিছে শ্ৰীকৃষ্ণৰ চৰিত্ৰত। জগতৰ পতি হ'লেও পত্নীৰ কাষত তেওঁ দুৰ্বল আৰু অসহায়। পৰম ভক্ত নাৰদৰ মুখেদিও শ্ৰীকৃষ্ণ চৰিত্ৰৰ সেই দিশ উদ্ভাসিত হৈছে অত্যন্ত ব্যংগৰ ৰূপত—

*"ঃ হে কৃষ্ণ ঃ জানলো ঃ তুহুঁ স্ত্ৰীক লাড়িকা ঃ দেৱ কাৰ্য্য সব পৰি ৰহল ঃ তোহাৰ ভাৰ্য্যাক চাটু বুলিতে সব দিৱস গেল।।"*

*সিমানতো ক্ষান্ত নহৈ নাৰদে পুনৰ ক'লে—*

*"হে কৃষ্ণ ঃ কামাতুৰ পুৰুষক ঐচন অৱস্থা ঃ স্ত্ৰী যে আজ্ঞা কৰে ঃ সে অৱশ্যে কৰিতে লাগে।"*

পাৰিজাত ফুলৰ বাবে শ্ৰীকৃষ্ণই স্বৰ্গলৈ যাত্ৰা কৰাৰ পূৰ্বে দেৱতাসকলৰ অনুৰোধত বসুমতীৰ পুত্ৰ কামৰূপৰ অধিপতি নৰকক বধ কৰিছে। কিন্তু নাটকখনৰ সবাতোকৈ উল্লেখযোগ্য বিষয় হ'ল— নাটকখনত দুষ্কৃতিৰ প্ৰতীক নৰকৰ মুখত এটিও সংলাপ নিদিয়াকৈ কৰা উপস্থাপন। এইক্ষেত্ৰত মহাপুৰুষে নিম্নোক্ত পয়াৰটিৰ যোগেদি সমস্ত পৰিৱেশ ৰচনা কৰাৰ লগতে দেৱকুলৰ শত্ৰু নৰকক বধ কৰি দেৱতাসকলৰ কল্যান সাধন কৰিছে—

"চলিল গোবিন্দ গৰুড়ক স্কন্ধে।
নৰক মাৰিতে কয়লি প্ৰবন্ধে।।
বায়ুক বেগে চলিল পক্ষীৰাজ।
তিলেক পায়ল কামৰূপ ৰাজ।।
ফুকল শঙ্খ হৰি বাৰে বাৰে।
শুনি শত্ৰুক ভেদ হৃদয় বিদাৰে।।
কোপে চক্ৰ ক্ষেপি জগন্নাথ।
কাটিল দাৰুণ নৰক মাথ।।"

মহাপুৰুষৰ 'ৰামবিজয়' নাটকতো কৌশিক মুনিয়ে ৰাম আৰু লক্ষ্মণক যজ্ঞ ৰক্ষাৰ বাবে আশ্ৰমলৈ নিয়াৰ পাছত মাৰীচ সুবাহুক বধ কৰাৰ যি ঘটনাংশ অংকন কৰিছে সেই ক্ষেত্ৰতো সংলাপৰ প্ৰয়োগ নকৰাকৈ গুৰুজনাই নিজস্ব প্ৰতিভাৰ পৰিচয় দিছে। এই ঘটনাংশ ৰূপায়ণৰ ক্ষেত্ৰতো পয়াৰৰ প্ৰয়োগ মন কৰিবলগীয়া বিষয়।

আলোচ্য নাটকখনত গুৰুজনাই প্ৰয়োগ কৰা সংলাপসমূহে বিষয়বস্তুক সজীৱ কৰাই নহয়, ৰসোত্তীৰ্ণ হোৱাত বৰঙণি যোগাইছে। অন্যহাতে উৎকণ্ঠা তীব্ৰতৰ কৰি তোলাৰ বাবে নাটকখনত সংলাপৰ কৌশলী প্ৰয়োগ এই প্ৰসংগত প্ৰণিধানযোগ্য। বিশেষকৈ টুটকীয়া নাৰদে পাৰিজাত সম্পৰ্কীয় কথাখিনি সত্যভামাৰ আগত অৱতাৰণা কৰোঁতে নাট্যকাৰে নাট্যোৎকণ্ঠা গভীৰ কৰাৰ বাবে সংলাপৰ মনোৰম বিন্যাস ঘটাইছে এনেদৰে—

*"নাৰদ বোল ঃ হে দেৱী সত্যভামা ঃ তোহাৰি স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল ঃ হা হা মাৰ তুহুঁ দুভাগা ভেলি ঃ হামু আজুসে জানলো।*

*সত্যভামা বোল ঃ হে মুনিৰাজ ঃ তোহো কি কহৈ হামু কিছু বুজয়ে নাহি।*

*নাৰদ বোল ঃ হা হা তুহুক বিধি বঞ্চল। হে মাৰ ঃ কি কহব ঃ কহিতে বৰ দুখ লাগে।"*

সমগ্ৰ জীৱন জুৰি কৃষ্ণৰ চৰণ বন্দনাৰে অনেক শাস্ত্ৰ মন্থন কৰা গুৰুজনাই জগতৰ পতি শ্ৰীকৃষ্ণক এনেদৰে লঘু কৰি অৱতাৰণা কিয় কৰিলে— এই প্ৰশ্নই জিজ্ঞাসু পাঠক বা দৰ্শকৰ অন্তৰত দোলা দি যায়। মন্তব্য নিষ্প্ৰয়োজন যে কৃষ্ণ হ'ল জগতৰ পতি— পৰম ব্ৰহ্মৰ সগুণ ৰূপ। দোষ-গুণৰ অতীত। তাৰাৰ লীলা-মালা প্ৰকাশ কৰাহে মহাপুৰুষৰ মুখ্য অভিপ্ৰায়। এনে উদ্দেশ্য আগত ৰাখিয়েই মানৱীয় প্ৰবৃত্তিক 'পাৰিজাত হৰণ' নাটকত কলাসম্মতভাৱে অৱতাৰণা কৰিছে।

কথা গুৰুচৰিতৰ মতে শ্ৰীমন্ত শঙ্কৰদেৱে পাটবাউসীত থকা সময়ছোৱাতে ৰামৰায়ৰ অনুৰোধত জীৱনৰ শেষ বয়সত ৰুক্মিণী হৰণ নাটক ৰচনা কৰে। স্মৰণীয় যে মহাপুৰুষে পূৰ্বেও একে নামক কাব্য এখনো প্ৰণয়ন কৰি কাব্য সাহিত্য সমৃদ্ধ কৰিছিল। সেই অৰ্থত কোনো কোনো সমালোচকে ৰুক্মিণী হৰণ নাটকক ৰুক্মিণী হৰণ কাব্যৰে নাট্য ৰূপ বুলি অভিহিত কৰিছে।

উল্লিখিত নাটৰ ক্ষেত্ৰতো গুৰুজনাই ভাগৱত পুৰাণৰ লগত হৰিবংশৰ বিষয়বস্তুৰ মধুৰ সংমিশ্ৰণ ঘটাই নাটকখনৰ জুমুধিটো নিৰ্মাণ কৰিছে। হৰিবংশ, বিষ্ণু পুৰাণ আৰু ভাগৱতত ৰুক্মিণীৰ বিষয়ে উল্লেখ থাকিলেও শঙ্কৰদেৱে ভাগৱত পুৰাণৰ বিষয়বস্তুহে নাটত গ্ৰহণ কৰি প্ৰয়োজন অনুসৰিহে বিষয়বস্তুৰ নাট্য ৰূপায়ণ ঘটাইছে। বিশেষকৈ ভাগৱত পুৰাণত বিদৰ্ভ পতিৰ পাঁচজন পুত্ৰ আৰু একমাত্ৰ কন্যা ৰুক্মিণীৰ বিষয়ে উল্লেখ থাকিলেও গুৰুজনাই ৰুক্মবীৰৰ বাদে বাকীসকলৰ উল্লেখ নাটকখনত কৰা নাই। অন্যহাতে ৰুক্মিণী হৰণৰ লগত ভক্ত উদ্ধৱৰ সম্পৰ্ক নাই যদিও মহাপুৰুষে নাটকখনত শ্ৰীকৃষ্ণই উদ্ধৱৰ সৈতে বংগালয়ত প্ৰৱেশ কৰা ঘটনাৰ নাট্য ৰূপায়ণ ঘটাইছে।

ভাগৱতৰ মতে সুৰভি নামৰ ভাটৰ যোগেদি শ্ৰীকৃষ্ণই ৰুক্মিণীৰ ৰূপ-যৌৱনৰ বিষয়ে অৱগত হোৱাৰ পাছত ৰুক্মিণীৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হয় আৰু ইয়াৰ বিপৰীতে হৰিদাস ভাটৰ যোগেদি বিদৰ্ভ কুমাৰী ৰুক্মিণীয়ে শ্ৰীকৃষ্ণৰ বিষয়ে জনাৰ পাছতেই ৰুক্মিণীৰ হৃদয়তো শ্ৰীকৃষ্ণৰ প্ৰতি অনুৰাগ সৃষ্টি হয়।

মূল গ্ৰন্থত শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ মিলন পথত অন্তৰায় হৈ দেখা দিয়ে ৰুক্মিণীৰ জ্যেষ্ঠ ভাতৃ ৰুক্মীয়ে। ডেকা তেজত মতলীয়া হৈ গুৰু গোসাঁই নমনা ৰুক্মীয়ে ৰুক্মিণীক ছেদিৰাজ শিশুপাললৈহে বিবাহ দিয়াৰ বাবে প্ৰস্তুতি চলায়। ভাগৱতত ৰুক্মিণী এই সিদ্ধান্তৰ বিষয়ে নিজেই অৱগত হয় যদিও আলোচ্য নাটত মদনমঞ্জৰী নামৰ সখীয়েকৰ যোগেদিহে ৰুক্মিণীয়ে এই সিদ্ধান্তৰ কথা জানিব পাৰে। এনে বিষম পৰিস্থিতিত সখীসকলে ৰুক্মিণীক সান্ত্বনা দিয়া আৰু ৰুক্মিণীয়ে ককায়েকক গালি বৰ্ষণকৰা বিষয়সমূহ মহাপুৰুষৰ স্বকীয় উদ্ভাৱন। তদ্ৰূপ সখীয়েক লীলাৱতীক বেদনিধি ব্ৰাহ্মণৰ ওচৰলৈ প্ৰেৰণ কৰা কাৰ্যও গুৰুজনাৰ মৌলিক সৃষ্টি ৰূপে অভিহিত হৈছে। মূলত ব্ৰাহ্মণ বুলি উল্লেখ কৰিলেও মহাপুৰুষে বেদনিধি নামকৰণ কৰা কাৰ্যও তাৎপৰ্যপূৰ্ণ। ৰুক্মিণীৰ পত্ৰ-সন্দেশ লৈ বেদনিধিয়ে দ্বাৰকালৈ গমন কৰাৰ পাছত ৰুক্মিণীক সখীসকলে সান্ত্বনা প্ৰদানকে ধৰি বেদনিধিয়ে শ্ৰীকৃষ্ণক লৈ প্ৰত্যাৱৰ্তন কৰোঁতে ৰথৰ বেগ সহিব নোৱাৰি জ্ঞান হেৰুৱাই পেলোৱা আৰু ব্ৰহ্মাই ৰুক্মিণীক দেখি অচেতন হৈ পৰা ঘটনাৰাজি মহাপুৰুষৰ প্ৰতিভাৰ পৰশত জীৱন্ত চিত্ৰলৈ ৰূপান্তৰিত হৈছে।

ৰামায়ণৰ বিষয়বস্তু লৈ ৰচনা কৰা 'ৰামবিজয়' শ্ৰীমন্ত শঙ্কৰদেৱৰ একমাত্ৰ নাটক আৰু তাৰাৰ জীৱনৰ শেষ বয়সৰ ৰচনা। গুৰুজনাই কোঁচ ৰাজ্যত বাস কৰোঁতে ৰজা নৰনাৰায়ণৰ ভাতৃ শুক্লধ্বজৰ পৃষ্ঠপোষকতাত 'ৰামবিজয়' নাটক ৰচনা কৰাৰ সম্পৰ্কে উল্লিখিত নাটকৰ পৰিসমাপ্তিত সন্নিৱিষ্ট শ্লোকত উল্লেখ কৰিছে—

"শ্ৰীগোপাল পদচ্ছত্ৰচ্ছায়ালালসমানসঃ।
শ্ৰীশুক্লধ্বজা নৃপশ্ৰেষ্ঠ কাৰামায়াসঃ নাটকম।।
বিন্দুৰন্ধ্ৰ ৰেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে।
শ্ৰীৰামবিজয়ং নাম নাটকং ৰিদধেধুনা।।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আদিকাণ্ড ৰামায়ণৰ বিষয়বস্তুৰ আধাৰত ৰামবিজয় ৰচনা কৰিলেও নাটকখনক নব্য ৰূপত অৱতাৰণা কৰিছে। বিশেষকৈ ৰামায়ণত বিশ্বামিত্ৰ মুনিয়ে ৰাম-লক্ষ্মণক হৰধনু (অজগৱ) দেখুৱাবলৈ নিয়াৰ পৰিৱৰ্তে আলোচ্য নাটকত সীতা সয়ম্বৰলৈহে লৈ গৈছিল। ৰামে হৰধনু ভংগ কৰি সীতাক লাভ কৰা আকস্মিক ঘটনা ৰূপেহে বৰ্ণিত হৈছে। অন্যহাতে ৰামবিজয় নাটকত কৌশিক ঋষিয়ে ৰাম-লক্ষ্মণক হৰধনু ভংগ কৰি সীতাক লাভ কৰাৰ অভিপ্ৰায়েৰে জনক নগৰীলৈ লৈ গৈছে। সেইদৰে পথত পৰশুৰামৰ লগত ৰামৰ তৰ্কযুদ্ধ সংঘটিত হোৱা ঘটনা মূল ৰামায়ণত নথকা সত্বেও বৈচিত্ৰ্য সৃষ্টিৰ প্ৰয়াসেৰে গুৰুজনাই নাটকত সন্নিৱেশ কৰিছে। উল্লিখিত মৌলিকত্বৰ উপৰি নাট্যকাৰে সীতাক অৱতাৰণা কৰিছে জাতিস্মৰ কন্যা ৰূপে। সীতাই সেয়া সখীসকলৰ আগত নিজেই প্ৰকাশ কৰিছে—

*"আহে সখীসব ঃ পৰম অভাগিনীক কি পুচহ ঃ হামু পূৰ্ব্ব জনম, ঈশ্বৰ নাৰায়ণক স্বামী ইচ্ছা কয়। অনেক জনম কায় ক্লেশ কৰিয়ে বহুত বৰিষ তপস্যা কয়লো।"*

শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ নাটৰ দৰে আলোচ্য নাটতো সয়ম্বৰত সমবেত ৰজাসকলে সীতাৰ ৰূপত মোহান্ধ হৈ মূৰ্চ্ছিত হোৱাৰ পৰিস্থিতি সৃষ্টি কৰি হাস্যৰস কৰিছে—

*"ঐচন কামে মত্ত হুয়া ৰাজাসব নানা বিভৎস ভাৱনা কৰয় ঃ পেখি সীতাক সখী কনকাৱতী মদন মন্থৰা... কাহু ৰাজাক গোৰ মাৰি ভৰচয়, কাহু হাতে পাৰে ধেঙ্গনা মাৰয়।"*

অন্যহাতে ৰুক্মিণী হৰণ নাটত হোম আৰম্ভ কৰিবলৈ লওঁতেই ৰুক্মিণীৰ ৰূপ দেখি ব্ৰহ্মা বিমুচ্ছিত হোৱাৰ দৰে ৰামবিজয় নাটত সীতাৰ ৰূপ দেখি কৌশিক ঋষি কাম বাণত জৰ্জৰিত হোৱা ঘটনাৰ সাদৃশ্য মন কৰিবলগীয়া। দৰ্শকৰ ৰুচি-অভিৰুচি প্ৰতি অতিশয় সচেতন শ্ৰীমন্ত শঙ্কৰদেৱৰ এনে দৃষ্টিকোণ এক উল্লেখযোগ্য বিষয়।

শ্ৰীমন্ত শঙ্কৰদেৱে পৰিস্থিতি সৃষ্টি কৰাৰ ক্ষেত্ৰততে নহয়, চৰিত্ৰাংকনৰ ক্ষেত্ৰতো তাৰাৰ আন নাটৰ কৌশলৰ পুনৰাবৃত্তি মন কৰিবলগীয়া। বিশেষকৈ ৰামবিজয় নাটতো কৌশিক মুনিয়ে দশৰথৰ পুত্ৰ ৰাম-লক্ষ্মণক সিদ্ধাশ্ৰমলৈ নি মাৰীচ-সুবাহুক বধ কৰোৱালৈকে ভাতৃদ্বয়ৰ এটাও সংলাপ প্ৰয়োগ নকৰাটো তাৰাৰ নাট্যশৈলীৰ অন্যতম গুৰুত্বপূৰ্ণ দিশৰূপে পৰিগণিত হৈছে।

স্মৰ্তব্য যে মহাপুৰুষে যি সময়ত নাট-ৰচনাত প্ৰবৃত্ত হৈছিল, সেই সময়ত নাট্যকালক পূৰ্ণ বিকশিত কৰাৰ বাবে সন্মুখত কোনো আৰ্হি নাছিল। তৎসত্বেও কাহিনী গ্ৰন্থনতেই হওক বা চৰিত্ৰাংকনেই হওক বৈষ্ণৱ সাহিত্যৰ ইতিহাসত শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত তুলনা কৰিব পৰা দ্বিতীয় এজন নাট্যকাৰ বিচাৰি পোৱা নাযায়। সেইদৰে সংলাপৰ চাতুৰ্য অথবা সংলাপহীনভাৱে কৰা চৰিত্ৰাংকন গুৰুজনাৰ অভিনৱ সৃষ্টি ৰূপে নাট্য সাহিত্যৰ ইতিহাসত স্মৰণীয় হৈ থাকিব।❑❑

# হৰিশ্চন্দ্ৰ উপাখ্যান

(৩ পৃষ্ঠাৰ পৰা)

লেখকে সমানে গুৰুত্ব দিছে। সত্য ৰক্ষাৰ খাতিৰত ৰাজ্য ধন সমস্ত ঋষিক অৰ্পণ কৰি দুখী হোৱাৰ সলনি সুখী হৈছে হৰিশ্চন্দ্ৰ—

"সাৰ্থক আৰ্জ্জিলো ৰাজ্য ভাৰ ধন ধান।
তুমি হেন ঋষিক স্বহস্তে দিবো দান।।৯৬
অসাৰ সংসাৰ জ্ঞানী লোকে হেন কহে।
যিবা দেই যিবা খায় সেহি মাত্ৰ ৰহে।।
অথিৰ শৰীৰ ক্ষণিতেকে হোৱে চন।
ইসে সাৰতৰ দান পুণ্য চিৰন্তন।।৯৭

এই আকৰ্ষণীয় বচন মুখত দি হৰিশ্চন্দ্ৰক মহৎ কৰা লেখকে শৈব্যাকো একে ধৰণৰ বচন কোৱাই মহত্ব দান কৰিছে—

"ৰাজাক বোলন্ত প্ৰভু কৰিলাহা ভাল।
ইটো ৰাজ্য সুখ লৈয়া জীৱা কত কাল।।১২৪
অথিৰ সংসাৰ আজি কালি যাবো মৰি।
কাৰ ধন জন পৰিবাৰ বসুন্ধৰী।।
বিশেষ পাত্ৰক দিলা আনন্দ আম্হাৰ।
দেৱতা পিতৃৰ শুজিলাহা সৱে ধাৰ।।"১২৫

প্ৰজাহিতৈষী কাম আৰু সদয় ব্যৱহাৰেৰে হৰিশ্চন্দ্ৰ যেনেদৰে প্ৰজাৰ মনত পিতৃ স্বৰূপ, তেনেদৰে উচ্চ ব্যক্তিত্বৰ গুণত ৰাণীও প্ৰজাবৰ্গৰ মনত মাতৃ স্বৰূপা। হৰিশ্চন্দ্ৰ দেশান্তৰী হ'বলৈ ওলোৱাত প্ৰজাই যেনেকৈ—

"পুত্ৰতো অধিক দশ গুণ কৰি
পালিলা তুলি আম্হাক।
একোকালে নতো শুনো প্ৰাণ প্ৰভু
তোম্হাৰ কটুৰ বাক।।
কিবা ৰাজা তুলি কিবা মাৰ বাপ
হেন নতো জানৈ লোকে।"

—বুলি কান্দি-কাটি অস্থিৰ হৈছে শৈব্যাক লৈও অন্তঃপুৰৰ নৰনাৰী সমানে অস্থিৰ হৈছে—

"হেন দেখি অন্তযপুৰৰ যত নাৰী।
শোকে শেলে দহে চিত ধৰিতে নপাৰি।।
মহাদৈক বেঢ়ি সৱে কৰে আৰ্ত্তৰাৰ।
আম্হাক অনাথ কৰি কৈক যাস মাৰ।।১২৮
পৃথিৱীত পৰি কেহুঁ পৰে লোটা লুটি।
কেঁহো দুই হাতে হৃদয়ত হানৈ মুঠি।।
কোন সতে আম্হাক ঋষিত দিলা দান।
তুমি অবিহনে কেনে ধৰিবোহো প্ৰাণ।।"১২৯

হৰিশ্চন্দ্ৰ যেনে পত্নী-পুত্ৰৰ প্ৰতি গভীৰ স্নেহশীল, কঠোৰ সত্যবাদী লোক শৈব্যাও স্বামী-পুত্ৰৰ প্ৰতি গভীৰ স্নেহশীল, ধৈৰ্যশীলা আৰু কৰ্তব্যপৰায়ণা নাৰী। য'ত হৰিশ্চন্দ্ৰ বিহুল হৈছে তাতো শৈব্যাই ধৈৰ্যৰ পৰিচয় দি হৰিশ্চন্দ্ৰক ৰক্ষা কৰিছে। ঋষিৰ দক্ষিণা দিবলৈ অপাৰগ হৈ হৃদয় বিকল হৈ পৰা হৰিশ্চন্দ্ৰক চূড়ান্ত ত্যাগৰ পৰিচয় দি শৈব্যাই উপায় দিছে—

"এভো হেন কৰা প্ৰভু মোৰ বাক্য ধৰা।
শপ অগনিত পৰি বিপাঙ্গে নমৰা।।
মোক বিকিয়োক হিয়া কৰিয়োক থিৰ।
দক্ষিণাক শুজি হাত এৰায়ো ঋষিৰ।।"২৯৮

মুঠতে কৰুণ কাহিনীযুক্ত কাব্য এখনৰ নায়ক-নায়িকাৰ যি আকৰ্ষণীয় গুণ থাকিব লাগে এটাৰ বাহিৰে সেই সকলো গুণেই আছে। যিটো থাকিবলগীয়া গুণ চৰিত্ৰ দুটাত নাই সেইটো হ'ল প্ৰতিবাদী কণ্ঠ। বিশ্বামিত্ৰই কৰা সকলো অত্যাচাৰ শাপৰ ভয়ত নিৰ্বিবাদে মানি যোৱাটোৱে চৰিত্ৰ দুটাৰ আকৰ্ষণ ভালেখিনি হ্ৰাস কৰিছে। অতিশয় দৈৱবাদীতাই বিশেষকৈ হৰিশ্চন্দ্ৰ চৰিত্ৰটোক মহাকাব্যৰ ধীৰোদাত্ত গুণৰ অধিকাৰী নায়ক হ'বলৈ নিদিলে। অৱশ্যে পশ্চিমীয়া সমালোচনাৰ দৃষ্টিৰে হৰিশ্চন্দ্ৰ 'ট্ৰেজিক হিৰোৰ' মৰ্যাদা পাবৰ উপযুক্ত চৰিত্ৰ।

এইখিনিতে এটা কথা উল্লেখনীয়। মূল মাৰ্কণ্ডেয় পুৰাণৰ মতে চূড়ান্ত পৰীক্ষাৰে পৰীক্ষিত হৈ স্বৰ্গলৈ যাবলৈ আমন্ত্ৰণ পোৱা হৰিশ্চন্দ্ৰই পুত্ৰক অযোধ্যাৰ ৰাজসিংহাসনত বহুৱাই পত্নীৰ সৈতে স্বৰ্গলৈ গমন কৰিছে। আমাৰ কবি শঙ্কৰদেৱৰ হৰিশ্চন্দ্ৰই কিন্তু পুত্ৰসম নিজৰ প্ৰজাসকলক এৰি স্বৰ্গলৈ যাবলৈ মান্তি নহ'ল। প্ৰজাতো বেলেগ কথা, আনকি অযোধ্যাৰ জীৱ-জন্তু পোক-পতঙ্গ পৰ্যন্ত লগত লৈহে স্বৰ্গলৈ যোৱাৰ চৰ্ত ৰাখিলে মহান হৃদয়ৰ হৰিশ্চন্দ্ৰই। শঙ্কৰদেৱৰ কবি কল্পনাত স্বৰ্গতো 'হৰিশ্চন্দ্ৰ পুৰী' নামেৰে এখন নগৰৰ সৃষ্টি হ'ল। শঙ্কৰদেৱৰ এই কল্পনাই হৰিশ্চন্দ্ৰ চৰিত্ৰটোৰ মহত্ব মূলতকৈ অনেক গুণে বৃদ্ধি কৰিছে।

নায়ক-নায়িকা হৰিশ্চন্দ্ৰ-শৈব্যাৰ বিপৰীতে বিশ্বামিত্ৰৰ চৰিত্ৰটোও অতি আকৰ্ষণীয়। ভাৰতীয় শাস্ত্ৰসমূহত অতি খঙাল আৰু নিৰ্বোধ ঋষি বুলি খ্যাতি থকা বিশ্বামিত্ৰক নায়ক-নায়িকাৰ জীৱনলৈ চৰম বিপৰ্যয় চপাই অনাৰ দায়িত্ব সঠিকভাৱেই অৰ্পণ কৰা হৈছে মূল আৰু অনুবাদত। ঋষিৰ শক্তিৰ ঈৰ্ষাত ৰাজপদ এৰি ঋষি হোৱা বিশ্বামিত্ৰই হৰিশ্চন্দ্ৰৰ ৰাজপদ লাভ কৰিবলৈ বাঞ্ছা কৰাটো বিশ্বাসযোগ্য হৈছে। দক্ষিণা বিচাৰি হৰিশ্চন্দ্ৰৰ লগতে তেওঁৰ পত্নী-পুত্ৰ জীৱনলৈ চৰম দুৰ্দশা নমাই অনাৰ উপৰি ৰজাৰ লগতে ৰাণীকো নিৰ্মমভাৱে প্ৰহাৰ কৰা আদি বৰ্ণনাই চৰিত্ৰটোক অতি ভয়ঙ্কৰ খলনায়কৰ ৰূপ দিছে। ৰাণীৰ দুখত দুখী হোৱা বাবে নগৰৰ নাৰীসকলৰ ওপৰত ঋষিৰ অত্যাচাৰৰ বৰ্ণনা চাওঁক—

এহিমতে সাতো দুৱাৰৰ ভৈলা বাজ।
তেৰকৰি চাই দেখিলন্ত ঋষিৰাজ।।"১৩৫
কৈক যাস পাপী বুলি উঠি গৈলা ৰাগ।
দণ্ডধৰি লৰৱন্তে ভেটিলেক আগ।।
কোবাইবে লাগি আতি দশন কামুৰি।
চৰৰ চৰপত কাকো দেন্ত ঝাপণ্ডৰি।।১৩
মাৰণক ভয়ে নাৰীগণে নিৰন্তৰে।
উলটিয়া লৰৱন্তে পশিলেক ঘৰে।।

ৰাজধানী এৰি যাবলৈ ওলোৱা ৰজা, ৰাণীৰ লগতে শিশু ৰোহিতাশ্বৰ গাৰ অলংকাৰ কাঢ়ি লোৱাৰ দৃশ্য আৰু অমানুষিক—

"কতো দূৰ যান্তে ঋষি ভেটিলন্ত আগ।
জানিলো নৃপতি তোক তই যেন লাগ।
অমূল্য যতেক ধন তোৰ অলঙ্কাৰ।
গাৱতে লৈ যাস মোৰ অৰ্দ্ধেক ভাণ্ডাৰ।।১৩৯
অনেক টঙ্কাৰ বস্তু শৰীৰত যায়।
কিবা দিলি নুবুজিলো তোৰ অভিপ্ৰায়।।
নৃপতি বোলন্ত কষ্ট নকৰিবা আত।
মনত নভৈল লৰি আসিলো হঠাত।।১৪০
লয়োক বুলিয়া ৰাজা দেন্ত আগবাঢ়ি।
তথাপিতো ক্ৰোধত আপুনি লন্ত কাঢ়ি।।
পৰম আক্ৰোষি ঋষি মনে ক্ষমা নাই।
বাকলি পিন্ধায়া বস্ত্ৰ লৈলা সোলোকাই।।১৪১
দেখি শৈব্যা আপুনি কাড়ন্ত অলঙ্কাৰ।
মুকুট কুণ্ডল শাম্ভ সাতেসৰি হাৰ।।
কেয়ুৰ কঙ্কন ৰঙ্গ নূপুৰ পাৱৰ।
যতেক ভূষণ কাঢ়ি দিলন্ত গাৱৰ।।১৪২
দেখি ঋষি খঙ্গে খেদি গৈলা আগবাঢ়ি।
ভূমিত পোয়া অলঙ্কাৰ লৈলা কাঢ়ি।।"১৪৩

এনেকুৱা আৰু ভালেমান বৰ্ণনাৰে ৰূপ দিয়া বিশ্বমিত্ৰ চৰিত্ৰটোৱে আধুনিক চিনেমাসমূহৰ খলনায়ক চৰিত্ৰবোৰলৈ মনত পেলায়। কাব্যৰ শেষত এটা পদেৰে যদিও বিশ্বামিত্ৰক খলনায়ক নহয় দৈৱশক্তিসম্পন্ন বুলিহে জনোৱা হৈছে তথাপি পাঠকৰ মনত চৰিত্ৰটোৰ প্ৰতি বিদ্বেষৰ ভাব যি গাঢ়ভাৱে প্ৰতিভাত হৈছে তাক আঁতৰ কৰিবলৈ সেই পদটো যথেষ্ট নহয়। তাৎপৰ্যপূৰ্ণ কথা— খলনায়কৰ ভূমিকা ৰূপায়ণ কৰা বিশ্বামিত্ৰক আচল খলনায়ক নহয় বুলি কাব্যৰ শেষত প্ৰকাশ কৰিলেও গণেশ দেৱতাক কিন্তু শঙ্কৰদেৱে খলনায়কৰ কলঙ্কৰ পৰা মুক্ত কৰা নাই। মূলত গুৰুত্বহীন গণেশৰ চৰিত্ৰটোক কিন্তু শঙ্কৰদেৱে কেইটামান পদেৰেই প্ৰকৃত খলনায়ক বুলি প্ৰতিপন্ন কৰিব পাৰিছে—

"পক্ষীগণ বদতি জৈমিনি শুনিয়োক।
যজ্ঞত নভৈল তুষ্ট নাহি হেন লোক।।
বিঘ্নিৰ ঈশ্বৰ একে গণেশত বাজে।
পূজা নপাই গনপতি অধোমুখে লাজে।।৫৩
থাক থাক কৈক যাইবি ৰাজা অহঙ্কাৰী।
আৰ মান সাধো বুলি মোচবন্ত ডাৰি।।
মান্য কণ্ডি মোক তই নুপূজিলি আগে।
তাৰ প্ৰতিফল দিবো নছাৰিবো লাগে।।৫৪
এহি গুণি গণেশৰ মনে সুখ নাই।
পাছে পাছে ৰাজাৰ ফুৰন্ত ছিদ্ৰ চাই।।"

কাব্য কাহিনীৰ কাৰুণ্য ফুটাই তোলাত ৰোহিতাশ্ব চৰিত্ৰটোৰ অৱদানো কম নহয়। ঋষিয়ে নিষ্ঠুৰভাৱে আ-অলংকাৰ কাঢ়ি নিয়া, খাবলৈ নাপাই কৰা ক্ৰন্দন, পিতৃস্নেহৰ পৰা বঞ্চিত হৈ ব্ৰাহ্মণৰ দাস ৰূপে বিক্ৰী হোৱা, ব্ৰাহ্মণৰ ঘৰত নিৰ্যাতিত হোৱা আৰু শেষত সৰ্প দংশনত কৰুণভাৱে মৃত্যু ঘটা আদি বৰ্ণনাই এই চৰিত্ৰটোক এটা আকৰ্ষণীয় চৰিত্ৰ কৰি তুলিছে। ব্ৰাহ্মণ আৰু চাণ্ডালৰ চৰিত্ৰ দুটাৰো কাব্য কাহিনীক আকৰ্ষণীয় কৰাত অৰিহণা আছে।

কাব্যখনিৰ সাহিত্যিক মূল্য বহু পৰিমাণে বৃদ্ধি কৰিছে ইয়াত ব্যৱহৃত অলঙ্কাৰপূৰ্ণ ভাষা আৰু ঘৰুৱা উপমা পটন্তৰ আদিৰ পৰ্যাপ্ত আৰু সঠিক ব্যৱহাৰে। কাব্যৰ মঙ্গলাচৰণতে অনুপ্ৰাস অলঙ্কাৰৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে লেখকে—

"নমো নাৰায়ণ নিৰঞ্জন জগজীৱ।
পুৰাণ পুৰুষ ঋষীকেশ সদাশিৱ।।
দানৱ দলন দামোদৰ আদি দেৱ।
দণ্ডৱতে পৰি কেশৱক কৰো সেৱ।।"১

কাব্যখনিত প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হৈছে উপমা অলঙ্কাৰ। এই ক্ষেত্ৰত আকৌ মন কৰিবলগীয়া কথাটো হ'ল সেইবোৰৰ বেছি ভাগে সাধাৰণ অসমীয়া মানুহে ব্যৱহাৰ কৰা ঘৰুৱা উপমা, যিবিলাকে কাব্যখনক সাধাৰণ মানুহৰ আপোন কৰি তোলাত বেছিকৈ সহায় কৰিছে। উদাহৰণ—

কাচত যতন যেন পৰিহৰি হীৰা।
শালগ্ৰাম মাটিত নটীক যে পীৰা।।২৭
বিঘ্নিক সঙ্কায়ে নুপূজিবো হৃষীকেশ।
ওকণীক ভয়ে কোনে মুণ্ডি আছে কেশ।।২৯
ফাগুণীয়া বাব যেন নাকৰ বতাস।
ওলমিচে পেট যেন বৰ মৌৰ বাস।।"৩৩৮

ৰূপক, উৎপ্ৰেক্ষা, অতিশয়োক্তি আদি অনেক প্ৰকাৰৰ অলঙ্কাৰে কাব্যখনিক মোহনীয় কৰিছে যদিও সেই সকলোবোৰৰ উদাহৰণ দিবলৈ এই লেখাত স্থানৰ অভাৱ। কিন্তু ঘৰুৱা পটন্তৰৰ সুন্দৰ উদাহৰণ কেইটামান উদ্ধৃত নকৰিলে আলোচনা অসম্পূৰ্ণ যেন লাগিব—

"মোহোৰ ৰাজ্যত কোনে চিন্তে অপকাৰ।
কোন পাপীষ্ঠৰ আৱে কট কটাই ঘাৰ।।
দুহিবাক লাগি কোনে বাঘিনীক চান্দৈ।
মৰিবাৰ আসুধি গলত তুলি বান্ধৈ।।৭৩
হেন মন্দকৰ্ম্ম কৰে কোননো অধমে।
আক্ষাক জোক্ষাৰৈ পাতি মলচিল যমে।।
গড়ল বিষক ভুঞ্জে মৰিবাক লাই।
আজি ঘোৰ শৰে যমপুৰে দিবো ঠাই।।৭৪
স্ত্ৰীক দুৰ্ব্বল কৰে কোননো নিস্থলে।
জ্বলন্ত বহ্নিক বান্ধে বস্ত্ৰৰে অঞ্চলে।।
ঋষিহেন বুলি তই আমাক নগণি।
গাওঁ পৰৰয়াক যেন যাচস ভোজনী।।৩২৮
তয়ো হেন জান বিশ্বামিত্ৰ ঢোণ্ডা সাপ।
কিছোৰো নুহিকে একো নাহিকে প্ৰতাপ।।
কোনে জানু পাৱে আসি পৰৰ শ্ৰাদ্ধত।।
যেন বাটোৱাল হুয়া শশাৰ দেই শ্বাস।।"

প্ৰতিভাবান কবি শঙ্কৰদেৱৰ শব্দ নিৰ্বাচন অতি নিখুঁত আৰু সঠিক। কাব্য কাহিনীৰ গাম্ভীৰ্য ৰক্ষা কৰিবলৈ যেনেকৈ লেখকে তৎসম শব্দ বেছিকৈ ব্যৱহাৰ কৰিছে, তেনেকৈ আকৌ অসমীয়া পৰিৱেশ সৃষ্টি কৰি অসমৰ পাঠকৰ বাবে আকৰ্ষণীয় কৰাৰ লক্ষ্যৰে প্ৰচুৰ ঘৰুৱা শব্দও উপযুক্ত ঠাইত ব্যৱহাৰ কৰিছে। পচোৱা বাতাস, জনাচিনা, আথে বেথে, বাজ (বাহিৰ), তবধ, চৰগ (স্বৰ্গ), ঝাপগুৰি, ঘৰাঘৰি, উণা (কাণ পাত), তালফাল, গা ঘেলা, ভেম জোৰ, ঢলো পলো, ভেল ভেল, ভোৱোকাৰ আদি তেনে শব্দৰ উদাহৰণ।

ছান্দসিক শঙ্কৰদেৱে কাব্যখনিত চাৰিটা সজ্জাৰ ছন্দ ব্যৱহাৰ কৰিছে— পদ বা পয়াৰ, ছবি, দুলড়ি আৰু ঝুমুৰি। একেটা ছন্দসজ্জা বেছি দীঘলীয়াকৈ ব্যৱহাৰ নকৰি পৰিমিত দূৰত্বত সজ্জা সলোৱা হৈছে বৰ্ণনা বিৰক্তিকৰ নহ'বৰ বাবে। বৰ্ণনীয় বিষয়ৰ ভাব অনুসৰি ছন্দসজ্জাসমূহ ব্যৱহাৰ হৈছে আৰু সেইবোৰত যি অন্ত্যমিল প্ৰয়োগ কৰা হৈছে সি সম্পূৰ্ণ নিয়মীয়া। গোটেই কাব্যখনিত এনে এটি পদ পাবলৈ নাই য'ত অন্ত্যধ্বনিৰ মিল অথবা অক্ষৰ সাম্য ব্যাহত হৈছে। অত্যন্ত সাৱলীল আৰু উপযুক্ত ছন্দই কাব্যখনি অধিক আকৰ্ষণীয় কৰিছে।

কৰুণ ৰস কাব্যখনিৰ মূল ৰস। শেষলৈ নায়ক-নায়িকাৰ বিপৰ্যয়ৰ সমাপ্তি ঘটি ভাৰতীয় জীৱনৰ চৰম আকাংক্ষা স্বৰ্গপ্ৰাপ্তি ঘটিছে যদিও কাব্যৰ বেছি অংশ জুৰি প্ৰৱাহিত হৈ থকা অসহনীয় কাৰুণ্যই পাঠকৰ হৃদয়-মন আচ্ছন্ন কৰি ৰাখে। কৰুণ ৰসৰ সমান্তৰালভাৱে অৱশ্যে বুদ্ধিদীপ্ত (WIT) শ্লেষ (SATIRE) আৰু বিমল (HOMOUR)— আটাই কেইপ্ৰকাৰৰ হাস্যৰসো প্ৰৱাহিত হৈ আছে। কৰুণ আৰু হাস্যৰসৰ পৰিপোষক ৰূপে ৰৌদ্ৰ (বিশ্বামিত্ৰৰ ক্ৰোধ, বশিষ্ঠ, বিশ্বামিত্ৰৰ যুদ্ধৰ বৰ্ণনাত) আদি ৰসেও কাব্যখনিক উপভোগ্য কৰিছে। অৱশ্যে এই সকলো ৰস মিলি কাব্যত ভক্তিৰসত পৰিণত হৈছে। সেই ফালৰ পৰা চালে কাব্যখনিৰ মূল ৰস ভক্তি ৰসহে।

সাহিত্য হিচাপে হৰিশ্চন্দ্ৰ উপাখ্যানৰ আটাইতকৈ ডাঙৰ মূল্য নিহিত আছে তাৰ বক্তব্য (MESSAGE)ত। যি মূল গ্ৰন্থৰ পৰা কবিয়ে কাহিনীটো গ্ৰহণ কৰিছে সেই মাৰ্কণ্ডেয় পুৰাণ এখন বৈষ্ণৱ পুৰাণ নহয়। বৰঞ্চ দেৱীৰ মাহাত্ম্যসূচক কথাই বেছি অংশ জুৰি আছে পুৰাণখনিৰ। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য লৈ লিখা গ্ৰন্থ এখনৰ বাবে লেখকে শাক্ত মূল গ্ৰন্থ এখনৰ পৰা কাহিনীটো

(১২ পৃষ্ঠাত চাওক)

# হৰিশ্চন্দ্ৰ উপাখ্যান

(১১ পৃষ্ঠাৰ পৰা)

লোৱাৰ আচল কাৰণ কাহিনীটো গভীৰ কৰুণ ৰস নহয়। কাহিনীটোত থকা বিষ্ণুৰ মাহাত্ম্য প্ৰতিষ্ঠা আৰু ভাৰতীয় সমাজ ব্যৱস্থাৰ অভিশাপ স্বৰূপ ব্ৰাহ্মণ্যবাদৰ ভয়াবহতা প্ৰদৰ্শন কৰাৰ অৱকাশ থকা বাবেহে শঙ্কৰদেৱে এই কাহিনী নিৰ্বাচন কৰিছিল বুলি ধাৰণা হয়। ভাৰতীয় সমাজখনক যুগ যুগ ধৰি প্ৰকৃত ধৰ্মৰ পথৰ পৰা আঁতৰাই ৰাখি ধৰ্মক শোষণৰ আহিলাৰূপে ব্যৱহাৰ কৰি অহা প্ৰবল প্ৰচণ্ড ব্ৰাহ্মণ্যবাদক প্ৰতিহত কৰাৰ যি মহাযুদ্ধ শঙ্কৰদেৱে গুৰুগৃহতে আৰম্ভ কৰিছিল সেই যুদ্ধৰ যেন শঙ্খধ্বনি স্বৰূপ হৰিশ্চন্দ্ৰ উপাখ্যান। গোটেই কাহিনীটোত ব্ৰাহ্মণ্যবাদৰ প্ৰতি আছে তীব্ৰ শ্লেষ। সেই বাদৰ প্ৰতিভু স্বৰূপ বিশ্বামিত্ৰ ঋষি, যিয়ে ব্ৰহ্মশাপ দিয়াৰ ভয় দেখুৱাই হৰিশ্চন্দ্ৰৰ নিচিনা সবাতোকৈ পৰাক্ৰমী অথচ সত্যনিষ্ঠ ব্যক্তিকো কাবু কৰি পেলাইছে। এনেকি স্বৰ্গৰ দেৱদেৱী, সমপৰ্যায়ৰ বশিষ্ঠৰ দৰে ঋষিকো অভিশাপেৰে বিপৰ্যস্ত কৰিব পাৰে বিশ্বামিত্ৰই। হৰিশ্চন্দ্ৰ যেন ব্ৰাহ্মণ্যবাদত নিষ্পেষিত হোৱা কৌটি কৌটি ভাৰতীয়ৰ প্ৰতিনিধি। যি হৰিশ্চন্দ্ৰই গণেশৰ দৰে দেৱতাক পূজা নিদিবলৈ সাহস কৰিব পাৰে তেনেজনেই আকৌ মানৱ বিশ্বামিত্ৰ সন্মুখত থিয় দিলেই থৰথৰকৈ কঁপিবলৈ আৰম্ভ কৰে। কাব্যখনিত ধৰ্মীয় কাৰ্য আৰু আধ্যাত্মিক চিন্তাৰ দায়িত্বত থকা ঋষি-মুনিসকলৰ স্বাৰ্থপৰতা, প্ৰতিহিংসা পৰায়ণতা আদি দ্বিধাহীনভাৱে উদঙাই দেখুৱাৰ বিপৰীতে ক্ষত্ৰিয় হৰিশ্চন্দ্ৰক সত্যপৰায়ণ, কৰ্তব্যসচেতন, তত্ত্বজ্ঞানী আৰু ত্যাগৰ প্ৰতিমূৰ্তিৰূপে প্ৰতিষ্ঠা কৰা হৈছে। কাব্যখনিৰ কাহিনীৰ শেষ অংশত ঋষি দুগৰাকী চৰাইলৈ অৰ্থাৎ অবোধ প্ৰাণীলৈ ৰূপান্তৰিত হোৱা আৰু ব্ৰহ্মাই আহি যুদ্ধৰত ঋষি দুগৰাকীক—

"হাঁউৰে পাপিষ্ঠ কেনে যুদ্ধ কৰ
সৰে সৃষ্টি নষ্ট ভৈল।
ব্ৰহ্মঋষি হুয়া ভৈলি তামসিক
অধমৰ যেন ক্ৰোধ।।"

বুলি তিৰস্কাৰ কৰা কথা অতি তাৎপৰ্যপূৰ্ণ। মন কৰিবলগীয়া গুৰুজনাই কাব্যখনিক নিজে পৰামৰ্থ কথা বুলিহে কৈছে। (শুনিয়োক যত সভাসদ নিৰন্তৰ। পৰমাৰ্থ কথা মাৰ্কণ্ডেয় পুৰাণৰ।) ছাত্ৰাৱস্থাতে সমাজখনৰ ইমান গভীৰতালৈ দৃষ্টি দিব পৰা আৰু সেই সমাজখনক এনে এক শক্তিশালী 'মেছেজ' দিব পৰা লেখক শঙ্কৰদেৱৰ বাহিৰে দ্বিতীয় এগৰাকী হয়তো নোলাব। ❑

# যুৱ সমাজত মহাপুৰুষ

(৯ পৃষ্ঠাৰ পৰা)

পুত্ৰ পৰিবাৰ সবাহি অসাৰ
কৰবো কাহেৰি সাৰ।।"

— বৰগীত

বৰ্তমানৰ ভোগবাদে চানি ধৰা সমাজত জুৱা, গুটখা, ড্ৰাগছ, বিলাতী সুৰা আৰু চুলাই মদৰ অবাধ প্ৰচলনে যুৱ প্ৰজন্মক ধ্বংসৰ পথত আগুৱাই নিয়াৰ লগতে অঞ্চলসমূহৰ আৰ্থ-সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক পৰিৱেশ বিনষ্ট কৰি তুলিছে। বৰ্তমান উৎসৱ-পাৰ্বনত যুৱ প্ৰজন্মৰ একাংশই সুৰা সেৱন কৰাতো এটা আধুনিক 'ফেশ্বন'ত পৰিণত হৈ পৰিছে। ফলত একেবাৰে গুৰু গোসাঁই নমনা এখন উচ্ছৃংখল সমাজৰ সৃষ্টি হৈছে। মহাপুৰুষ শঙ্কৰদেৱে সুৰাপায়ীসকলৰ দশা সম্পৰ্কে অনাদি পাতনত লিখিছে—

"হিয়াত জান্তিয়া তাক দূতে চিত কৰি।
অগ্নিময় লোহাক পিয়াৱে মুখ ভৰি।।"

বৰ্তমান ভোগবাদে যুৱ মানসিকতা বিকৃত বা বিধ্বস্ত কৰি তুলিছে যৌনতাৰ প্ৰতি তীব্ৰ আকৰ্ষণে এচাম যুৱক-যুৱতীক উদ্ভ্ৰান্ত আৰু উচ্ছৃংখল কৰি তুলিছে। স্বল্প বসনা এচাম যুৱতীয়ে যৌনতাৰ জুই জ্বলাইছে, এচাম যুৱকে তাত-জাহ গৈছে। অন্যহে নালাগে ধৃতৰাষ্ট্ৰৰ ৰাজসভাত দুৰ্যোধন, দুঃশাসনে নাৰীক বিবস্ত্ৰা কৰাৰ দৰে লজ্জাজনক কাৰ্য দিনে দিনে বৃদ্ধি পাই আহিছে। মহাপুৰুষ শঙ্কৰদেৱৰ দৃষ্টিতে নাৰীকলৈ পুৰুষে ভোগৰ পাহাৰ মেলাতো বৰ্জনীয় সেয়েহে পীতাম্বৰ কবিৰ ইন্দ্ৰিয় বিলাসৰ ধাৰণাৰ তীব্ৰ সমালোচনা কৰি ধৰ্ম ধৰিবৰ যোগ্য নহয় বুলি কৈছিল।" আনহাতে কামিনী নাৰীৰ সংগ পৰিত্যাগ কৰিবলৈ কীৰ্ত্তনৰ হৰমোহন খণ্ডত উপদেশ দিছিল—

"ঘোৰ নাৰী মায়া সৰ্ব্ব মায়াতে কুৎসিত।
মহাসিদ্ধ জ্ঞানীৰো কটাক্ষে হৰে চিত।।
দৰশনে কৰে মহা যোগ সিদ্ধি ভঙ্গ।
জানি এৰে জ্ঞানী গণে কামিনীৰ সঙ্গ।।"

হাজাৰ বছৰীয়া সংস্কৃতি ঐতিহ্যক বিসৰ্জন দি নিজকে পণ্যত পৰিণত কৰি অশালীন সাজ-পোছাক পিন্ধি পশ্চিমীয়া সংস্কৃতিক অন্ধঅনুকৰণ কৰা নৱ-প্ৰজন্মৰ এই সকল অংশীদাৰ মানসিকভাৱে পৰাধীন। এই মানসিকভাৱে পৰাধীন হৈ থকাৰ কাৰণে এইসকল লিপ্ত হৈ পৰে হিংসা-প্ৰতিহিংসাত। এই মহাসমস্যাৰ সমাধান মহাপুৰুষ শঙ্কৰদেৱে এক শৰণ হৰিনাম ধৰ্মৰ জৰিয়তে সমাজত দি গৈছে—

"হেন জানি নৰলোক পৰহিংসা এৰিয়োক
আপোনাত অবিলম্বে পায়।
যত দেখা ভূত প্ৰাণী সৰে বিষ্ণু হে জানি
হিংসা এৰি কৰা উপকাৰ।।"

— ভাগৱত, ৮ম স্কন্ধ

ভোগবাদী নীতিত দেখা দিয়া কাৰ্য বিমুখতাৰ বিপৰীতে মহাপুৰুষ শঙ্কৰদেৱে মনুষ্যগণক কৰ্ম কৰিবৰ বাবে সৰ্বতোপ্ৰকাৰে উৎসাহ প্ৰদান কৰিছিল আৰু এই আদৰ্শ এই উৎসাহ আজিৰ যুৱ সমাজৰ বাবে অতিকৈ প্ৰাসংগিক হৈ পৰিছে।

"এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।"

— ভাগৱত, ২য় স্কন্ধ

আগতে উল্লেখ কৰি অহা হৈছে যে, মানুহৰ মানসিকতা নিৰ্ভৰ কৰে মানুহৰ মনৰ ওপৰত। মানুহৰ সমস্ত ভাল-বেয়া কৰ্মৰ বাবে দায়ী মন। মনৰ বিকাৰৰ বাবে সংঘটিত হয় নানান নঘটিবলগীয়া ঘটনা। অৱশ্যে মনক নিয়ন্ত্ৰণ কৰি নিষ্কাম (কামনা বাসনা ৰহিত) কৰ্ম কৰিব পাৰি। সাম্প্ৰতিক সময়ত আত্মহত্যাৰ প্ৰৱণতা অধিক পৰিমাণে বৃদ্ধি পাই আহিছে কিন্তু এয়াও এক মনৰ বিকাৰ। এই বিকাৰো দূৰ কৰিবলৈ হ'লে নিৰন্তৰ হৰিনাম শ্ৰৱণ-কীৰ্তন কৰি হৰি নাম স্মৰণ কৰিব লাগে তেতিয়া মনৰ সমস্ত বিকাৰ নিৰাময় হৈ মন পৱিত্ৰ হয় আৰু মনৰ বিকাৰৰ পৰা মুক্তি পাব পাৰি—

"চৰণ এক দেশে চলে বলে একবাৰ
কৰাইলেক মনক নিৰেশ।
এতেকে জানিবা সিটো মহা মহা পাতকৰ
প্ৰায়চিত্ত কৰিল নিশেষ।।"

মহাপুৰুষ শঙ্কৰদেৱে একশৰণ হৰি নামধৰ্মৰ জৰিয়তে জীৱৰ উদ্ধাৰৰ বাবে ধৰ্মৰ বুকুত দি গ'ল মানৱতা, অহিংসা, প্ৰেম, ভাতৃত্ব, সমতা, উদাৰতা আৰু গণতান্ত্ৰিক প্ৰমূল্যবোধ। চন্দ্ৰ প্ৰসাদ শইকীয়াদেৱে আশাবাদৰ ৰেঙণি দেখি মন্তব্য কৰিছিল— "বৰ্তমান কালৰ সন্ত্ৰাস, ৰাজনৈতিক অপৰাধ, জীৱনৰ মূল্যবোধহীনতাই এই অসমক বিনাশ কৰিব নোৱাৰে। শঙ্কৰদেৱ মাধৱদেৱৰ কাব্যৰ ভাষা সমগ্ৰ অসমীয়া জাতিৰ জাতীয় ভাষাত পৰিণত হ'ল। জীৱনৰ মহা অৰ্থ, আধ্যাত্মিকতা, ভূমাৰ প্ৰতি স্পৃহা, মানুহক মানুহৰূপে শ্ৰদ্ধা কৰাৰ মানসিকতাৰ পুনৰ উত্থান আৰু পুনৰ উদ্ধাৰৰ মহান ব্ৰতৰে আমি শঙ্কৰদেৱ মাধৱদেৱৰ বাণী, আদৰ্শৰে বাৰে বাৰে উদ্ভাষিত আৰু উদ্বেলিত হ'ব লাগিব।❑

# জীৱন জিজ্ঞাসা

(৯ পৃষ্ঠাৰ পৰা)

হৈছে আত্মাৰ পৰিতৃপ্তি। দৈহিক পৰিতৃপ্তিতকৈ আত্মাৰ পৰিতৃপ্তি মুখ্য। নৈতিকতা আৰু আধ্যাত্মিক ভাৱ উত্তৰণৰ প্ৰধান উৎস হৈছে নামঘৰ, যি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ৫০০ বছৰৰো আগতে প্ৰতিষ্ঠা কৰি থৈ গ'ল। নামঘৰেই হৈছে এটা জাতিৰ সংস্কৃতিৰ ভঁৰাল। এটি শুদ্ধ জীৱন-নিৰ্বাহ কৰিবলৈ গুৰুজনাই সুন্দৰ পথ দেখুৱাই থৈ গৈছে। তেখেতৰ জীৱন আৰু সৃষ্টিসমূহতেই আছে আধ্যাত্মিকতাৰ অপূৰ্ব নিদৰ্শন। বৰগীত, ভটিমা, কীৰ্ত্তনৰ পদসমূহ সহজ-সৰল ভাষাত সাধাৰণলোকৰ বাবে বোধগম্য হোৱাকৈ আগবঢ়াই থৈ গৈছে। মানৱতাবাদৰ উৎকৃষ্ট নিদৰ্শন মহাপুৰুষজনাৰ নীতি-আদৰ্শসমূহ। কীৰ্ত্তনত উল্লেখ কৰিছে—

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাক পৰি কৰিবা প্ৰণাম।।"

— কীৰ্ত্তন-ঘোষা, ১৮২০

সকলো প্ৰাণীতে ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিব পাৰিলে মানুহৰ আচৰণ সকলোৰে প্ৰতি সজ হয় লগতে শ্ৰদ্ধা, আনুগত্য, দয়া, ক্ষমা আদি অনুভূতিবোৰ জাগ্ৰত হয়। মাথোঁ মানৱ জাতিটোৱেই ঈশ্বৰৰ অংশ নহয়, পৃথিৱীত জীয়াই থকা সকলোবোৰ জীৱই ঈশ্বৰৰ অংশ। অতি বেছি ভোগবাদক প্ৰাধান্য দিয়াৰ বাবেই আজিৰ সমাজত হিংসা, হত্যা আদি বৃদ্ধি পাইছে। আমি আমাৰ মনক সংযমী কৰি তুলিব পৰা নাই। এটি সুস্থ মনৰ অভাৱতে ঘটিব ধৰিছে নানান অঘটন। সুস্থ মনৰ গৰাকী হ'বলৈ হ'লে আমি খাদ্য খাওঁ তাৰ ওপৰত সচেতন হ'ব লাগিব। অত্যধিক নিচাযুক্ত দ্ৰব্য সেৱন আৰু আমিষ আহাৰ গ্ৰহণ কৰাৰ ফলত পাশৱিক প্ৰবৃত্তিসমূহ জাগ্ৰত হয়। মানুহে ক্ৰমবিৱৰ্তনৰ ফলত আদিম যুগৰ পৰা বৰ্তমানৰ সভ্যতালৈ গতি কৰিলে। কিন্তু যদি আমি খাদ্য সম্ভাৰৰ ওপৰত চকু নিদিওঁ তেনে আমাৰ পাশৱিক প্ৰবৃত্তিসমূহক নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হ'ম। সভ্যতা হৈছে পশুত্বক অতিক্ৰম কৰি কৰা উৰ্দ্ধমুখী বিৱৰ্তন। এই বিৱৰ্তন মানুহৰ চিন্তাৰ আৰু বুদ্ধিৰ।

শেষত আমি এটা কথা ক'ব বিচাৰোঁ যে দেশ, জাতি, পৰিয়ালৰ লগতে নিজৰ আত্মিক সুখ নিৰ্ভৰ কৰে পৰিচালনাৰ ওপৰত। আমাৰ পৰিচালনা নীতি-আদৰ্শ সুস্থ হ'বই লাগিব। মাৰ্জিত আৰু পৰিকল্পিত মন এটা কেতিয়াও অসুখী নহয়। আমি আমাৰ জীৱনটো শান্তিপূৰ্ণ কৰি তুলিব পৰা সকলোবোৰ কাৰক আমাৰ মাজতে আছে কিন্তু আমি অধিক আশাত বন্দী হৈ এটা সুন্দৰ জীৱন নিৰ্বাহ কৰাৰ পৰা নিজকে বঞ্চিত কৰোঁ জীৱনৰ সুন্দৰতাখিনি উপলব্ধি কৰিবলৈ আমাৰ মহা-মনিষীসকলে সুন্দৰভাৱে পথ দেখুৱাই গৈছে। গতিকে আহকচোন আমাৰ আৱেগ-অনুভূতিবোৰ সৎপথেৰে পৰিচালনা কৰি সমাজৰ লগতে নিজৰ জীৱনটো প্ৰেমময়, শান্তিময় কৰি তোলোহঁক।❑

# নেৰিবাহা যুগধৰ্ম

(৭ পৃষ্ঠাৰ পৰা)

বোলা হৈছে— দেৱতান্তৰপূদকাঃ শৈৱাশ্চবৈষ্ণৱাঃ স্মৃতাঃ। — হাৰীত স্মৃতি, ৬/১৫

অৰ্থাৎ শৈৱসকল আৰু আন দেৱতা পূজা কৰাসকল অবৈষ্ণৱ। বৈষ্ণৱে আন দেৱতাৰ পূজা-সেৱা কৰিলে দোষ হয়—

বৈষ্ণৱঃ পৰুযো যস্ত্ত শিৱ ব্ৰহ্মাদি দৈৱতান্।
প্ৰণমেতাৰ্চয়েদ্ বাপি বিষ্ঠায়াং জায়তে ক্ৰিমিঃ।।"

— হাৰীত স্মৃতি, ৮/২৬০

অৰ্থাৎ যি বৈষ্ণৱে শিৱ, ব্ৰহ্মা আদি দেৱতাক প্ৰণাম বা অৰ্চনা কৰে সি বিষ্ঠাৰ ক্ৰিমি হৈ জন্মে—

"ৰজস্তমঃ অভিভূতানাং দেৱতানাং নিৰীক্ষণাৎ।
পূজনাদ্ বন্দনাদ্ বাপি বৈষ্ণৱো যাত্যধোগতিম্।।"

— হাৰীত স্মৃতি, ৮/২৬১-৬২

অৰ্থাৎ ব্ৰহ্মা, শিৱ, দুৰ্গা, কালী, গণেশ আদি ৰজোগুণ তমোগুণ যুক্ত দেৱতাবোৰক পূজা বা নমস্কাৰ কৰিলে বৈষ্ণৱৰ অধোগতি হয়। তেনেহ'লে—

"গুণ-নাম যত বিষ্ণু শিৱৰ।
তাক ভিন্ন বুদ্ধি কৰৈ যি নৰ।।
নামৰ সিও মহা অপৰাধী।।"

কীৰ্ত্তনত থকা এই পদফাকিৰ তাৎপৰ্য কি? ইয়াৰ তাৎপৰ্য হৈছে— শিৱ আৰু বিষ্ণুৰ গুণযুক্ত কিছুমান একে (Common) নাম আছে। শিৱ (মঙ্গলময়) নামটো শিৱৰো নাম বিষ্ণুৰো নাম, সেইদৰে সদাশিৱ, যোগেশ্বৰ, মহেশ্বৰ আদি নামবোৰো শিৱৰো নাম বিষ্ণুৰো নাম। সেইবোৰ বিচাৰ নাম হিচাপে ল'ব লাগে। সেইবোৰ শিৱৰো নাম গতিকে ল'ব নাপায় বুলি ভেদ বুদ্ধি কৰিব নালাগে। কিন্তু একনিষ্ঠভাৱে কৃষ্ণ বা বিষ্ণুকে ভজনা কৰি ব্ৰহ্মা, শিৱসহ সকলো চৰাচৰ কৃষ্ণতে দেখিব লাগে।

"কিন্তু একনিষ্ঠভাৱে কৃষ্ণকে ভজিব।
ব্ৰহ্মা হৰ চৰাচৰ কৃষ্ণতে দেখিব।।"

— ভাগৱত

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ এজন পণ্ডিত ব্ৰাহ্মণ শিষ্য ব্যাসকলাই শৰ্মাই অন্য পূজা কৰা অপৰাধত মহাপুৰুষে তেওঁক বহিষ্কাৰ কৰাৰ কথা জনাজাত।

ৰামায়ণত দুৰ্গা পূজা কৰাৰ কথা আছেনে কি? মহৰ্ষি বাল্মীকি ৰচিত সংস্কৃত ৰামায়ণত দুৰ্গা পুদা প্ৰসঙ্গ ক'তো নাই। অনুবাদবোৰৰ ভিতৰত অসমীয়া, হিন্দী আৰু তামিল অনুবাদতো নাই। মূলত নোহোৱা কথা অনুবাদত কেনেকৈ থাকিব পাৰে। বঙালী ৰামায়ণত কৃত্তিবাসে মূলৰ পৰা আঁতৰি দৈ দুৰ্গাপূজাৰ কথা কল্পনা কৰি লিখিছে, হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত মাধৱ কন্দলিৰ দ্বাৰা ৰচিত অসমীয়া ৰামায়ণৰ মুখবন্ধত এই বিষয়ে বহুলাই লিখা

(১৯ পৃষ্ঠাত চাওক)

# কবিতা

## মোক এজনী কইনা লাগে

পৃথিৱী নামৰ গাঁওখনৰ
মই এজন একশৰণীয়া কৰ্মঠ যুৱক
মোক এজনী কইনা লাগে।
নালাগে মোৰ হ'বলগা জীৱন লগৰী
জাতত ওপৰ হ'ব
নালাগে তাই ৰূপত অপৰূপা হ'ব
কিম্বা আৱেদনময়ী
পুৰুষৰ মনত বাসনাৰ উদ্ৰেক কৰা জোখাৰে
নালাগে বাক্‌চাতুৰ্যৰে সঁচাক মিছা, মিছাক সঁচা সজোৱাৰ
কৌশল জানিব তাই
আপত্তি নাই নহ'লেও তাই
যুগৰ লগত একান্ত ৰঞ্জিতা খোৱা
কথাত বা কামত বা ধৰণ-কৰণত অথবা সাজ-পোছাকত
কিন্তু—
থাকিব লাগিব তাই নিষ্কলুষ প্ৰেম
থাকিব লাগিব
নূন্যতম সততা নৈতিকতাখিনি
শান্তিৰ কপৌজনী উৰুৱাৰ জোখেৰে
মানৱীয়তাৰ গোপন মন্ত্ৰ
পৃথিৱীখনত— সৰগীয় সুষমা ঢালিবলৈ
মানুহক দেখুৱাবলৈ নহয়
পৰমজনক ভিতৰৰ পৰাই
ভয় ভক্তি আৰু শ্ৰদ্ধা কৰিবলৈ।
সৰ্বগুণৰ আকৰ নহয় তাই
দোষৰ উপৰি দোষ থকা
ভুলৰ পিছত ভুল কৰি
জীৱনটো কদৰ্যময় কৰি তোলা
কিন্তু—
ভুলক বুল বুলি জানি
দোষক দোষ বুলি চিনি
নিজৰ দুৰ্বলতাক অকপটে স্বীকাৰ কৰাৰ
অথচ দোষ-দুৰ্বলতা অতিক্ৰমি
এক মহাজীৱনৰ সপোন দেখিব তাই
দুঃস্থ পৰম্পৰাৰ নহয়
অন্ধবিশ্বাসৰ অমানিশাৰ নহয়
উচ্ছৃংখলতাবোধৰ আঁকোৰগোজালৰ নহয়
যুক্তিৰ ওচৰত নতশিৰ হ'ব তাই
ভক্তিৰ ওচৰত অৱনত হ'ব তাই
সুখ-সম্ভোগত নিৰ্বিকাৰ হ'ব তাই
তেতিয়া—
মোৰ হিয়াৰ আমঠু হ'ব তাই।◆

**অতনু বৰুৱা**

## এখন নতুন ৰাজ্যৰ দাবী

মোক এখন নতুন ৰাজ্য লাগে
মই নিজে হ'ম মোৰ ৰাজ্যৰ
ৰজা, মন্ত্ৰী আৰু প্ৰজা
নচলিব মোৰ ৰাজ্যত দুৰ্নীতি
নাথাকিব তাত কোনো
আন্দোলনৰ শ্ল'গান
দৰিদ্ৰতাৰ চিন-মোকাম আৰু
বিসম্বাদৰ নাম নিচান
মোৰ ৰাজ্যত মাত্ৰ
দুটাহে স্কিম থাকিব
এটা শান্তি আনটো প্ৰগতি
মই নিজেই গাম
নিজৰেই জয় গান।◆

**ভবেন দুৱৰী**

## পোহৰৰ বাটত

তোমাক লগ পোৱাৰে পৰা
উজ্বলি উঠিল
বুকুৰ এন্ধাৰ কোঠালিবোৰ
কলুষতাৰ পাৰ ভাঙি তুমিয়েই বোৱাই দিলা
প্ৰেমৰ অনন্ত বন্যা।
থাপনাত সজাই থোৱা পুথিখনত
শৈশৱতে দেখিছিলোঁ তোমাক
ফুটা নুফুটা মাতেৰে গাইছিলোঁ
'শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ'
তুমিয়ে সেই শঙ্কৰ
বশ্য ভকতৰ
কৃষ্ণৰ কিংকৰ।
অমৃত মথি বান্ধিলা তুমি
হৰি নামৰ সেতু।
বঢ়াৰ-পোক লগত লৈ
দুয়োপাৰে ৰুলা কল্পতৰু বৃক্ষ
তৃপ্তফলেৰে ধন্য হ'লো
আমি অসমীয়া জাতি
মহীয়ান হ'ল কৃষ্ণ সংস্কৃতি
নামঘৰ চোতালে, নিতাল খোলে তালে
একদেৰ একসেৰ সকলোৰে গালে
পাহৰি গ'লো দুখ, অসূঁয়া অপ্ৰীতি
তোমাৰ কৃপাত আজি আমি সকলো
এক অসমীয়া জাতি
ধন্য গুৰু তুমি, সৃষ্টিৰ আঁকৰ
তুমিয়েই সৰ্বগুণাকৰ
তোমাৰ চৰণত শতকোটি নমস্কাৰ।◆

**কণিকা লহকৰ তালুকদাৰ**

## জয়াৰ দেশ

জয়াৰ তেজেৰে ৰাঙলী হ'ল
সিদিনা অসম দেশ
আজি কিয় অসমীয়াৰ
এনে কৰণ বেশ
গাঁৱে গাঁৱে জ্বলিছে জুই
ভায়ে ভায়ে বিভেদ মন
সময়ৰ শিকনি ল'বৰ হ'ল
এৰি আপোন পৰ
কেনেকৈ ৰাখিম অসমৰ বৰঘৰ
বৰঅসম আজি ভাঙি ছিঙি গ'ল
বৰলুইত জানো থাকিব বৈ
জয়াৰ দেশৰ ৰঘুমলা জাক
উভালি পেলাবৰ হ'ল
চাওঁতে চাওঁতে অসম আজি ভাঙি-ছিঙি গ'ল।
জয়াৰ তেজেৰে ধোৱা অসমত
নাই আপোন-পৰ
বুজিও নুবুজো কিয় অসমীয়া
শতৰুৱে বান্ধিছে গড়
চকুৰ আগতে ভাঙিছে বৰঘৰ।।◆

**বিন্দুপ্ৰভা হাজৰিকা**

## তুমি আৰু মই

আজিৰ নহয় মোৰ
বহু দিনৰ চিনাকি
এই জোপা গছৰ স'তে

অন্ততঃ চৌৰাশি লাখ বাৰ
এইগছ জোপাৰ তলত বহি
মই তোমাৰ স'তে কথা পাতিছোঁ
আমাৰ মিলনৰ কথা

মন্ত্ৰ মুগ্ধৰ দৰে বহুবাৰ
তোমাৰ ৰূপত মুগ্ধ হৈ
মই চকু মুদিছিলো

কেতিয়াবা অবুজ ভাষাৰে
কেতিয়াবা চকুৰ চাৱনিৰে
মই তোমাক প্ৰেম নিৱেদন কৰিছিলো
এইজোপা গছৰ তলতে

বিনিময়ত
এদিন তুমি মোৰ কণ্ঠত চেতনা দিলা
মই গীত গাম প্ৰেমৰ গীত
তোমাৰ আৰু মোৰ মিলন-বাসনাৰ গীত
"তুমি মোৰ মই তোমাৰেই"।◆

**জগদীশ তালুকদাৰ**

## প্ৰয়োজন

আহিনৰ এটি জোনাকত
তুমি আহিছিলা
এজাক উমাল পোহৰ হৈ,
তোমাৰ ভক্তিৰ নৈয়ে ধুৱাই নিছিলা
সভ্যতাৰ য'ত নিষ্প্ৰভ নিশাবোৰ
তুমি ঢালি দিছিলা প্ৰতিজনৰ হৃদয়ত
এসাগৰ সমন্বয়ৰ সাতো ৰং....
তুমি আমাৰ মাতত, তুমি আমাৰ নাটত
তুমি সৰ্বগুণাকৰ, যুগনায়ক...

কিন্তু তোমাৰ পাৰিজাত পথৰ সুবাস
আমি এতিয়াও ল'ব পৰা নাই।
ক্ৰমে অমানিশাবোৰে আৱৰি ধৰিছেহি।
হেৰুৱাব খুজিছোঁ সেই জোনাক, আহিনৰ জোনাক
গুৰু আকৌ এবাৰ প্ৰয়োজন তোমাক।◆

**সুৰজিৎ ভৰালী**

## হৃদয় আকাশৰ জোন

হৃদয় আকাশৰ জোন তুমি
পোহৰ আছা ধৰি
আঁতৰি যেন নোযোৱা কেতিয়াও
হৃদয় অন্ধকাৰ কৰি।
প্ৰাণ ধন তুমি সখা কৃষ্ণ
কোনো ক্ষণে নেৰিবা মোক
জীৱনে মৰণে তুমিয়েই আশ্ৰয়
দুখতো নকৰো শোক।
তোমাৰ দুখনি চৰণ ধিয়াই
মনটি উপচি পৰে
তোমাৰ মহিমাৰ কথাবোৰ ভাবি
মহানন্দৰ লোতক সৰে
তুমি সুন্দৰ তুমি দয়াৰ সাগৰ
য'তেই তোমাৰ ভক্ত, ত'তেই তুমি
তোমাৰ গুণ গাই নালাগে ভাগৰ।◆

**অম্বেশ্বৰী বিশ্বকৰ্মা**

# বক্তা প্ৰশিক্ষণ কৰ্মশালা

**দৰং ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, দৰং জিলা প্ৰচাৰ শাখাৰ উদ্যোগত কেন্দ্ৰীয় নামঘৰ পৰিচালনা সমিতিৰ সহযোগত ১৭/৮/২০১৩ আৰু ১৮/৮/২০১৩ তাৰিখে কেন্দ্ৰীয় নামঘৰ (মঙ্গলদৈ)ত দুদিনীয়াকৈ বক্তা প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। প্ৰশিক্ষণ কৰ্মশালাভাগি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰক শ্ৰীপ্ৰমোদ শইকীয়া বাপ আৰু শ্ৰীদুলাল বৰুৱা বাপ দুজনাই বক্তা প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত বক্তা প্ৰশিক্ষণ কৰ্মশালাত ১৫খন আঞ্চলিকৰ বাপ-আই উপস্থিত থাকি কৰ্মশালাভাগি সাফল্যমণ্ডিত কৰে। কৰ্মশালা ভাগি উদ্বোধন কৰে জিলা সভাপতি মাননীয় শ্ৰীতাৰিণী চহৰীয়া বাপজনাই। ইয়াৰ উপৰি মূল সংস্কৃতি শাখাৰ সভাপতি শ্ৰীবসুন্ধৰ ডেকা, মূলৰ সদস্য শ্ৰীমহেন্দ্ৰ বৈশ্য, শিক্ষা সমিতিৰ সদস্য শ্ৰীৰামচন্দ্ৰ ডেকা বাপ উপস্থিত থাকে।◆

# বিশ্ব খৰাং আৰু মৰুকৰণ বিৰোধী দিৱস

**তিনিচুকীয়া ঃ** বিশ্ব খৰাং আৰু মৰুকৰণ বিৰোধী দিৱসৰ লগত সঙ্গতি ৰাখি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ তিনিচুকীয়া জিলা সাখাৰ অন্তৰ্গত পূৰ্বাঞ্চল আঞ্চলিক শাখাই বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শুভাকাঙ্খী ফিল'বাৰী ৰংপুৰ মেছাঁৰৰ নিবাসী উদীয়মান যুৱক শ্ৰীবিজুৰেল গগৈদেৱৰ সহযোগত আঞ্চলিক শাখাৰ সভাপতি শ্ৰীঅম্বিকাচৰণ নেওগ, অধিনায়ক শ্ৰীঅনন্ত বৰগোহাঁই আৰু জিলাধিনায়ক শ্ৰীবদন গগৈ বাপসকলে ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া মহোদয়ৰ কাৰ্যালয়ৰ পৰা কৃষ্ণচুড়া, অৰ্জুন, বকুল ইত্যাদিৰ পুলিসমূহ অনা হয়। আঞ্চলিক শাখা সভাপতিৰ উদ্যোগত সম্পাদক শ্ৰীসুৰুন শইকীয়া বাপে আঁতধৰা পৰিচয় পৰ্বত জিলা সভাপতি শ্ৰীচেনিৰাম বৰা বাপ, ফিল'বাৰী চাহ বাগিচাৰ পৰিচালক, চিকিৎসক আৰু জনকল্যাণ বিষয়া সকলোকে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়। চাহ বাগিচাৰ পৰিচালক মহোদয়ে বিশ্ব খৰাং আৰু মৰুকৰণ বিৰোধী দিৱসৰ উপলক্ষে সাৰগৰ্ভ ভাষণ প্ৰদান কৰি ৰোপণ কাৰ্য শুভাৰম্ভ কৰে। অনুষ্ঠানটিত উপস্থিত থকা জিলা সদস্য, বিষয়ববীয়াই আৰু শতকাধিক ভকত-বৈষ্ণৱ, আই-মাতৃ, সেৱাবাহিনীৰ সেৱক-সেৱিকাৰ সহযোগত পাঁচ শতাধিক গছপুলি ৰোপণ কৰে।◆

## ন্যাস পুঁজি

| নাম | জিলাৰ নাম | বৰঙণি |
|---|---|---|
| সুদমা প্ৰাথমিক শাখা | কলিয়াবৰ জিলা | ১০০০/- |
| শ্ৰীডম্বৰু বৰা আৰু পৰিয়াল | মধুপুৰ প্ৰাথমিক, বিশ্বনাথ জিলা | ১০,০০০/- |
| শ্ৰীৰুদ্ৰ বৰা | ৰঙামাটি পুৱ প্ৰাথমিক, বিশ্বনাথ | ৫০০/- |
| শ্ৰীপ্ৰৱীণা বৰা | ৰঙামাটি পুৱ প্ৰাথমিক, বিশ্বনাথ | ৫০০/- |

# শোকবাৰ্তা



**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চাচনী মৌজা আঞ্চলিক শাখাৰ অন্তৰ্গত বিষ্ণুজ্যোতি প্ৰাথমিক শাখাৰ একনিষ্ঠ সঙ্গী দুতিকান্ত হাজৰিকা বাপৰ বাৰ্ধক্যজনিত কাৰণত যোৱা ১৫/৬/২০১৩ তাৰিখে ৬১ বছৰ বয়সত বৈকুণ্ঠগামী হয়। তেখেত আঞ্চলিক শাখাটিৰ উপ-সভাপতি আৰু সাহিত্য শাখা সভাপতি আসন অলঙ্কৃত কৰিছিল। তেখেত নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আছিল। তেখেতৰ বৈকুণ্ঠী সময়ত পত্নীসহ এজন পুত্ৰ-বোৱাৰী, তিনিগৰাকী কন্যাৰ আৰু নাতি-নীতিনী এৰি থৈ যায়।◆

**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চাচনী মৌজা আঞ্চলিক শাখাৰ অন্তৰ্গত অমূল্যবস্তী প্ৰাথমিক শাখাৰ একনিষ্ঠ সঙ্গী বিশেশ্বৰ হাজৰিকা বাপে অসম মেডিকেল কলেজ হস্পিটেলত চিকিৎসাধীন অৱস্থাত যোৱা ২২/৬/২০১৩ তাৰিখে ৫৯ বছৰ বয়সত বৈকুণ্ঠগামী হয়। তেখেত চাচনী মৌজা আঞ্চলিক শাখাৰ সভাপতি আসন অলঙ্কৃত কৰিছিল। তেখেতৰ বৈকুণ্ঠী সময়ত পত্নীসহ এজন পুত্ৰ-বোৱাৰী, চাৰিগৰাকী কন্যা এৰি থৈ যায়।◆

**ডিব্ৰুগড় ঃ** বৰবাম গাঁৱৰ নিবাসী প্ৰয়াত সোণাৰাম গগৈ বাপে যোৱা ১০/৮/২০১৩ তাৰিখে ৬২ বছৰ বয়সত ইহসংসাৰ ত্যাগ কৰে। তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চাচনী মৌজা আঞ্চলিক শাখাৰ অন্তৰ্গত শ্যামল প্ৰাথমিক শাখাৰ একনিষ্ঠ সঙ্গী আছিল। তেখেতৰ বৈকুণ্ঠী সময়ত পত্নীসহ তিনিগৰাকী কন্যা এৰি থৈ যায়।◆

**ডিব্ৰুগড় ঃ** ২নং হাবি চেঙেলীজান গাঁৱৰ নিবাসী প্ৰয়াত ধৰ্মেশ্বৰ হাজৰিকাবাপে যোৱা ১৯/৬/২০১৩ তাৰিখে ডিগবৈ আ.অ.চি. হস্পাতালত চিকিৎসাধীন হৈ থকা অৱস্থাতে হৃদৰোগত আক্ৰান্ত হৈ বৈকুণ্ঠগামী হয়। তেখেত শিক্ষকতাৰ চাকৰি জীৱন পাতনি মেলি পিছত পঞ্চায়তৰ সচিব পদত নিযুক্তি লাভ কৰে। বাপজনাই ডেকাগিৰি আঞ্চলিক শাখাৰ সভাপতি পদো অলঙ্কৃত কৰিছিল। এওঁ এজন সৎ আদৰ্শবান ব্যক্তি আছিল। মৃত্যু সময়ত তেখেতে তিনি পুত্ৰ, দুগৰাকী বোৱাৰী, চাৰিগৰাকী কন্যাৰ লগতে নীতি-নাতিনী এৰি থৈ যায়।◆

# কৃতিত্ব



**বঙাইগাঁও ঃ** সদ্যঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ শ্ৰীৰাইনা দাসে ৮৮.৫% নম্বৰ পাই ডিষ্টিংচনসহ উত্তীৰ্ণ হয়। ইয়াৰ উপৰি তেওঁ ইংৰাজী বিষয়ত ৯৭% নম্বৰ পাই বঙাইগাঁও জিলাৰ ভিতৰতে সৰ্বস্ব নম্বৰ পাইছে। শ্ৰীৰাইনা দাস শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ বঙাইগাঁও জিলা শাখাৰ একান্ত সঙ্গী শ্ৰীউজ্জ্বল দাস বাপ আৰু শ্ৰীঅনিমা দাস আইগৰাকীৰ একমাত্ৰ কন্যা।◆



**নগাঁও ঃ** উচ্চ বুনিয়াদী বৃত্তি পৰীক্ষা লাভ কৰে ধিং আঞ্চলিক শাখাৰ শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীভৱ ভৰালী আৰু শ্ৰীদিপ্তী ভৰালীৰ পুত্ৰ শ্ৰীবিকাশজ্যোতি ভৰালীয়ে।◆



**নগাঁও ঃ** শ্ৰীচন্দনা হাজৰিকাই নিম্ন বুনিয়াদী বৃত্তি পৰীক্ষা লাভ কৰে। এওঁ ধিং আঞ্চলিক শাখাৰ ৰত্নগৰ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীপৰাগমণি হাজৰিকা আৰু শ্ৰীজ্যোতি হাজৰিকাৰ কন্যা।◆



**নগাঁও ঃ** শ্ৰীগিৰিশ ভৰালী আৰু শ্ৰীৰাণী কাকতি ভৰালীৰ কন্যা শ্ৰীচিন্ময়ী ভৰালীয়ে সদ্য ঘোষিত নিম্ন বুনিয়াদী বৃত্তি পৰীক্ষা লাভ কৰে। এওঁ ধিং আঞ্চলিক শাখাৰ শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰাথমিক শাখা সঙ্গী।◆



**নগাঁও ঃ** নিম্ন বুনিয়াদী বৃত্তি পৰীক্ষা লাভ কৰে ধিং আঞ্চলিক শাখাৰ গোপাল আতা প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীধ্ৰুৱজ্যোতি দাস আৰু শ্ৰীসাবিত্ৰী দাসৰ কন্যা শ্ৰীকস্তুৰীমা দাসে।◆



**মৰিগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মৰিগাঁও জিলা শাখাৰ অন্তৰ্গত পুব আঞ্চলিক শাখা, শ্ৰীসংযুক্ত প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীসুবোধ বেজবৰুৱাই সদ্য ঘোষিত প্ৰাথমিক বিদ্যালয়ৰ বৃত্তি পৰীক্ষাত সোণাৰুগুৰি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ পৰা বৃত্তি লাভ কৰি আঞ্চলিক, প্ৰাথমিক শাখালৈ সুনাম কঢ়িয়াই আনে।◆



**ডিব্ৰুগড় ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ চাচনী মৌজা আঞ্চলিক শাখাৰ অন্তৰ্গত গজপুৰীয়া প্ৰাথমিক শাখাৰ শ্ৰীশৰ্মিষ্ঠা গগৈয়ে ২০১২-২০১৩ বৰ্ষৰ অষ্টম শ্ৰেণীৰ বৃত্তি লাভ কৰিছে। এওঁ ডিব্ৰুগড় জিলাৰ ভিতৰ তৃতীয় স্থান আৰু সদৌ অসম ভিত্তিত ৪২ সংখ্যক স্থান লাভ কৰিছে। এওঁ চাচনী মৌজা আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীহৰিপ্ৰসাদ গগৈ আৰু শ্ৰীচন্দ্ৰমা গগৈৰ কন্যা।◆



**বজালী ঃ** সদ্যঘোষিত হাইস্কুল শেষান্ত পৰীক্ষাত বজালী জিলা শাখাৰ অন্তৰ্গত পাটাছাৰকুছি প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীহৰিপদ কলিতা আৰু শ্ৰীবুলু কলিতাৰ পুত্ৰ ধৃতিমান কলিতাই গণিত, উচ্চ গণিত, বিজ্ঞান, ইংৰাজী বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ জ্ঞানীদীপ একাডেমী স্কুলৰ ছাত্ৰ।◆



**বজালী ঃ** শ্ৰীত্ৰিদিব দাসে সদ্যঘোষিত হাইস্কুল শেষান্ত পৰীক্ষাত অসম জাতীয় বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ গণিত, উচ্চ গণিত, অসমীয়া, ইংৰাজী, বিজ্ঞানত ৮৭ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ বজালী জিলা জিলা শাখাৰ অন্তৰ্গত অকয়া প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীমুনীন্দ্ৰ কুমাৰ দাস আৰু শ্ৰীনলিনী দাস আইৰ পুত্ৰ।◆



অকণিৰ পৰশত, শিল্পী ঃ শিৱাঙ্গী তালুকদাৰ (৭ম মান, গুৱাহাটী)



অকণিৰ পৰশত, শিল্পী ঃ ৰিদিপ বেজবৰুৱা (৪ৰ্থ মান, গুৱাহাটী)

গল্প

# ধন আৰু ধৰ্ম

**ৰথীন্দ্ৰ দত্ত**

‘দেউতা, আপুনি যদি আমাৰ ভাড়াঘৰটোত আজি ৰাতিটোৰ বাবে আশ্ৰয় নাপালেহেঁতেন, তেন্তে কি কৰিলেহেঁতেন?” ভাড়াঘৰটোৰ চাৰিটা ল’ৰাৰ ওখ ক্ষীণ চেহেৰাৰ ল’ৰাটোৱে মীনাৰাম সন্দিকৈক সুধিলে।

নগৰখনৰ দক্ষিণ দিশেৰে পাৰ হৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথটোৰ কাষৰ বাঁহৰ বেৰ দিয়া টিনপাতৰ এটা ঘৰ। ঘৰটোৰ ওচৰতে ৰাষ্ট্ৰীয় পথৰ সৈতে এটা গড়কাপ্তানি পথে চাৰিআলিৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰীয় পথৰ উত্তৰ ফালে অনতিদূৰৰ নগৰখনলৈ সোমাইছে। ঘৰটো ৰাষ্ট্ৰীয় পথ আৰু গৰকাপ্তানি পথৰ চুকতে যদিও তালৈ অহা-যোৱা কৰা পথটো গড়কাপ্তানি পথটোৰ পৰাহে আছে।

“মইনো কি কৰিম অ’ বোপাই, ঈশ্বৰে যি কৰায় সেইটোহে হ’ব।” সন্দিকৈয়ে উত্তৰ দিলে। তেওঁৰো ভাল লাগিল— চাৰিটা কৰ্মঠ, স্পষ্টবাদী, তজবজীয়া অসমীয়া ল’ৰা পাই। সিহঁতৰ বৃত্তিবোৰ কিন্তু ডাঙৰ নহয় বা তথাকথিত ভদ্ৰলোকৰ বাবে সুবিধাজনক নহয়। বীৰেণ বোলাটোৱে ৰিক্সা চলায়, ফাৰুকে দোকান দিয়ে, মাণিকে ফাৰ্ণিছাৰ এখনত কাঠমিস্ত্ৰী কাম কৰে আৰু ৰত্নেশ্বৰে দিন হাজিৰা কৰি ফুৰে য’তে যি কাম ওলায়। কামক লৈ কিন্তু সিহঁতৰ সৰু-বৰ ভেদভাব নাই। তাৰে মাণিক বোলা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গীৰ ঘৰৰ ল’ৰাটোৱে মীনাৰামক কথা প্ৰসঙ্গত ক’লে— “ময়ো সেৱাবাহিনীৰ দায়িত্ব লৈ দুবছৰ আছিলো দেউতা, কিন্তু কি কৰিম? অসুখীয়া আৰু কোনো উপাৰ্জন নোহোৱা দেউতাই আমাৰ চাৰিটা ল’ৰা-ছোৱালীৰে পৰিয়ালটো চলাব নোৱাৰা হ’ল। বিয়া দিব লগা দুজনী ভনী আৰু ভাইটিৰ পঢ়াৰ কথা চিন্তা কৰি মই আহি এখন ফাৰ্ণিচাৰৰ দোকানতে কাম শিকাও হওক বুলি সোমাই ল’লোহি। এতিয়াও নিজৰ নিজৰ ৰোজগাৰৰ লগতে মানৱৰ সেৱাতে আমি এই ঘৰটোৰ বাসিন্দা আটাইকেইজনেই ব্যস্ত হৈ আছোঁ।” ল’ৰাকেইটা যদিও লোকচক্ষুৰ আঁৰত থাকি নিজৰ নৈতিক চৰিত্ৰ অটুট ৰাখি নৰৰূপী নাৰায়ণৰ সেৱাত আত্মনিয়োগ কৰি পেট প্ৰৱৰ্তাই আছে, সিহঁতো যেন অন্য এক সেৱাবাহিনীৰেই সদস্য এনে লাগিল মীনাৰাম সন্দিকৈৰ।

মীনাৰামৰ ঘৰ নগৰখনৰ পৰা চল্লিশ মাইল দূৰৰ নদীদ্বীপ মাজুলীৰ এখন ভিতৰুৱা গাঁৱত। আজিকালিৰ কিলোমিটাৰৰ জোখেৰে যাঠি কিলোমিটাৰৰ অধিক হ’ব। দূৰ হিচাপত বেছি নহ’লেও ব্ৰহ্মপুত্ৰখন পাৰ হ’বলগা হোৱাত যোগাযোগৰ অসুবিধাৰ বাবেহে অহা-যোৱা কৰোঁতে সময় বেছি লাগে।

উত্তৰাধিকাৰী সূত্ৰে পৈত্তিক সম্পত্তি দুপুৰা মাটি আৰু ঘৰটো পাইছিল মীনাৰামে। পঢ়াত বেয়া নাছিল যদিও ঘৰখন চম্ভালোতে আৰু মাক-দেউতাকক চোৱা-চিতা কৰোঁতে অষ্টম মানতে তেওঁ পঢ়া এৰিব লগা হ’ল। হ’লেও সৰু পুতেক অনন্ত পঢ়া-শুনাত ভাল আছিল। তাৰ লক্ষণ দেখি মীনাৰামৰ নিজৰ অসম্পূৰ্ণতাৰ দুখবোধ বহুখিনি লাঘৱ হৈ যোৱা যেন লাগিল। মেট্ৰিকত দুটা বিষয়ত লেটাৰসহ অনন্তই প্ৰথম বিভাগত উত্তীৰ্ণ হয়। পঢ়াশুনা সাং কৰি সি এতিয়া এচ.ডি.চি। এতিয়া চাকৰি তাৰ সি নিজৰ বাবে ঘৰ লোৱা নগৰখনতে। বিয়া-বাৰু কৰাই পত্নী ৰূপৰেখা আৰু দুটা সন্তানৰ সৈতে সি নিজা ঘৰতে বাস কৰিছে আজি সাতোটা বছৰ। তাৰ ঘৰ লোৱা পাতোঁতেই দক্ষিণপাৰৰ পুতেকৰ ওচৰলৈ তেওঁ আহিছিল।

*            *            *

ডাঙৰ পুতেকৰ লগত গাঁৱতে থাকে মীনাৰাম। ডাঙৰ পুতেক জয়ন্তই তেওঁৰে সৈতে সাতজনীয়া পৰিয়ালটো পোহপাল দিয়ে। জয়ন্তই ডাকঘৰৰ পিয়ন চাকৰি কৰে ওচৰৰে এখন গাঁৱত। ডা-দৰমহা বেছি নহয়। খেতিবাতি কৰিবলৈ দৰমহা দিয়া ল’ৰা এটা ৰাখিছে। তিনিটা ল’ৰা-ছোৱালী পঢ়াওঁতে জয়ন্তই নাকনি-কাণনি দেখিছে।

মীনাৰামক এটা কথাই আনন্দ দিয়ে, ডাঙৰ পুতেকে এটা দায়িত্বপূৰ্ণ চৰকাৰী চাকৰি কৰি আৰু ঘৰখনৰ সকলো দিশ তদাৰক কৰিও ধৰ্ম আৰু সমাজৰ প্ৰতি দায়বদ্ধতা পালন কৰিছে। তাৰ ল’ৰা-ছোৱালী কেইটাৰো গতি-গোত্ৰ বেয়া নহয়। কিন্তু জগতৰ ভালবিলাকৰ বিপৰীতে বেয়াও লুকাই থকাৰ দৰে তেওঁৰ ঘৰখনৰো এটা কথাই মীনাৰামৰ মনটো এক অবুজ বেদনাত ভাৰাক্ৰান্ত কৰি ৰাখিছে। সেইটো হ’ল বোৱাৰীয়েক ৰেণুৱে হাঁহ, পাৰ আৰু ছাগলী পোহে। অসমীয়া শ্ৰীমদ্ভাগৱতখন পঢ়ি প্ৰায় শেষ কৰা মীনাৰামৰ মতে এই জীৱ-জন্তুবোৰ পেহা কথাটোত হিংসা নিহিত আছে। অত্যন্ত আত্মবিশ্বাসী মীনাৰামৰ মতে তেওঁ ডেকাকালৰ পৰাই নিষ্ঠাৰে গুৰুধৰ্ম পালন কৰি আহিছে। এবাৰ তেওঁ বোৱাৰীয়েকক ভাগৱতৰ এই শাৰীকেইটা মাতি শুনাইছিল—

“হংস ছাগ পাৰ পক্ষী পোষে হুই।
পূজ বহা নদীত পেলাৱে অধোমুই।।
পূজ বিনে নাহি হয় আহাৰ তাহাৰ।
তাতে যমদূতে দেই ডাঙৰ প্ৰহাৰ।।”

একশৰণীয়া লোকৰ ঘৰতে জন্মলৈ ডাঙৰ-দীঘল হোৱা আৰু কলেজত দুশ্ৰেণী পঢ়া ৰেণুৱে নৰম সুৰতে কৈছিল— “এইবোৰ পুহিব লগা হৈছে পৰিয়ালটো চলিবলৈ টকা-পইচাৰ জোৰা মাৰিবলৈ, কিন্তু আমাৰ পেটত পোহাবোৰ কি হৈছে?” অলপপৰ তভউক মাৰি ৰেণুৱে পুনৰ ক’লে— “গদাধৰ ফুকনৰ পুতেক নয়নে যে সঙ্গী হৈও কুকুৰা-গাহৰিৰ ফাৰ্ম খুলিছে, সেইবোৰ কি হ’ব? অ’ ফুকন ধনী মানুহ আৰু পুতেকটোও কালৈকো ভয় নকৰা বিধৰ বাবে লগতে ফাৰ্মখনো ঘৰৰ পৰা অলপ দূৰত বাবেই তেওঁলোকৰ সাত খুন মাফ হয়।”

বোৱাৰীয়েকৰ উত্তৰে বিছাই ডকাদি ডাকিলে মীনাৰামক। বোৱাৰীয়েকৰ কথাবোৰৰ উত্তৰো চোন সেই সময়ত তেওঁৰ মগজুত নেখেলালে। দুটা কথাই তেওঁৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰিলে— “প্ৰথম কথা, তেওঁ এতিয়া এই তিনিকুৰি আঠ বছৰ বয়সতো সম্পূৰ্ণ নিৰামিষভোজী হ’ব পৰা নাই। দ্বিতীয়টো হ’ল, তেওঁ পো-বোৱাৰীক আৰ্থিকভাৱে কোনো সহায় কৰিব পৰা নাই। পুনৰ ভাবিলে— “তহঁতক জমাধন কিছুমান দিব পৰা নাই কি হ’ল, আজিৰ এই খুটি খাব পৰা অৱস্থা কৰিলেহি কোনে?” নিজৰ মনটোক আশ্বস্ত কৰিবৰ বাবেই সেই দিনাৰ পৰা তেঁ সম্পূৰ্ণ নিৰামিষভোজী হোৱাৰ সংকল্প ল’লে। বোৱাৰীয়েকে যেন আওপকীয়াকৈ হ’লেও তেওঁৰ উপকাৰহে কৰিলে।

কথা সিমানতে শেষ নহয়। পিতৃ-মাতৃক চোৱা-চিতা কৰাটো যে প্ৰতিজন সন্তানৰেই কৰ্তব্য সেই কথা কেতিয়াবা পাকে-প্ৰকাৰে সৰু পুতেক অনন্তলৈকে টোৱাই ৰেণুৱে। কিন্তু মীনাৰামৰ

(১৯ পৃষ্ঠাত চাওক)

# মুক্তি

**নলিনী ঠাকুৰীয়া**

মু মানে বন্ধন মুক্ত অৰ্থাৎ মুক্তি। ইয়াৰ আভিধানিক অৰ্থ অনেক আছে। অত্যধিক কৰ্মব্যৱস্ততাৰ পিছৰ আহৰি সময়খিনিক মুক্তি কয়। সাগৰত গৈ থকা নাওখন প্ৰতিকুল বায়ুৰ হেঁচাত তচনচ কৰিলে যাত্ৰীৰ ভয় লাগে অনুকুল বায়ুৰ বাবে নাওকনৰ শান্ত অৱস্থাটোক যাত্ৰীসকলে মুক্তি পোৱা বুলি কয়। সাংসাৰিক দুখ নিবৃত্তিকেই মুক্তি বোলা হয়। জে’শ্ৰৰ পৰা কয়েদী বিশ বছৰৰ পিছত মুক্তি পালে। প্ৰজাত বন্দী কৰি ৰখা চৰাইজনী সজাৰ পৰা ওলাই উন্মুক্ত আকাশত মুক্ত মনৰে উৰি থাকিল, চোৰটোক পুলিচে খালাছ দিলে, ল’ৰাজনে পৰীক্ষা দি মেট্ৰিকৰ বেৰখন পাৰ গ’ল অৰ্থাৎ মুক্তি পালে কেলেহুৱাজনেও দাসত্ব এৰি স্বনিৰ্ভৰশীল হ’ল— এইবোৰ সাংসাৰিক বা দৈহিক মুক্তি। পৰমব্ৰহ্মৰ সৃষ্ট জীৱশ্ৰেষ্ঠ মানৱক এক অদ্ভুত মায়াশক্তিয়ে বান্ধি ৰাখিছে। এই বান্ধোন হাতুৰীৰে কোবাই, দৰে ঘপিয়াই চিঙিব নোৱাৰি। পুত্ৰ, কন্যা, ভাৰ্যাৰ পোহপালৰ চিন্তা, অন্য উপায়ে ধন উপাৰ্জন কৰি পুঁজিপতি হোৱাৰ প্ৰচেষ্টা, সৎসঙ্গ ত্যাগ আৰু ঈশ্বৰৰ বিমুখ হোৱাৰ মানসিকতা— এইবোৰ হৈছে সাংসাৰিক বান্ধোন। গান্ধীজীয়ে লিখিছে— “য’ত দেহা তাত কৰ্ম থাকিবই, ইয়াৰ পৰা মুক্ত হ’ব নোৱাৰি। আমাৰ দৈনন্দিন জীৱনৰ কৰ্ম যেনে— ইন্দ্ৰিয়জলিত কৰ্ম, নিত্য নৈতিক কৰ্ম আৰু আত্মাৰ সদ্‌গতি অৰ্থে কৰা কৰ্ম। এই তিনিবিধ কৰ্ম আৰু আত্মাৰ সদ্‌গতি অৰ্থে কৰা কৰ্ম। এই তিনিবিধ কৰ্ম আমাৰ মোহৰ লগত যুক্ত। তাৰ পৰা উদ্ধাৰ পোৱাৰ উপায় নাই বুলি গান্ধীজীয়ে ঠিকেই কৈছে যদিও আত্মাৰ সদ্‌গতিৰ অৰ্থে কৰা কৰ্মই বাকী দুবিধ কৰ্মক নিঃশ্চিহ্ন কৰাটো আৱশ্যম্ভৱী। আধ্যাত্মিক চিন্তা শক্তিয়ে সাংসাৰিক বান্ধোন ছিঙি জীৱক এক শান্ত অৱস্থাত উপনীত কৰায়। এয়া হৈছে আধ্যাত্মিক মুক্তি। আধিদৈৱিক, আধিভৌতিক আৰু আধ্যাত্মিক তাপত জীৱ তাপিত হ’বলগা ..... । সত্ব, ৰজ আৰু তম— এই তিনিগুণ অতিক্ৰমি জীৱ ভগৱানৰ স্বৰূপ প্ৰাপ্ত হয়। তপ, জপ, যাগ-যজ্ঞ, ব্ৰত, উপবাস, পূজা-পাৰ্বন আৰু বলি-বিধান— এইবোৰ আধ্যাত্মিক সাধনাৰ অন্তৰ্ভুক্ত হ’লেও এনে সাধনাৰে জীৱ বৈকুণ্ঠত প্ৰৱেশ কৰিব নোৱাৰে। স্বৰ্গলৈ যায় আৰু পুণ্য ক্ষয় হ’লে পৃথিৱীলৈ ঘূৰি আহে। কিয়নো কলিত শ্ৰৱণ-কীৰ্তন শ্ৰেষ্ঠ ধৰ্ম। ভকত বৎসল কৰুণাময় ভগৱন্তৰ চৰণত শৰণ গ্ৰহণ কৰিলেহে জীৱৰ প্ৰতি ভগৱন্তই অনুগ্ৰহ প্ৰকাশ কৰে।

“তোমাৰ সেৱক ভৈলো নাৰায়ণ এ
নিশ্বয় তোমাৰ দিবাক লাগে প্ৰসাদ।
নিজ ভৃত্য কৰি লৈয়ো গোপীনাথ এ
তযু কৃপামাৰ মিলয় কোন প্ৰসাদ।।”

— ৮০১, নাম-ঘোষা

তাৰাৰ অনুগ্ৰহত জীৱ বৈকুণ্ঠপ্ৰাপ্ত হয়। জীৱাত্মা পৰমাত্মাত বিলীন হৈ যায়। জুইত পোৰা কাঠৰ অস্তিত্ব পুনৰ প্ৰকাশ নোহোৱাৰ দৰে জীৱাত্মাৰো অস্তিত্ব নাথাকে। প্ৰশ্ন হয় কোনোবা মুক্তিকামীয়ে কৈছে নে? তেওঁ মুক্ত হ’ল আৰু বৈকুণ্ঠ অমৃতৰস আচ্ছাদন কৰি পৰম তৃপ্তি পালে। এতিয়া মন কৰিবলগীয়া কথাটো হ’ল মুমুষ ব্যক্তিজনৰ মুক্তি পথৰ সন্ধান দাতাজন হ’ল— গুৰু। গুৰুৱে দেখুৱাই দিব কোনজন দেৱতাৰ নাম স্মৰণ কৰি ভকতপ্ৰাপ্ত হৈ নামৰ সেতু বান্ধি ভকতৰ বাসস্থান পৃথিৱীৰ পৰিমণ্ডল বাহি হৈ বৈকুণ্ঠত প্ৰৱেশ কৰিব পাৰি। গতিকে গুৰু, দেৱ, নাম, ভকত মুক্তিৰ চাৰি সূতি। এটাৰ অবিহনে মুক্তি অসম্ভৱ।

ভক্তি আৰু মুক্তিৰ সম্পৰ্ক আছে। ভকতি ৰাণী আৰু মুক্তি দাসী। ভকতি কৰিলেই মুকুতি মিলিবাই।

“যাহে ভকতি তাহে মুকুতি।”
মুক্তি পুনু ভকতিৰ প্ৰাসঙ্গিক মাত্ৰ।
ভকতি কৰন্তে মুকুতিৰ হোৱে পাত্ৰ।”

— বৰগীত

একান্ত ভকতে মুক্তি নিবিচাৰে। তেওঁলোকে জীৱমুক্ত অৱস্থাত থাকে। বৈকুণ্ঠত জীৱমুক্ত অৱস্থাত থাকি পৰমাত্মাক ভজি তৃপ্তি পায়।

“সদা ভক্তি সুখ সহিত বৈকুণ্ঠ
ঐশ্বৰ্য্য সমে মুকুতি।
একান্ত ভকতে পাৰে আনজনে
নপাৰে শুনা যুগুতি।।”

— ভক্তি-ৰত্নাৱলী

শ্ৰীকৃষ্ণৰ কেইবাজনো জীৱমুক্ত ভকত আছিল। তাৰ ভিতৰত উদ্ধৱ, মুচুকুন্দ, অৰ্জুন আদিৰ নাম উল্লেখ কৰিব পাৰি। কীৰ্ত্তনত কৃষ্ণই উদ্ধৱক জীৱমুক্ত হ’বলৈ আদেশ দিছে এনেদৰে—

“মোহোৰ কৃপালে লভিলা পাৰ।
আউৰ জন্ম দুনাই নাহি তোমাৰ।।”

— কীৰ্ত্তন, ২০০৯

নাৰদ, শুক, সনতকুমাৰ, অনন্ত আদি মুনিসকলে মুকুতি সুখ ত্যাগ কৰি জীৱমুক্ত হ’বলৈ সক্ষম হয়।

“নাৰদ সনত কুমাৰ অনন্ত
শুক মুনি আদি কৰি।
মুকুতি সুখক ঠেলি ৰাম নাম
সদায়ে ফুৰে সুমৰি।।”

— নাম-ঘোষা, ৩৫৩

সন্তৰ সঙ্গত একান্ত ভকতসকলে সত্ব, ৰজ, তম— তিনিগুণৰ অতীত নিৰ্গুণ কৃষ্ণৰ গুণ য’ত কীৰ্তন কৰে ভগৱন্তই বৈকুণ্ঠ আৰু যোগাসনত থকা যোগীসকলৰ হৃদয় ত্যাগ কৰি তাত প্ৰৱেশ কৰে। একান্ত ভকতে সেই ঠাইত বৈকুণ্ঠ ভাবনাৰে সদায় ভগৱন্তৰ গুণ, যশ, কীৰ্তন কৰি জীৱমুক্ত হয়। মৈত্ৰেয়, জাম্বৱন্ত, বিভীষণ, বিদূৰ আৰু উদ্ধৱ— এই সকল ..... ঈশ্বৰবাদী ভকত। একান্ত ভকত প্ৰাদে যত হৰি থকা বুলি হিৰণ্যকশিপুক দেখুৱালে তাত হৰি নৰসিংহৰূপে আৱিৰ্ভাৱ হ’ল—

(১৯ পৃষ্ঠাত চাওক)

# শিশু-দিৱস আৰু জন্মাষ্টমী

**গুৱাহাটী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ৰূপনগৰ প্ৰাথমিক শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিয়ে ২৮ আগষ্ট, ২০১৩ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে শঙ্কৰী সংস্কৃতি কেন্দ্ৰ ৰূপনগৰ কেন্দ্ৰীয় নামঘৰত শ্ৰীকৃষ্ণ জন্মাষ্টমী উপলক্ষে শিশু দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৫.৩০ বজাত প্ৰাতঃ প্ৰসঙ্গ, ৮.৩০ সামূহীয়া নাম-প্ৰসঙ্গ অনুষ্ঠিত কৰা হয়। ১০.৩০ বজাৰ পৰা শিশুসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে চিত্ৰাঙ্কন আৰু কুঁইজ প্ৰতিযোগিত অনুষ্ঠিত কৰা হয়। ক আৰু খ শাখাত অনুষ্ঠিত চিত্ৰাঙ্কন প্ৰতিযোগিতা পৰিচালনা কৰে মাধৱদাস হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত দিলীপ কুমাৰ দাসে। ক শাখাত ১ম স্থান ঃ শ্ৰীৰিদিপ বেজবৰুৱা, ২য় স্থান ঃ শ্ৰীভাৰ্গৱ শইকীয়া, ৩য় স্থান ঃ শ্ৰীউপমা তালুকদাৰ। খ শাখাত ১ম স্থান ঃ শ্ৰীশিৱাঙ্গী তালুকদাৰ, ২য় স্থান ঃ শ্ৰীহীৰকজ্যোতি মুছাহাৰী, ৩য় স্থান ঃ শ্ৰীনিখিল বৈশ্য।

কুঁইজ প্ৰতিযোগিতা শিশু আৰু আইসকলে অংশগ্ৰহণ কৰে আৰু পৰিচালনা কৰে প্ৰাথমিকৰ শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী শ্ৰীবিজয়া দোলাকাষৰীয়া আইয়ে। শিশুসকলৰ কুঁইজ প্ৰতিযোগিতাত ১ম স্থান ঃ শ্ৰীবিশ্বজিৎ ডেকা, ২য় স্থান ঃ শ্ৰীবিতোপন ডেকা আৰু শ্ৰীসমীৰণ ডেকা, ৩য় স্থান ঃ শ্ৰীশ্ৰেয়ম বি. বৰুৱা আৰু শ্ৰীআৰোহণ চক্ৰৱৰ্তী। আইসকলৰ কুঁইজ প্ৰতিযোগিতাত ১ম স্থান ঃ শ্ৰীঅমলপ্ৰভা হাজৰিকা, ২য় স্থান ঃ শ্ৰীপ্ৰতিমা কলিতা, ৩য় স্থান ঃ শ্ৰীউপমা তালুকদাৰ।

শিশুসকলৰ প্ৰাৰ্থনা-ঘোষা প্ৰতিযোগিতাত ১ম স্থান ঃ শ্ৰীশ্ৰেয়ম বি বৰুৱা, ২য় স্থান যুটিয়াভাৱে ঃ শ্ৰীশ্ৰেয়া ৰাজবংশী আৰু শ্ৰীউপমা তালুকদাৰ আৰু ৩য় স্থান ঃ শ্ৰীউপমা তালুকদাৰ।

প্ৰতিযোগিতাৰ অন্তত প্ৰাথমিক শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ শাখাৰ সম্পাদিকা শ্ৰীকনমাই ডেকাআয়ে শিশু আৰু আইসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন জনায়। কাৰ্যসূচী অনুসৰি মথুৰা দাস বুঢ়া আতা আঞ্চলিক শাখা সমিতিৰ সম্পাদিকা শ্ৰীবিনু কলিতাআইৰ নেতৃত্বত দিহানাম পৰিৱেশন কৰে। সন্ধিয়া ৬.৩০ বজাত বন্তি প্ৰজ্বলন, সন্ধিয়া ৭.০০ বজাত ৰূপনগৰ, লাচিতনগৰ, কল্পতৰু আৰু দিশপুৰ প্ৰাথমিক শাখাৰ সহযোগত সামূহীক নামপ্ৰসঙ্গ অনুষ্ঠিত হয়।◆

# শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ

**ডিব্ৰুগড় ঃ** "শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্যতম অনুষ্ঠান শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ। যুৱ প্ৰজন্মক আধ্যাত্মিক দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ অনুষ্ঠিত কৰা হয়। যুৱ সমাজ আধ্যাত্মিক দিশত আগবাঢ়িলেহে সমাজ তথা দেশৰ উন্নতি আশা কৰিব পাৰিব।" ডিব্ৰুগড় জিলা শাখাৰ অন্তৰ্গত মৰাণ আঞ্চলিক শাখাৰ ১৭ সংখ্যক শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহৰ ১ ছেপ্টেম্বৰ তাৰিখে ধৰ্মলোচনী সভাত সঙ্ঘৰ পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্ত বাপজনাই এনেদৰে কয়। আটকধুনীয়া আৰু সুশৃঙ্খলতাৰ বাবে ভূয়সী প্ৰশংসা কৰে জিলা সম্পাদক তথা মুকলি সভাৰ উদ্বোধক শ্ৰীযুত গোবিন নেওগবাপে। প্ৰাক্তন উপ-পদাধিকাৰ আৰু প্ৰচাৰক শ্ৰীযুত প্ৰমোদ শইকীয়াবাপে দেশ তথা জাতি উদ্ধাৰৰ নিমিত্তে সৃষ্টি কৰা শঙ্কৰী সাহিত্য বৈশিষ্ট্য আৰু প্ৰয়োজনীয়তাৰ সম্পৰ্কত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। মৰাণ আঞ্চলিক শাখাৰ সভাপতি শ্ৰীহেম গগৈয়ে সঞ্চালনা কৰা সভাত লক্ষীমপুৰৰ আইমাতৃ বক্তা শ্ৰীবীণা শইকীয়াৰ তত্ত্বগধুৰ ভাষণেৰে ৰাইজক মোহিত কৰে। উক্ত সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক ছাত্ৰ শ্ৰীমৃণাল কুমাৰ বৰুৱাই যুৱবক্তাৰ ভাষণত 'মহাপুৰুষ' শব্দৰ তাৎপৰ্য, সমাৰোহৰ প্ৰয়োজনীয়তা, শঙ্কৰী সাহিত্যৰ অধ্যয়নৰ সম্পৰ্কত তথ্য সমৃদ্ধ উদ্ধৃতিৰে ৰাইজক মুগ্ধ কৰে। মৰাণ আঞ্চলিকৰ প্ৰচাৰক শ্ৰীনিৰ্মল কোঁচবাপে আঁতধৰা সভাখনিত ৭০ বছৰৰ উৰ্দ্ধ ৪০গৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হয়। কাৰ্যসূচী অনুসৰি ৩১ আগষ্ট তাৰিখে নাম-প্ৰসঙ্গ, ধৰ্মধ্বজা উত্তোলন আৰু দিনৰ ১১ বজাত শ্ৰীযুতা ৰেখা শইকীয়া আয়ে উদ্বোধন কৰা মঞ্চত সাহিত্য আৰু সংস্কৃতি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দিনৰ ৩ বজাত মৰাণ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° ভানুপ্ৰভা শইকীয়া দত্তই উদ্বোধন কৰা আই-মাতৃ আৰু সেৱাবাহিনীৰ সাধাৰণ পৰিষদৰ সভাখনি সঞ্চালনা কৰে আঞ্চলিক শাখাৰ সভাপতি শ্ৰীযুত হেম গগৈবাপে। উক্ত সমাৰোহত অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰসমূহ শ্ৰীযুত লৱন দত্ত আৰু তেখেতৰ পৰিয়ালগৰ্বই আগবঢ়োৱা তেখেতৰ পিতৃ প্ৰয়াত ৰামনাথ দত্ত আৰু মাতৃ মাখনী দত্ত সোঁৱৰণী বঁটা প্ৰদান কৰা হয় বিজয়ী প্ৰতিযোগীসকলক। উল্লেখযোগ্য যে দুয়োদিনৰ কাৰ্যসূচীভাগি সম্পূৰ্ণ প্ৰদূষণমুক্ত ৰূপে সমাপন কৰিবলৈ সক্ষম হয় আদৰণি সমিতিয়ে।◆

# খোলবাদ্যৰ জোৰা-উঠা বাজনা (গানিকা) শীৰ্ষক গ্ৰন্থ উন্মোচন

**নগাঁও ঃ** "মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে একমাত্ৰ ধৰ্মগ্ৰন্থ ৰচনা আৰু ধৰ্ম প্ৰচাৰতে সীমাবদ্ধ নাথাকি নাট-ভাওনা, গীত-বাদ্যৰ মাধ্যমেদি অসমক চহকী কৰি থৈ গৈছে। অসমৰ গাঁৱে-ভূঞে, খোলবাদ্য, নৃত্য-গীতৰ সমন্বয়ত ভক্তিৰসৰ লগতে বিশেষকৈ সাংস্কৃতিৰ সেঁতু নিৰ্মান কৰিছে। কিন্তু বায়নে প্ৰতি চাপৰটো আৰু গায়নে প্ৰতি ৰাগটো বোলা কথাষাৰিৰ দৰে মধ্য অসমৰ এই বৃহত্তৰ অঞ্চলক প্ৰচলিত অসমীয়া ভাওনাৰ বাজনাসমূহ (গানিকা)ৰ খোলবাদ্যৰ জোৰা আনতকৈ কিছু প্ৰভেদ।" যোৱা ১ ছেপ্টেম্বৰ দিনৰ ১১ বজাত নিজ মিকিৰগাঁৱৰ ঐতিহ্যপূৰ্ণ বুঢ়া নামঘৰত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত পণ্ডিত যোগেন্দ্ৰনাথ শইকীয়া (বায়ন, ব্যাকৰণ শাস্ত্ৰী)য়ে এই বক্তব্য আগবঢ়ায়। উল্লেখ্য যে বুৰঞ্জীত বৰ্ণিত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ শাসনকালত বহু চকীৰ বৰুৱাৰ অধীনৰ পাঁচোৰজাৰ অন্যতম মিকিৰ ৰাজ্যৰ ৰাজধানী আছিল এই নিজ মিকিৰ গাঁও। আহোমৰ কৰতীয়া মিকিৰ ৰাজ্যৰ পোৱালি ৰজা চেতুৰাৰ দিনতেই শঙ্কৰদেৱৰ নাতি বোৱাৰী আই কনকলতাই আহি বৰদোৱা থান পুনৰুদ্ধাৰৰ বাবে নিজ মিকিৰ গাঁৱত বাহৰ পাতিছিল, সেই সময়তে পোৱালি ৰজা চেতুৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শৰণ গ্ৰহণ কৰাৰ বিষয়ে জনা যায়। তেতিয়াৰে পৰা শঙ্কৰী কলা-সংস্কৃতিৰ প্ৰাদুৰ্ভাৱ ঘটে বাৰপূজীয়াৰ এই নিজ মিকিৰ গাঁৱত। তিৱা স্বায়ত্ত পৰিষদৰ ভোমোৰাগুৰি সমষ্টিৰ সদস্য ক্ষীৰেণ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত এই সভাতে শঙ্কৰী সংস্কৃতিৰ গৱেষক শ্ৰীঅতুল চন্দ্ৰ ডেকাৰ "খোলবাদ্যৰ জোৰা-উঠা বাজনা (গানিকা)" শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূলৰ প্ৰাক্তন সদস্য শ্ৰীঅৰুণী মোহন ডেকাই। ১নং বাৰপূজীয়া জিলা পৰিষদৰ সদস্য শ্ৰীপূৰ্ণ ভূঞা, সমাজকৰ্মী শ্ৰীপদ্ম ডেকা, চাবুকধৰা হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীঅৰুণ বৰদলৈ, বাৰপূজীয়া শাখা সাহিত্য সভাৰ সভাপতি শ্ৰীপুতুল চন্দ্ৰ ডেকা আৰু চাপৰমুখ বি. বি. হাগুৱাৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীমালিৰাম নাথে ভাষণ আগবঢ়োৱা সভাখনত ৫০ৰো অধিক গায়ন-বায়নৰ লগতে নগাঁও, মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰায় দুই শতাধিক ভকত-বৈষ্ণৱ উপস্থিত থাকে। কণ্ঠশিল্পী জ্যোতিকা ডেকাই সুন্দৰ বৰগীত পৰিৱেশনৰে শুভাৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনৰ উদ্দেশ্যে ব্যাখ্যা কৰে গ্ৰন্থ উন্মোচনী সভাখনৰ উদ্যোক্তা নিজ মিকিৰ গাঁও ১নং প্ৰাথমিক শাখাৰ সম্পাদক শ্ৰীদুলু ডেকাই।

*প্ৰতিবেদক— শ্ৰীহেমন্ত কুমাৰ ডেকা*

# গোহাৰি

**গুৱাহাটী ঃ** অহা ইং ১১, ১২ আৰু ১৩ অক্টোবৰ, ২০১৩ তাৰিখে গুৱাহাটী মহানগৰী জিলা শাখাৰ ১৯সংখ্যক বাৰ্ষিক শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহভাগি শ্ৰীৰাম আতা আঞ্চলিক শাখাৰ আতিথ্যত নুনমাটিৰ শঙ্কৰী কলা কৃষ্টি কেন্দ্ৰ মাধৱপুৰত অনুষ্ঠিত কৰা হ'ব। উক্ত সমাৰোহভাগিত বোকাখাত জিলাত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় শিশু, আই-মাতৃ আৰু যুৱ সমাৰোহৰ প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগী নিৰ্বাচন কৰা হ'ব।

সেয়ে আঞ্চলিক শাখাৰ প্ৰতিযোগীসকলক নিৰ্বাচন কৰি জিলা শিশু, যুৱ, আৰু আই-মাতৃ সমাৰোহৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰাকৈ তালিকা প্ৰেৰণ কৰিবলৈ সেৱা ধৰা হ'ল।

সম্পাদক
সংস্কৃতি শাখা, গুৱাহাটী মহানগৰী জিলা

## শঙ্কৰী সঙ্গীতৰ প্ৰতিযোগিতাৰ বিষয়বস্তু

### (শিশু, যুৱ আৰু আই-মাতৃসকল)

১। শিশু ঃ

(ক) বৰগীত ঃ বেলোৱাৰ, আশোৱাৰী, ধনশ্ৰী (প্ৰতি জিলা শাখাৰ পৰা এগৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰিব লাগিব। সময় ৪ মিনিট।

(খ) নৃত্য ঃ ঝুমুৰা নাচৰ গীত অংশ, সময় ৭ মিনিট। প্ৰতি জিলা শাখাৰ এটা দল।

(গ) গীত ঃ 'মোৰে জীৱনৰে সখা কৃষ্ণ' জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত। সময় ৫ মিনিট। প্ৰতি জিলা শাখাৰ পৰা এগৰাকী।

২। যুৱ ঃ

(ক) বৰগীত ঃ ললিত, বড়াৰি, ভূপালি (প্ৰতি জিলা শাখাৰ পৰা এগৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰিব। সময় ৪ মিনিট।

(খ) খোলবাদ্য ঃ ধৰ্মধ্বজা উত্তোলন, (গুৰুঘাটৰ পাতনি, সংশোধিত অংশ। দলগত।

(গ) নৃত্য ঃ (১) চালিনাচ গীতৰ অংশ, সময় ৭ মিনিট (২) ঝুমুৰা খেলা অংশ, ৪টা সচাৰ (নৃত্যসমূহ দলগত হ'ব লাগিব। প্ৰতি জিলা শাখাৰ পৰা এটা দলে অংশগ্ৰহণ কৰিব পাৰিব।)

(ঘ) দিহানাম-থিয়নাম ঃ সময় ১০ মিনিট (প্ৰতি জিলা শাখাৰ পৰা এটা দল)।

৩। আইমাতৃ ঃ

(ক) বৰগীত ঃ মাহুৰ, বসন্ত, মল্লাৰ (প্ৰতি জিলা শাখাৰ পৰা এগৰাকী, সময় ৪ মিনিট)

(খ) বিয়ানামত প্ৰতি জিলা শাখাৰ পৰা এটা দলে অংশগ্ৰহণ কৰিব পাৰিব, সময় ৭ মিনিট।

(গ) দিহানাম-থিয়নাম ঃ প্ৰতি জিলা শাখাৰ পৰা এটা দল, সময় ১০ মিনিট।

**নীতি-নিৰ্দেশাৱলী ঃ**

১. সংশ্লিষ্ট জিলা শাখাই প্ৰতিযোগীসকলৰ নাম-তালিকা ১৫ দিনৰ আগতে মূল কাৰ্যালয় সংস্কৃতি শাখাৰ ঠিকনাত পঠাব লাগিব।
২. প্ৰতিযোগিতা চলি থকা সময়ত কোনো নাম-তালিকা জমা লোৱা নহ'ব।
৩. প্ৰতিযোগীসকলৰ ক্ৰমিক নং অনুসৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব লাগিব।
৪. প্ৰতিযোগীসলে বাদক আৰু বাদ্যযন্ত্ৰ আদি লগত লৈ আনিব।
৫. প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা কোনো দলৰ প্ৰতিযোগীয়ে বিনা অনুমতিত বিচাৰকৰ ওচৰলৈ যাব নোৱাৰিব।
৬. প্ৰতিযোগিতাসমূহ সৰ্বাঙ্গসুন্দৰ হোৱাৰ বাবে জিলা শাখাই বিশেষ যত্ন ল'ব।
৭. নৃত্য শিল্পীসকলে সাজপাৰ, ৰূপসজ্জা আদিৰ যত্ন ল'ব।
৮. জিলা শাখাই অনুমোদন জনোৱা শিল্পীসকলকহে প্ৰতিযোগিতাত অংশগ্ৰহন কৰাৰ সুবিধা দিয়া হ'ব।
৯. দিহানাম বা থিয়নামত দলত ২০ গৰাকীকৈ সংখ্যা নিৰ্ধাৰণ কৰা হৈছে।
১০. নিৰ্ধাৰিত সময়তকৈ সময় বাঢ়ি গ'লে মূল্যায়নৰ পৰা নম্বৰ বিয়োগ কৰা হ'ব।
১১. আইসকলে চেলেং ব্যৱহাৰ কৰিব নালাগে, ৰিহা অপৰিহাৰ্য।
১২. বৰগীত, দিহানাম, থিয়নাম আদি মুখস্থ কৰি আহিব। পুথি বা কিতাপ চালে মূল্যায়ন ধৰা নহ'ব।
১৩. শিশুসকলৰ জন্ম তাৰিখৰ প্ৰমাণ পত্ৰ দিব লাগিব। (১২ বছৰতকৈ অধিক হ'ব নোৱাৰিব।)
১৪. শঙ্কৰী সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সংশ্লিষ্ট জিলা শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা দিব।
১৫. সংশ্লিষ্ট জিলা শাখাত শঙ্কৰী সঙ্গীত প্ৰতিযোগিতা বিচাৰক আমন্ত্ৰণ জনাব। মূল সঙ্ঘৰ সংস্কৃতি শাখাৰ অনুমোদন ল'ব লাগিব।
১৬. বাদ্যযন্ত্ৰ সঙ্গতকাৰী সংশ্লিষ্ট জিলা শাখাৰ হ'ব লাগিব।
১৭. ক্ৰমিক নং লটাৰীযোগে সংগ্ৰহ কৰি মঞ্চত প্ৰৱেশ কৰিব লাগিব।
১৮. বাঁহী, তানপুৰা, হাৰমনিয়াম, ভায়লিন, খোল, তাল বজাব পাৰিব।

# সাহিত্য শাখাৰ প্ৰতিযোগিতা আৰু ইয়াৰ বিষয়বস্তু

### (ক) শিশু শাখা ঃ

১। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
কবিতা— পাৰ্বতীপ্ৰসাদ বৰুৱা ৰচিত 'খেল ভঙা খেল'।

২। বক্তৃতা প্ৰতিযোগিতা ঃ বিষয়সমূহ—
(ক) শিক্ষক দিৱস, (খ) প্লাষ্টিকৰ ব্যৱহাৰ,
(গ) ফুটবল খেল, (ঘ) বৰদোৱা

৩। ৰচনা প্ৰতিযোগিতা ঃ বিষয়বস্তু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগে আগে ঘোষণা কৰা হ'ব।

৪। কুইজ প্ৰতিযোগিতা ঃ
(ক) একশৰণ নামধৰ্ম সম্পৰ্কীয় প্ৰশ্ন
(খ) অমসীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় প্ৰশ্ন
(গ) খেল-ধেমালি আৰু বিজ্ঞান প্ৰযুক্তি বিষয়ক সাধাৰণ জ্ঞানৰ প্ৰশ্ন
(ঘ) অন্যান্য ৰিষয়ৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন

### (খ) যুৱ শাখা ঃ

১। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
কবিতা— নৱকান্ত বৰুৱা ৰচিত 'ইয়াত নদী আছিল'

২। বক্তৃতা প্ৰতিযোগিতা ঃ বিষয়বস্তু—
(ক) বেজবৰুৱা আৰু নব্য শঙ্কৰদেৱ আন্দোলন
(খ) বৈজ্ঞানিক দৃষ্টিভঙ্গী
(গ) অসমীয়া চৰিত সাহিত্য
(ঘ) পুথিভঁৰাল

৩। ৰচনা প্ৰতিযোগিতা ঃ বিষয়বস্তু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগে আগে ঘোষণা কৰা হ'ব।

৪। কুইজ প্ৰতিযোগিতা ঃ
(ক) একশৰণ নামধৰ্ম সম্পৰ্কীয় প্ৰশ্ন
(খ) অমসীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় প্ৰশ্ন
(গ) খেল-ধেমালি আৰু বিজ্ঞান প্ৰযুক্তি বিষয়ক সাধাৰণ জ্ঞানৰ প্ৰশ্ন
(ঘ) অন্যান্য বিষয়ৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন

৫। তৰ্ক প্ৰতিযোগিতা ঃ বিষয়— সদনৰ মতে "মোবাইল ফোনৰ ব্যৱহাৰে যুৱ প্ৰজন্মৰ অপকাৰ সাধিছে।"

### (গ) আই-মাতৃ শাখা ঃ

১। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
কবিতা— ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'অসম সঙ্গীত'

২। বক্তৃতা প্ৰতিযোগিতা ঃ বিষয়বস্তু—
(ক) অঙ্কীয়া ভাওনা
(খ) সোণাৰাম চুতীয়া বাপৰ প্ৰতিবাদী ৰচনা
(গ) নাম-ঘোষাত শৰণ তত্ত্ব
(ঘ) মনুসংহিতাত নাৰীৰ প্ৰতি দৃষ্টিভঙ্গী

৩। ৰচনা প্ৰতিযোগিতা ঃ বিষয়বস্তু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগে আগে ঘোষণা কৰা হ'ব।

৪। কুঁইজ প্ৰতিযোগিতা ঃ
(ক) একশৰণ নামধৰ্ম সম্পৰ্কীয় প্ৰশ্ন
(খ) অমসীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় প্ৰশ্ন
(গ) খেল-ধেমালি আৰু বিজ্ঞান প্ৰযুক্তি বিষয়ক সাধাৰণ জ্ঞানৰ প্ৰশ্ন
(ঘ) অন্যান্য বিষয়ৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন

৫। তৰ্ক প্ৰতিযোগিতা ঃ বিষয়— সদনৰ মতে "সমাজ পৰিচালনাত মহিলাৰ বৰ্দ্ধিত অংশগ্ৰহণে সমাজলৈ সুস্থিৰতা আনিব।"

## নিয়মাৱলী

১. কবিতা আবৃত্তিৰ বাবে সকলো শাখাৰ প্ৰতিযোগিৰে কবিতা মুখস্থ থকাটো বাধ্যতামূলক।
২. বক্তৃতা প্ৰতিযোগিতাৰ বিষয়ৰ চাৰিটা মাজৰ পৰা লটাৰীযোগে প্ৰাপ্ত এটা বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰিব লাগিব। বক্তৃতা প্ৰদানৰ সময় ৪ মিনিট।
৩. ৰচনা প্ৰতিযোগিতাৰ সময় আধাঘণ্টা
৪. তৰ্ক প্ৰতিযোগিতাত এগৰাকী প্ৰতিযোগীয়ে সৰ্বাধিক ৪ মিনিট সময় যুক্তি প্ৰদৰ্শন কৰিব পাৰিব। দুই পক্ষৰ দলপতিক (Mover) অতিৰিক্ত দুই মিনিটকৈ যুক্তি প্ৰদৰ্শন কৰিবলৈ দিয়া হ'ব।
৫. প্ৰতিযোগীসকলে কবিতা আবৃত্তিৰ বাহিৰে সকলো প্ৰতিযোগিতাত অসমীয়া, ইংৰাজী অথবা হিন্দী— যিকোনো এটা ভাষাত অংশগ্ৰহণ কৰিব পাৰিব যদিও ভাষা অনুসৰি প্ৰতিযোগিতা বেলেগ বেলেগকৈ অনুষ্ঠিত নহ'ব অথবা প্ৰতিযোগিতাৰ বিষয়বস্তুও বেলেগ বেলেগ নহ'ব।
৬. প্ৰত্যেক জিলা শাখাই নিজ নিজ জিলাত প্ৰতিযোগিতা আয়োজন কৰি প্ৰতিটো শাখাৰ প্ৰতিটো প্ৰতিযোগিতাৰ পৰা দুগৰাকীকৈ প্ৰতিযোগী নিৰ্বাচন কৰি মূল পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে প্ৰেৰণ কৰিব লাগিব। কুইজ প্ৰতিযোগিতাৰ ক্ষেত্ৰত দুজনীয়া এটি দল নিৰ্বাচন কৰি পঠিয়াব। তৰ্ক প্ৰতিযোগিতাৰ ক্ষেত্ৰত প্ৰতিযোগী দুগৰাকীৰ এগৰাকী সদনৰ সপক্ষে এগৰাকী বিপক্ষে যুক্তি প্ৰদৰ্শন কৰা হ'ব লাগিব। জিলা শাখাত আয়োজিত প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ দিয়া সম্পৰ্কীয় সিদ্ধান্ত জিলা শাখাই গ্ৰহণ কৰিব।
৭. মূল পৰ্যায়ত প্ৰতিটো প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীক/ প্ৰতিযোগী দলক পুৰস্কাৰ প্ৰদান কৰা হ'ব।
৮. শিশু শাখাৰ প্ৰতিযোগিতাত অষ্টম শ্ৰেণী বা তাতকৈ তলৰ শ্ৰেণীত পঢ়া ছাত্ৰ-ছাত্ৰীয়েহে যোগদান কৰিব পাৰিব। অষ্টম শ্ৰেণীৰ ওপৰৰ কোনো ছাত্ৰ-ছাত্ৰীক শিশু শাখাৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ দিয়া নহ'ব।
৯. জিলা আৰু মূল পৰ্যায়ত প্ৰতিযোগিতাৰ বিষয়বস্তু আৰু নিয়মাৱলী একে হ'ব।
১০. প্ৰতিযোগী নিৰ্বাচনৰ ক্ষেত্ৰত গ্ৰেড নম্বৰ ব্যৱহাৰ কৰা নহ'ব।

## পদুমকলি

**অসম-সঙ্গীত**

**লক্ষ্মীনাথ বেজবৰুৱা**

(১)

আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হম?
সকলো আছিল সকলো আছে
নুবুজোঁ নলওঁ গম।
শঙ্কৰে দিলে বিশুদ্ধ ধৰম
লাচিতে বাহুত বল,
সতী জয়মতী সতীত্ব তেজেৰে
অসমী আই প্ৰবল।
বাজক দবা বাজক শঙ্খ
বাজক মৃদং খোল,
অসম আকৌ উন্নতি-পথত
'জয় আই অসম' বোল।

(২)

যতন কৰিলে সৰু বৰ হয়
তামুলী মোমায়ে ক'লে,
ৰজা হৈ ৰাম ৰজা হ'ব পাৰি
ৰুদ্ৰসিংহে দেখুৱালে।
শঙ্কৰাচাৰ্য্যৰ গুৰু অসমীয়া
কুমাৰিল ভট্ট নাম,
জগত গুৰুৰো গুৰু হ'ব পাৰি
ভট্টই দেখালে কাম।
বাজক দবা, বাজক শঙ্খ,
বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত
'জয় আই অসম' বোল।

(৩)

ভাস্কৰ-জেউতি ভাস্কৰবৰ্ম্মা
প্ৰাগজ্যোতিষৰ ৰজা,
ভাৰতৰ ৰজাৰ আগশাৰী ললে
নহয় ই কথা সজা।
উত্তৰ ভাৰতৰ কেদাৰ ব্ৰাহ্মণ
মহাবলৱন্ত ৰজা,
কামৰূপপাধিপতি শঙ্কলাদিৰে
ঘটুৱালে কেনে বুজা।
বাজক দবা, বাজক শঙ্খ,
বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত
'জয় আই অসম' বোল।

(৪)

চাৰি লাখ পদাতি লাখ অশ্বাৰোহী
চাৰি হেজাৰেক হাতী,
শঙ্কলাদিবৰ বীৰ্য্য-বিক্ৰমৰ
ভাৰত বিয়পা খ্যাতি।
লক্ষ্মণাৱতী গৌৰ ৰজাৰ
আমাৰ শঙ্কলে কৰা,
ৰাজধানী হৈ আছিল বঙ্গৰ
দুহাজাৰ বছৰ জোৰা।
বাজক দবা, বাজক শঙ্খ,
বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত
'জয় আই অসম' বোল।

(৫)

পাৰস্যবিজেতা আফ্ৰচিয়াৰ
আদলাখ মোগল সেনা,
ঘটুৱাই শঙ্কলে ঘোঁৰাঘাট পৰ্ব্বতত
কীৰ্ত্তি ৰাখিলে জানা।
মছলেম বুৰঞ্জীত ফেৰেস্টাই লিখিছে
নহয় ই সাধুকথা,
প্ৰাণৰ প্ৰাণত অসমীয়া ভাই,
ই কথা তোমাৰ গোথা।
বাজক দবা, বাজক শঙ্খ,
বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত
'জয় আই অসম' বোল।◆

## খেল ভঙা খেল

**পাৰ্বতীপ্ৰসাদ বৰুৱা**

অকলে আপোন মনে
উমলি আছিলোঁ
ফুটুকাৰ ফেন সোপা
ধূলি মাটি লৈ
বজোঁ গুটিৰ তলত।

তুমি ল'ৰি আহি
উজুটি মাৰিলা
খেল ভাঙি গ'ল।

উচুপি উচুপি ইমান কান্দিলোঁ
তুমি আচৰিত হৈ
মুখলৈ চালা
উৰা! কান্দিছা কিয়?
খেল ভঙা খেলহে
খেলিছোঁ আমি।।◆

## ইয়াত নদী আছিল

**নৱকান্ত বৰুৱা**

দেখিছোঁ নদীৰ ধলে বলৎকাৰ কৰা পথাৰক,
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান,
শুনিছোঁ সিন্ধুৰ বানে নিমিষতে নগৰক
আত্মসাৎ কৰি
এৰি থৈ গুচি যোৱা শ্মশানৰ প্ৰশান্তিৰ গান।

উদগ্ৰ ধ্বংসৰ নিচা, লোভৰ কুটিল দুঃসাহস
ছলনাৰ জীৱন্ত ধেমালি আৰু পাপৰ কুৎসিৎ অভিসাৰ—
তাৰো সৌন্দৰ্যই মোক দিছিল স্বপ্নৰ জাল ৰচি,
কাৰণ, মইযে দিওঁ দুঃস্বপ্নকো স্বপ্নৰ মৰ্যাদা,
সিও বন্দী সূৰ্যকণা,
আহিছিল ভাঙি ছিঙি পৃথিৱীৰ কঠিন জৰায়ু।

কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰাঙত এপাহি কপৌ ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং, সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাঁই বৰণৰ এখন পৃথিৱী।

নদীক নিজৰা কৰি জুৰিক শিলনি কৰি
বালিৰ দ'লেৰে গঢ়ে গছ লতা ফুলৰ সমাধি,

ছাঁয়াময়া জিঁয়া এটি বালিয়ে বালিয়ে উৰি.
পানীৰ কাৰণে ঘূৰি
ক'ৰবাত বাট হেৰুৱায়।
মৰুভূমি এইদৰে আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে।...◆

## শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ

# কাৰ্যসূচী

**২৭ আহিন, ৫৬৫ শঙ্কৰাব্দ (১৪ অক্টোবৰ, ২০১৩ খ্ৰীষ্টাব্দ), সোমবাৰ ঃ**

পুৱা ৫.৩০ বজাত ঃ পৰিৱেশ নিকাকৰণ *(জিলা সেৱাবাহিনীৰ উদ্যোগত)*
পৰিচালক ঃ শ্ৰীবিশ্বজিৎ দাস, *জিলাধিনায়ক, বজালী জিলা শাখা*
" ৫.৪৫ বজাত ঃ প্ৰাতঃ প্ৰসঙ্গ
" ৭.০০বজাত ঃ বৃক্ষৰোপণ
ৰোপক ঃ শ্ৰীভবেন্দ্ৰ সিংহ, *প্ৰাক্তন মেধি, অকয়া মহাপুৰুষীয়া সত্ৰ*
ঃ শ্ৰীযোগেন্দ্ৰ খাটনিয়াৰ, *খাটনিয়াৰ, অকয়া মহাপুৰুষীয়া সত্ৰ*
" ৭.১৫ বজাত ঃ আইসকলৰ দ্বাৰা নাম-প্ৰসঙ্গ
" ৭.৪৫ বজাত ঃ নাম-প্ৰসঙ্গ
দিনৰ ১০.৩০ বজাত ঃ মূল তোৰণ উন্মোচন
উন্মোচক ঃ শ্ৰীমঞ্জু দাস, *সভা নেত্ৰী, বজালী আঞ্চলিক পঞ্চায়ত*
" ১০.৪৫ বজাত ঃ মঞ্চ উদ্বোধন
উদ্বোধক ঃ শ্ৰীমুকুট কলিতা, *সদস্য, বৰপেটা জিলা পৰিষদ*
" ১১.০০ বজাত ঃ শিশু আৰু যুৱসকলৰ প্ৰতিযোগিতা
উদ্বোধক ঃ শ্ৰীঅখিল চন্দ্ৰ খাটনিয়াৰ, *জ্যেষ্ঠ বৈদ্যুতিক পৰিদৰ্শক, শক্তি বিভাগ (অসম)*
" ২.৩০ বজাত ঃ **আলোচনা-চক্ৰ**
বিষয় ঃ **"অসমৰ বাহিৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিষ্ঠা ঃ অন্তৰায় আৰু উপায়ৰ সন্ধান"**
সঞ্চালক ঃ শ্ৰীৰজনীকান্ত দত্ত, *পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
উদ্বোধক ঃ শ্ৰীভবেন্দ্ৰনাথ ডেকা, *উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
আলোচক ঃ শ্ৰীকৈলাস দাস, *সভাপতি, সাহিত্য শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
ড° হোমেশ্বৰ কাকতি, *জ্যেষ্ঠ প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী*
ঃ শ্ৰীহেমচন্দ্ৰ শইকীয়া, *বিশিষ্ট সমালোচক, যোৰহাট*
সন্ধিয়া ৫.৩০ বজাত ঃ বন্তি প্ৰজ্বলন
প্ৰজ্বলক ঃ শ্ৰীঅনন্ত মোহন মেধি, *সমাজসেৱক, অকয়া*
" ৬.০০ বজাত ঃ সম্বৰ্দ্ধনা অনুষ্ঠান
" ৬.৩০ বজাত ঃ সাংস্কৃতি অনুষ্ঠান
উদ্বোধক ঃ শ্ৰীপৰিত্ৰপ্ৰাণ বৰা, *সম্পাদক, সংস্কৃতি শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*

**২৮ আহিন, ৫৬৫ শঙ্কৰাব্দ (১৫ অক্টোবৰ, ২০১৩ খ্ৰীষ্টাব্দ), মঙ্গলবাৰ ঃ**

পুৱা ৫.৩০ বজাত ঃ পৰিৱেশ নিকাকৰণ *(জিলা সেৱাবাহিনীৰ উদ্যোগত)*
পৰিচালক ঃ শ্ৰীবিশ্বজিৎ দাস, *জিলাধিনায়ক, বজালী জিলা শাখা*
" ৭.০০ বজাত ঃ নাম-প্ৰসঙ্গ
" ৯.০০বজাত ঃ পতাকা উত্তোলন
উত্তোলক ঃ শ্ৰীৰজনীকান্ত দত্ত, *পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
" ৯.৩০ বজাত ঃ ভাগৱত শোভাযাত্ৰা
উদ্বোধক ঃ শ্ৰীনগেন দাস, *সভাপতি, বজালী জিলা শাখা*
দিনৰ ১১.৩০ বজাত ঃ মুকলি সভা
সভাপতি ঃ শ্ৰীৰজনীকান্ত দত্ত, *পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
উদ্বোধক ঃ শ্ৰীবাবুল বৰা, *প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
মুখ্য অতিথি ঃ ড° লক্ষ্মীনন্দন বৰা, *প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা*
সন্মানীয় অতিথি ঃ শ্ৰীকৰুণাকান্ত কলিতা, *মুখ্য উপদেষ্টা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
শিশু বক্তা ঃ শ্ৰীদেবাংগ তালুকদাৰ, *বামাখাটা*
যুৱ বক্তা ঃ শ্ৰীত্ৰিদিব দাস, *অকয়া*
ঃ শ্ৰীজোনদীপ দাস, *দক্ষিণ ৰিহাবাৰী*
বিশিষ্ট অতিথি ঃ শ্ৰীপ্ৰণতি ফুকন, *সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী, অসম*
ঃ শ্ৰীমনোৰঞ্জন দাস, *বিধায়ক, ৪২নং পাটাছাৰকুছি বিধান সভা সমষ্টি*
ঃ শ্ৰীৰঞ্জিত দাস, *বিধায়ক, সৰভোগ বিধান সভা সমষ্টি*
ঃ শ্ৰীউপেন্দ্ৰনাথ দাস, *প্ৰাক্তন প্ৰধান শিক্ষক, অকয়া বালিকা উচ্চ মাধ্যমিক বিদ্যালয়*
নিৰ্দিষ্ট বক্তা ঃ শ্ৰীপূৰ্ণচন্দ্ৰ ৰয়, *শৰণ সদস্য, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
আমন্ত্ৰিত অতিথি ঃ শ্ৰীসম্পূৰ্ণানন্দ তালুকাদৰ, *প্ৰাক্তন অধ্যক্ষ, বজালী মহাবিদ্যালয়, পাঠশালা*
ঃ শ্ৰীজগদীশ চৌধুৰী, *প্ৰাক্তন অধ্যক্ষ, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাঠশালা*
সন্ধিয়া ৫.৩০ বজাত ঃ বন্তি প্ৰজ্বলন
প্ৰজ্বলক ঃ শ্ৰীদানপতি দাস, *প্ৰাক্তন শৰণ সদস্য, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*

***পথ নিৰ্দেশনা*** *ঃ ৰে'ল বা বাছেৰে (উজনি বা নামনি) অহা বাপ-আইসকলে পাঠশালা ষ্টেচনত নামি ৰাষ্ট্ৰীয় ঘাই পথৰ চাৰি চ'কত নিত্যানন্দ হৈ জালাহলৈ যোৱা গাড়ীৰে আহি অকয়া মিনল সংঘত নামিলেই মহোৎসৱস্থলী পাব।*

## কেন্দ্ৰীয় সেৱাবাহিনীৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস

**স্থান ঃ দেৱীতোলা আঞ্চলিক নামঘৰ (ধুবুৰী)**
**তাৰিখ ঃ ৭ আৰু ৮ অক্টোবৰ, ২০১৩**
**(২০ আৰু ২১ আহিন, ৫৬৪ শঙ্কৰাব্দ)**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ কেন্দ্ৰীয় সেৱাবাহিনীৰ সপ্তদশ প্ৰতিষ্ঠা দিৱসভাগি ধুবুৰী জিলা শাখাৰ আতিথ্যত দেৱীতোলা আঞ্চলিক নামঘৰ প্ৰাঙ্গনত অহা ৭ আৰু ৮ অক্টোবৰ, ২০১৩ (২০, ২১ আহিন, ৫৬৪ শঙ্কৰাব্দ) সোমবাৰ আৰু মঙ্গলবাৰে দুদিনীয়া কাৰ্যসূচীৰে পালন কৰিবলৈ আয়োজন কৰা হৈছে।

সেয়ে সকলো কাৰ্যসূচীত আপোনাসৱৰ উপস্থিতি আৰু সহায়-সহযোগিতা আদৰণি সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

### ঃ কাৰ্যসূচী ঃ

**০৭/১০/২০১৩ (২০ আহিন, ৫৬৪ শঙ্কৰাব্দ) সোমবাৰ—**
সন্ধিয়া ৫ বজাত ঃ বঙাইগাঁও মণ্ডলৰ সেৱাবাহিনীৰ সাংগঠনিক সভা

**০৮/১০/২০১৩ (২১ আহিন, ৫৬৪ শঙ্কৰাব্দ) মঙ্গলবাৰ—**
পুৱা ৫ বজাত ঃ চাফাই
" ৭ বজাত ঃ নাম-প্ৰসঙ্গ
" ৯ বজাত ঃ পতাকা উত্তোলন
উত্তোলনক ঃ শ্ৰীযুত ৰজনীকান্ত দত্ত, *পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
" ৯.৩০ বজাত ঃ ভাগৱত শোভাযাত্ৰা
দিনৰ ১২বজাত ঃ আলোচনা-চক্ৰ
বিষয় ঃ সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বান, যুৱক-যুৱতীৰ দায়িত্ব আৰু কৰ্তব্য
সঞ্চালক ঃ শ্ৰীযুত ৰজনীকান্ত দত্ত, *পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
উদ্বোধক ঃ শ্ৰীযুত বাবুল বৰা, *প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
আলোচক ঃ শ্ৰীআনন্দ কুমাৰ বৰা, *যুটীয়া সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*
শ্ৰীৰামকৃষ্ণ পাটগিৰি, *প্ৰাক্তন মুখ্য অধিনায়ক*
শ্ৰীঅচ্যুৎ কুমাৰ নাথ, *প্ৰাক্তন উপ-মুখ্য অধিনায়ক*
বিশিষ্ট অতিথি ঃ ড° হৰিগোপাল মল্লিক, *প্ৰবক্তা, তুফানগঞ্জ মহাবিদ্যালয়*
শ্ৰীনিবাৰণ বৰ্মা, *বিশিষ্ট সমাজ সেৱক, তুফানগঞ্জ*
ঃ শ্ৰীধৰ্মেশ্বৰ ৰাভা, *Ex. E.M. Radha Hasong, Dudhnai*
সন্ধিয়া ৫ বজাত ঃ পতাকা অৱতৰণ
" ৫.৩০ বজাত ঃ বন্তি প্ৰজ্বলন

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ

**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ লখিমপুৰ জিলা নাৰায়ণপুৰ আঞ্চলিক শাখাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱভাগি অহা ২৬, ২৭ আহিন, ৫৬৫ শঙ্কৰাব্দ (১৩, ১৪ অক্টোবৰ, ২০১৩) ৰবি আৰু সোমবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আঞ্চলিক শাখাৰ অন্তৰ্গত হৰিচৰণ প্ৰাথমিক শাখাৰ নামঘৰত অনুষ্ঠিত কৰাৰ বাবে আয়োজন কৰা হৈছে।

সেউ উদ্দেশ্যে আঞ্চলিক শাখাই যোৱা ইং ২৮/০৭/২০১৩ তাৰিখে হৰিচৰণ প্ৰাথমিক শাখাত এখন ৰাজহুৱা সভাই শ্ৰীবিৰেন শইকীয়া বাপক সভাপতি আৰু শ্ৰীপ্ৰভাত ভূঞাবাপক সম্পাদক হিচাপে এখন ৩১জনীয়া পূৰ্ণাঙ্গ সমিতি গঠন কৰি দিয়া হয়।◆

## শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ

**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ নাৰায়ণপুৰ আঞ্চলিক শাখাৰ সৌজন্যত ৰামচৰণ প্ৰাথমিক শাখাৰ আতিথ্যত যোৱা ৩১ আগষ্ট আৰু ১ ছেপ্টেম্বৰ, ২০১৩ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহভাগি অনুষ্ঠিত হৈ যায়। ৩১ আগষ্টৰ পুৱা ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে আদৰণি সমিতিৰ সভাপতি শ্ৰীকৃষ্ণ বৰাবাপে। পুৱা ৯ বজাত নাম-প্ৰসঙ্গ আৰু ১০.৩০ বজাত শিশু, যুৱ আৰু আই-মাতৃসকলৰ সাহিত্য-সংস্কৃতি প্ৰতিযোগিতাভাগি উদ্বোধন কৰে আঞ্চলিক শাখাৰ উপ-সভাপতি শ্ৰীকলম বৰুৱাবাপে।

১ ছেপ্টেম্বৰ পুৱা ৯.৩০ বজাতৰ পৰা আই-মাতৃসকলৰ দিহানাম প্ৰতিযোগিতা হয়। বিয়লি ১ বজাত শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ সভাখনি সঞ্চালন কৰে আঞ্চলিক শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী শ্ৰীবুলু ভূঞা দত্তই আৰু উদ্বোধন কৰে লখিমপুৰ জিলা শাখাৰ সদস্য শ্ৰীযোগেশ্বৰ বৰাবাপে। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে গহপুৰ জিলা শাখাৰ শ্ৰীজানমণি শইকীয়া আয়ে। শিশু বক্তা শ্ৰীগৌৰাঙ্গ বৰুৱা আৰু যুৱ বক্তা শ্ৰীসেৱাব্ৰত দত্তই সভাত ভাষণ প্ৰদান কৰি সভাখনি সৌষ্ঠৱ বৃদ্ধি কৰে।◆

# ধন আৰু ধৰ্ম

(১৫ পৃষ্ঠাৰ পৰা)

মতে সৰু বোৱাৰী অভকতীয়া ধনী মানুহৰ ছোৱালী বাবে— "ধনগৰ্বে তৃণহেন মানে জগতক।" তাতে ল'ৰাটোও সৰুকালৰ অনন্ত হৈ থকা নাই।

* * *

এজাক ধুমুহাৰ বাবে পাৰঘাটত ফেৰীখন দুঘণ্টামান পলমকৈ এৰাৰ বাবে মীনাৰাম অনন্ত থকা নগৰখন আহি পাওঁতে ৰাতি দহমান বাজিবৰ হ'লহি। তাৰ পৰা এক কিলোমিটাৰমান খোজকাঢ়ি পুতেকৰ ঘৰটো তেওঁ চিনি উলিয়ালেহি আগৰ পৰিচিত পিপলজোপাৰ যোগেদি। "অনন্তই গেটখন বৰ ওখকৈ সজালে" মীনাৰামে ভাবিলে। ৰ'ডবোৰৰ ফাঁকেৰে তেওঁ গেটখনৰ ভিতৰফালে চাই গম পালে তলা লগোৱা আছে। 'মানুহ শুলে নেকি? নাই, টাউনত গাঁৱৰ দৰে ফুট গধুলিতে মানুহ নোশোৱে নহয়।' তেওঁৰ অনুমানেই ঠিক। ভিতৰত কথাপতাৰ শব্দ তেওঁৰ কৰ্ণপটত পৰিলহি। দুবাৰমান তেওঁ অনন্তৰ নাম ধৰি মাতিলে, নাই, কোনো সঁহাৰি নাই। হ'লেও তেওঁৰ ভাল লাগিব যে হয়তো কোনোৱা আলহী আছে, আলহী ওলাওঁতেই তেওঁ সোমাই যাব। প্ৰস্তৰ মূৰ্তিটোৰ দৰে তেওঁ প্ৰায় পোন্ধৰ মিনিট সময় থিয় হৈ থাকিল। তেওঁ অহাটো অনন্তক কালিয়ে ফোন কৰি জনাইছিল যদিও হয় সি কামৰ ব্যস্ততাৰ বাবে পাহৰিলে, নহয় দেৰি হোৱাৰ বাবে নাহে বুলি ধৰি ল'লে। কেতিয়াবা আকৌ সি অফিচৰ কামত গুৱাহাটীলৈও যায়।

ব'হাগ মাহ। ভৰিকেইটাত ম'হে কামুৰিছে। দিনটোৰ ভ্ৰমণৰ দুখ-ভাগৰবোৰ আছেই। সিফালে খোৱা-বোৱাও খেলিমেলি। হঠাতে মীনাৰামৰ মনত খেলালে যে আলহী থকা হ'লে গেটখনতো তলা নলগাই, হয়তো বোৱাৰীৰ ঘৰৰ কোনোবা ৰাতি থকাকৈ আহিছে— তেওঁ ভাবিলে।

এইবাৰ মীনাৰামে গেটখনত থকা বাহিৰফালে তলামৰা শলকাডালত ধৰি খটং খটংকৈ শব্দ কৰিলে। হঠাৎ ভুতৰ ওপৰত দানহৰ দৰে ক'ৰবাত লুকাই থকা কুকুৰ এটাহে ভৌ ভৌ কৰি আগবাঢ়ি আহিল। মীনাৰামৰ বুকুখন ঢপঢপাই গ'ল। তেওঁ পুনৰ ৰাষ্ট্ৰীয় পথৰ ফাললৈকে খোজ দিলে। কাৰোবাক কিবা এটা সুধিবলৈও জনপ্ৰাণী এটা নাই।

নগৰীয়া আধুনিক জীৱনশৈলীৰ হৃদয়হীন মানুহবোৰৰ প্ৰতি মীনাৰামৰ বিতৃষ্ণা জন্মিল। অনন্ত ল'ৰাটোতো সৰুতে বেয়া নাছিল। ঘৰখনত পোৱা ভকতীয়া শিক্ষাৰেই সি ডাঙৰ হৈছিল। 'সমানত মৈত্ৰী উত্তমত সতকাৰ' আছিল তাৰ জীৱনৰ আদৰ্শ। জগতৰ ঈশ্বৰ কৃষ্ণদেৱক জগতগুৰু শঙ্কৰদেৱৰ শিক্ষাৰেই ভক্তি কৰাৰ সপক্ষে আছিল সি। ভকতৰ প্ৰতি আছিল অকৃত্ৰিম শ্ৰদ্ধা।

অৱশ্যে দোষটো মীনাৰামৰেই। ঠিক মীনাৰামৰ নহয়, তেওঁৰ দৰিদ্ৰতাৰ। দুজনী গাভৰু ছোৱালী বিয়া দিয়া, চাৰিটাতৈ ল'ৰা-ছোৱালী পঢ়াই-শুনাই ভৰণ-পোষণ দি ঘৰখনৰ খৰচ বহন কৰোতে তেওঁ চকুৰে ধোঁৱা-কুঁৱা দেখিছিল, বিশেষকৈ অৱসৰ লোৱাৰ পিছত। বায়েকৰ দুখ সহ্য কৰিব নোৱাৰি মীনাৰামৰ ডাঙৰ খুলশালীয়েক পুলিচ বিভাগৰ চাকৰিয়াল নীৰজ ঘৰফলীয়াই অনন্ত মেট্ৰিক পাছ কৰাৰ পাছত তাক তেওঁৰ নগৰৰ ভাড়াঘৰতে ৰাখি পঢ়ুৱাৰ দায়িত্ব ল'লে। সিমানতে ল'ৰাটোৰ ভকতীয়া পৰিৱেশো অন্তৰ্হিত হ'ল। তাৰ বন্ধৰ সময়বোৰত মোমায়েকৰ ল'ৰা-ছোৱালীহালক পঢ়া-শুনাত বা বজাৰ-সমাৰ কৰা আদি ঘৰুৱা কামত সি সহায় কৰি দিব লাগে। তাৰ নিজস্ব বুলিবলৈ যেন একো নাইকীয়া হ'ল। আনকি যিটো ল'ৰাই দেউতাকৰ ভকতীয়া আদৰ্শৰ ছত্ৰছায়াত স্কুলত অনুষ্ঠিত সৰস্বতী পূজা পৰ্যন্ত এৰি চলিছিল, সেইটো ল'ৰাই আজিকালি মামীয়েকৰ ভায়েকহঁতৰ কৰ্মকাণ্ডীয় বিয়া-বাৰুৰ অনুষ্ঠানবোৰতো বিনা বাক্যয়ে উপস্থিত থাকিব লগা হ'ল। তেতিয়াই তাৰ ভকতীয়া অনুষ্ঠানটো বা সাত্ত্বিক পৰিৱেশৰ লগতো শাৰীৰিক আৰু মানসিক ব্যৱধান এটা আহি পৰিল। চাকৰি পোৱাৰ পাছতো সেয়েহে সি অনুষ্ঠানমুখী হ'ব নোৱাৰিলে। টকা আৰু পদ মৰ্যাদাৰে মদমত্ত ল'ৰাটো 'সমস্ত ভূতত দেখিবেক নাৰায়ণ' স্তৰৰ পৰা অৱনমিত হৈ 'বিশেষত মনুষ্য গণত'ৰ পৰ্যায়তো ৰ'ব নোৱাৰা হ'ল। এৰা, এসময়ত টকাৰ অভাৱত অসৎ সঙ্গত পৰি বিপথে যোৱা ল'ৰাটো পাছলৈ টকা-পইচা আৰু সুখ-সম্ভোগৰ পাছতহে দৌৰিবলৈ ধৰিলে। সেয়েহে 'ধনেই ধৰ্মৰ মূল' বুলি কোৱা হয় নেকি বাৰু— মীনাৰামে ভাবিলে। কিন্তু পিছ মুহূৰ্ততে তেওঁ ভাবিলে আজিকালি ধন নহ'লে একো নহয় সঁচা, কিন্তু ধনেই সকলো নহয়; কাৰণ তেওঁৰ হাতত টকা থাকোঁতেওচোন এতিয়া আশ্ৰয়স্থল অকণেই নাই। টকাৰ প্ৰাচুৰ্যইচোন আগৰ অনন্তক ঘূৰাই আনিব পৰা নাই।

হঠাতে বাওঁহাতৰ সৰু বাঁহৰ ঘৰ এটাৰ পৰা অসমীয়াত থকা পতা ডেকা ল'ৰাৰ মাত মীনাৰামৰ কাণত পৰিলহি। প্ৰাণটোৰ মমতাতে তেওঁ সোমাই গ'ল ঘৰটোলৈ বুলি।◆◆

# মুক্তি

(১৫ পৃষ্ঠাৰ পৰা)

"একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থকা হৰি সাক্ষাতে তথাত।।"
—নাম-ঘোষা, ৪

নৱবিধ শ্ৰেষ্ঠ ধৰ্ম শ্ৰৱণ-কীৰ্তনেৰে জীৱমুক্ত হয় বুলি শঙ্কৰদেৱে কিয় ক'লে? কলিযুগত মানুহৰ কামৰ আহৰি নাই। অন্নমুঠিৰ বাবে দৌৰি ফুৰিব লগা হয়। কিন্তু শ্ৰৱণ-কীৰ্তন কৰিলে বাকী বিধ ভকতিও আহি একীভূত হয়। গুৰুজনাও জীৱমুক্তি কামনা কৰিছিল। পাঁচ প্ৰকাৰ মুক্তিৰ এটাও কামনা কৰা নাছিল। কিয়নো একান্ত ভকতে মুক্তি নিবিচাৰে, কিয় নিবিচাপে শাস্ত্ৰই কৈছে—

"মুকুতি নালাগে প্ৰভু তুৱা পদ বিনা।
যাৰ যেন মতি প্ৰভু জানাহা আপুনা।।
সালোক্য নালাগে প্ৰভু একেলগে বা....।
সমান ঐশ্বৰ্য্যশালী নকৰোহো আশা।।
নালাগে সামীপ্য প্ৰভু নিকটত .....ত।
সাৰূপ্য সমান সুখ নকৰো বঞ্চিত।।
সাযুজ্য আপোন মানি সুখ অভিপ্ৰায়।
চঞ্চল মুৰখমতি সনাতনে গায়।।"

ঈশ্বৰ সমান ঐশ্বৰ্যশালী বিশ্বত দ্বিতীয়জন নাই। এনেকুৱা ঐশ্বৰ্যশালী পুৰুষজনৰ লগত আমি ক্ষুদ্ৰতম জীৱে একেলগে বাস কৰিব নোৱাৰো। ভগৱন্তই বিশ্বব্ৰহ্মাণ্ড সৃজন আৰু পালন কৰি আছে। গতিকে তেওঁৰ মায়া আছে। তেওঁৰ মায়াৰ নাম অময়া। ঈশ্বৰৰ ওচৰত থাকিলে জীৱক অমায়াত পেলাব। ভগৱানৰ ৰূপ-সৌন্দৰ্য অতুলনীয়। তেওঁৰ সমান সুখী আৰু ৰূপ গুণৰ অধিকাৰী হ'বলৈ বাঞ্ছা কৰা অনুচিত। কীৰ্ত্তনৰ পাষণ্ড-মৰ্দ্দনত গুৰুজনাই কৈছে—

"নালাগে লীন মুকুতিকো তথা।
নাহি হৰিপদ পঙ্কজ যথা।।
কৰ্ণৰ অমৃত হৰি চৰিত।
ভকতৰ মুখৰ শুনিবা নিত।।"
— কীৰ্ত্তন, ১১৩

তেওঁ লীন মুক্তি বিচৰা নাছিল। কিয়নো পিপৰা চেনী হ'লে মৌমাখি মৌ হ'লে চেনী, মৌক কোনে খাব? সেইদৰে বিশ্বব্ৰহ্মাণ্ডৰ সকলো ভকত ঈশ্বৰত বিলীন হ'লে ভকতি কৰা ভকত নাথাকিব। ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই চাৰিপুৰুষাৰ্থ সাধন কৰিব লাগিলে ভকতি কৰিবই লাগিব।

"চাৰিপুৰুষাৰ্থ তাহাৰ নিজৰা
হৰি নাম মূলধাৰা।"
— নাম-ঘোষা, ৩৭২

নিজৰা বৈ গৈ মূলসুতিত লয় পোৱাৰ দৰে ধৰ্ম, অৰ্থাৎ কাম-মোক্ষ ভক্তিত লয় পোৱাটো আৱশ্যম্ভাৱী।❑❑

# নেৰিবাহা যুগধৰ্ম

(১২ পৃষ্ঠাৰ পৰা)

আছে। মূল ৰামায়ণৰ লংকাকাণ্ডত অগস্ত্য মুনিয়ে ৰামক যুদ্ধত জয় লাভৰ কাৰণে 'আদিত্য হৃদয়' নামৰ এটি বেদৰ সাৰ স্তৱ জপ কৰিবলৈ মাত্ৰ উপদেশ দিছিল। ৰামৰ প্ৰতি অগস্ত্যৰ বচন—

"ৰাম ৰাম মহাবাহো শৃণু গুহ্যং সনাতনম্।
যেন সৰ্ব্বান্ অৰীন্ বৎস সমৰে বিজয়িষ্যসে।।
আদিত্য হৃদয়ং পুণ্যং সৰ্বশত্ৰু বিনাশনম্।
জয়াবহং জপং নিত্যমক্ষয়ং পৰমং শিৱম্।।"
— ৰামায়ণ লঙ্কাকাণ্ড, ১০৫/৩-৪

কৃত্তিবাসে মূল ৰামায়ণৰ 'ছাঁটোহে ৰাখি বঙ্গালী অনুবাদত বহুত স্বকল্পিত কথা সুমুৱাই ভেঁজাল কৰিছে।

অবৈষ্ণৱজন গুৰু বা উপদেশদাতা হ'ব নোৱাৰে—

"মহাকুল প্ৰসুতোঽপি সৰ্ব্বযজ্ঞেষু দীক্ষিতঃ।
সহস্ৰশাখাধ্যায়ী চ ন গুৰুঃ স্যাদবৈষ্ণৱ।।"
— ভক্তিবিবেক

অৰ্থাৎ উচ্চকূলত জন্মিলেও সকলো যজ্ঞত দীক্ষিত হ'লেও, বেদৰ হাজাৰ শাখা অধ্যয়ন কৰি জ্ঞান অৰ্জন কৰিলেও অবৈষ্ণৱজন গুৰু হ'ব নোৱাৰে।

অবৈষ্ণৱোপদিষ্টেন মন্ত্ৰেণ নৰকং ব্ৰজেৎ।
পুনশ্চ বিধিনা সম্যক্ গ্ৰাহয়েৎ বৈষ্ণৱো গুৰুঃ।।

অৰ্থাৎ বৈষ্ণৱ উপদেশ গ্ৰহণ কৰিলে নৰকগামী হ'ব লাগে। কোনোবাই যদি অবৈষ্ণৱক গুৰু মানিছে তেন্তে সেই গুৰু ত্যাগ কৰি পুনৰ বৈষ্ণৱ মুখে আনকি হৰি কথাও শুনিব নাপায়—

"অবৈষ্ণৱো মুখোদ্গীৰ্ণং পুতং হৰি-কথামৃত।
শ্ৰৱণং নৈব কৰ্তব্যং সৰ্পোচ্ছিষ্টং যথা পয়ঃ।।"

অৰ্থাৎ সাপে মুখ দিয়া গাখীৰ যেনে অবৈষ্ণৱৰ মুখে ওলোৱা হৰি কথাও তেনে।

"বিষ্ণোৰ্ভৰ্ক্তিং বিনা ধৰ্ম্মানুপদেক্ষ্যন্তি যে নৰাঃ।
তে তিষ্ঠন্তি সদা কূপে যাবদন্ধ পৰম্পৰা।।"
— ভক্তিবিবেক

অৰ্থাৎ যিসকলে বিষ্ণু ভক্তিৰ বাহিৰে আন ধৰ্মৰ উপদেশ দিয়ে, তেওঁলোক সদায় অন্ধকূপত থাকে।

হৰিভক্তিহীন অবৈষ্ণৱজনক শাস্ত্ৰত চণ্ডাল বুলিছে—

"বিষ্ণু ভক্তিবিহীন যে চাণ্ডালাঃ পৰিকীৰ্ত্তিতাঃ।"— বৃহৎ নাৰদীয় পুৰাণ

হৰিভক্তিপৰায়ণজন জাতিত চণ্ডাল হ'লেও দ্বিজতকৈও শ্ৰেষ্ঠ হয় আৰু হৰিভক্তিহীন জনজাতিত ব্ৰাহ্মণ হ'লেও চণ্ডালতকৈ অধম।

চণ্ডালোঽপি দ্বিজশ্ৰেষ্ঠ হৰিভক্তিপৰায়ণঃ।
হৰিভক্তি বিহীনস্তু দ্বিজোঽপি স্বপচাধমঃ।।"

স্মৃতি শাস্ত্ৰতো এই কথা পোৱা যায়—

"অবৈষ্ণৱঃ স্যাদ্ যো বিপ্ৰো বহুশ্ৰাস্ত্ৰে শ্ৰুতোঽপি বা
স জীৱন্নেব চণ্ডালো মৃতঃ শ্বানোঽভিজায়তে।।" — হাৰীত স্মৃতি, ৮/২৭৯

অৰ্থাৎ বহুশাস্ত্ৰত বিদ্বান হ'লেও অবৈষ্ণৱ বিপ্ৰ জীৱিত কালত চণ্ডালতুল্য হয় আৰু মৰিলে কুকুৰ জন্ম পায়।

"অবৈষ্ণৱাঃ যে বিপ্ৰাঃ শ্বন্যকাদধমাঃ স্মৃতা।।"— হাৰীত স্মৃতি

অৰ্থাৎ—

"অবৈষ্ণৱ বিপ্ৰ চণ্ডালতকৈও অধম।
সৰ্ব্বত্ৰ অবৈষ্ণৱান্ বিপ্ৰান্ পতিতানিব সন্ত্যজেৎ।।"— হাৰীত স্মৃতি, ৬/৫১

অৰ্থাৎ অবৈষ্ণৱ বিপ্ৰক পতিতৰ দৰে ত্যাগ কৰিব লাগে।

"অবৈষ্ণৱানং বিপ্ৰানাং পূজনে বন্দনে তথা প্ৰায়শ্চিত্তং প্ৰকুৰ্বীত।" —হাৰীত, ৬/৪৩৫। অৰ্থাৎ অবৈষ্ণৱ বিপ্ৰক পূজা বন্দনা আদি কৰিলে প্ৰায়শ্চিত্ত হ'ব লাগে। এনেবোৰ গুৰু ত্যাগ কৰিবলৈ বিধান আছে—

"গুৰুৰপি অৱলিপ্তস্য কাৰ্যাকাৰ্যমজানতঃ।
উৎপথ-প্ৰতিপন্নস্য পৰিত্যাগো বিধীয়তে।।"
— মহাভাৰত, উদ্যোগ পৰ্ব

ঘোৰ সংসাৰাসক্ত, কাৰ্য-অকাৰ্য নজনা, হৰি ভক্তিহীন বিপথগামী গুৰুক পৰিত্যাগ কৰা উচিত। বৈষ্ণৱসকলে কৰ্মকাণ্ডমতে নিত্য-নৈমিত্তিক কৰ্ম কৰিব লাগে নেকি? ইয়াৰ উত্তৰ বশিষ্ঠ সংহিতাই দিছে—

"নিত্যং নৈমিত্তিকং কাম্যং দানং সংকল্পমেব চ। দৈৱং কৰ্ম্ম তথা পৈত্ৰং ন-কুৰ্য্যাৎ বৈষ্ণৱো গৃহী।।"

বৈষ্ণৱ গৃহীয়ে বৈদিক আৰু তান্ত্ৰিক পদ্ধতিৰ অন্য দেৱতা পূজা থকা ভক্তি বিৰোধী নিত্য, নৈমিত্তিক, কাম্য, দান, দেৱ পিতৃ-কৰ্ম কৰিব নাপায়। তেনেহ'লে তেওঁলোকে পিতৃ শ্ৰাদ্ধাদি নকৰে নেকি? হৰি কীৰ্তনেৰে কৰে। ভক্তি ব্যভিচাৰী ভূত-প্ৰেতাদিৰ পূজাৰে নহয়।

"বিষ্ণুভক্তগণে ছন্ন কৰি আগমক।
হৰি নামে সমাধিব অন্ত্যেষ্টিক্ৰিয়াক।।
জন্ম মৃত্যু কৰ্ম্ম যত কীৰ্ত্তনে কৰিব।
দ্বিজৰ জীৱিকা জানি অন্যত্ৰ তেজিব।।"
— পদ্মপুৰাণ

"তাৰত কৃষ্ণ ভক্ত নৰে/ ভক্তি অবিৰোধী কৰ্ম্ম কৰে/ কৃষ্ণৰ কথাত যাৰে ৰতি নোপজয়। যেনে ভৈল কৃষ্ণ কথা ৰত/ নিত্য নৈমিত্তিক আদি যত/ কথাৰ বিৰোধী জানিয়া সৱ তাজয়।।"
—নাম-ঘোষা

হৰিনামেৰে নিত্য-নৈমিত্তিক অনুষ্ঠান কৰাটো ভক্ত অবিৰোধী কৰ্ম। কিন্তু যেতিয়া কৃষ্ণ কথাত ৰতি জন্মে ভক্তি অবিৰোধী নিত্য-নৈমিত্তিক কৰ্মও 'কথাৰ বিৰোধী' জানি ত্যাগ কৰিব পাৰে।

"ভৈল যাৰ শ্ৰদ্ধা মোৰ কথা শ্ৰৱণত।
নিত্য নৈমিত্তিক আদি কৰি কৰ্ম্ম যত।।
কথাৰ বিৰোধী জানি তেজিব সকল।
সকলো কৰ্ম্মৰ কথা শ্ৰৱণেসে ফল।।"
— ভক্তি-ৰত্নাৱলী

ক্ৰমশঃ

# গোলাঘাট জিলা শাখাত কেন্দ্ৰীয় শিক্ষক দিৱস

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কেন্দ্ৰীয় সেৱাবাহিনীয়ে শিক্ষা শাখাৰ সহযোগত যোৱা ৫ ছেপ্টেম্বৰ তাৰিখ বৃহস্পতিবাৰে শিক্ষক দিৱসভাগি কেন্দ্ৰীয়ভাৱে গোলাঘাট জিলা শাখাৰ ব্যৱস্থাপনা আৰু মৰঙি আঞ্চলিক শাখাৰ আতিথ্যত অনুষ্ঠিত কৰা হয়। দিন যোৱা কাৰ্যসূচীৰে উদ্‌যাপন কৰা উক্ত শিক্ষক দিৱসভাগি গোলাঘাট জিলা সেৱাবাহিনীৰ দ্বাৰা পৰিবেশিত এভাগি বৰগীতেৰে শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কেন্দ্ৰীয় সেৱাবাহিনীৰ মূখ্য নিয়ন্ত্ৰক পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তদেৱৰ সঞ্চালনাত "বৰ্তমান শিক্ষা ব্যৱস্থাৰ উত্তৰণত ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব" শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। প্ৰধান সম্পাদক শ্ৰীবাবুল বৰাবাপে আলোচনা-চক্ৰভাগি উদ্বোধন কৰি বৰ্তমান শিক্ষা ব্যৱস্থাৰ যি উত্তৰণ ঘটিছে সি মানুহ গঢ় দিয়াত কৈ টকা ঘটাৰ একো একোটা মেচিন হিচাপে নতুন প্ৰজন্মক গঢ় দিছে বুলি উল্লেখ কৰে। মুখ্য আলোচক হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক শ্ৰীআনন্দ কুমাৰ বৰাদেৱ তেখেতৰ দীৰ্ঘ দিনীয়া শৈক্ষিক জীৱনৰ অভিজ্ঞতাৰে এক সাৰুৱা ভাষণ প্ৰদান কৰে। শিক্ষাৰ মহা উদ্দেশ্য আৰু বৰ্তমানৰ শিক্ষাৰ বৃত্তিমুখী উদ্দেশ্যৰ তুলনাৰে কয় যে ভাৰতীয় ইতিহাসে অতীজৰে পৰা শিক্ষা গুৰুসকলক এক সুকীয়া দৃষ্টি প্ৰদান কৰি আহিছে। আজিৰ যি উত্তৰণ ঘটিছে সি ক্ৰমান্বয়ে মানুহক মানুহৰ পৰা বিচ্ছিন্ন কৰি তুলিছে। আধ্যাত্মিক শিক্ষাৰ অবৰ্তমানে এই শিক্ষাৰ কোনো মূল্য নাই বুলি বক্তব্য ৰাখে। প্ৰচাৰ শাখাৰ সভাপতি শ্ৰীচন্দ্ৰ হাজৰিকাদেৱেও আন এজন আলোচক হিচাপে নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তব্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলক দিনটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। কেন্দ্ৰীয় সেৱাবাহিনীৰ মূখ্য অধিনায়ক, শ্ৰীঅঞ্জন সাধনিদাৰবাপে আলোচনাৰ লগতে কেন্দ্ৰীয়ভাৱে শিক্ষক দিৱসভাগি উদ্‌যাপন কৰাৰ মূল উদ্দেশ্যৰ কথা অৱগত কৰে। মুখ্য অতিথিৰ আসনৰ পৰা পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তদেৱে ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ আদৰ্শ কথা উল্লেখ কৰি বৰ্তমানৰ শিক্ষাগুৰুসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা লগতে অভিভাৱকসকলে পালন কৰিবলগীয়া দায়িত্বৰ কথাও ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। বিশিষ্ট অতিথিৰ আসনৰ পৰা গোলাঘাট জিলা শাখাৰ সভাপতি শ্ৰীথানেশ্বৰ হাজৰিকা, আৰু শ্ৰীমন্ত শঙ্কৰদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীনৰেন বড়াদেৱে বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতে কেন্দ্ৰীয় সেৱাবাহিনীয়ে শিক্ষা শাখাৰ সহযোগত যোৰহাট মণ্ডলৰ প্ৰায় ২৩ জন অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুক সম্বৰ্ধনা জনোৱা হয়। শ্ৰীমন্ত শঙ্কৰদেৱ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত এটি সমদল সঙ্গীতে সকলোকে আপ্লুত কৰি তোলে। শিক্ষা শাখাৰ প্ৰাক্তন সভাপতি ড° ৰাতুল চন্দ্ৰ বৰা বাপ, সম্পাদক শ্ৰীউপেননাথ বাপে কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ শাখাৰ সম্পাদিকা শ্ৰীৰূপা চুতীয়া আই, উপ মূখ্য অধিনায়ক শ্ৰীবিপ্লৱজ্যোতি বৰা বাপ উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# সাহিত্যিক বঁটাপ্ৰাপক জীৱকান্ত নাথ



**পৰিচয় ঃ** শ্ৰীজীৱকান্ত নাথ ১৯৫০ চনত শিৱসাগৰ জিলাৰ ইতিহাসপ্ৰসিদ্ধ গৌৰীসাগৰৰ ওচৰৰ হাতীঘূলি গাঁৱত জন্ম। গৌৰীসাগৰ ইণ্ডাষ্ট্ৰিয়েল ইন্সিটিউটৰ পৰা এইছ.এছ.এল.ছি. (১৯৬৮), শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয় (চাৰিং)ৰ পৰা স্নাতক (১৯৭৮), ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয় (ভাষা)ত স্নাতকোত্তৰ (১৯৮০) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.ফিল. (১৯৯২) ডিগ্ৰী লাভ কৰে। ১৯৮২ চনত মৰিগাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগত প্ৰবক্তা ৰূপে যোগদান কৰি ২০১৩ চনত সহযোগী অধ্যাপকৰূপে নাথে অৱসৰ গ্ৰহণ কৰে। মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতিৰূপে দুটা কাৰ্যকাল কাৰ্যনিৰ্বাহক কৰা নাথ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ এটা কাৰ্যকালৰ সদস্য আৰু আজীৱন সভ্য। উত্তৰ-পূৰ্বাঞ্চলৰ এটা জাতীয় সংগঠন শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সভাপতি আৰু সম্পাদকৰূপে দীৰ্ঘকাল জড়িত হৈ সঙ্ঘৰ কেইবাখনিও গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰে। জীৱকান্ত নাথ বাপক অসম চৰকাৰে ২০১৩ বৰ্ষৰ সাহিত্যিক বঁটা প্ৰদান কৰি যথোপযুক্ত স্বীকৃতি প্ৰদান কৰিছে। ।◆

# বিপিন চুতীয়াবাপক অসম সাহিত্য সভাৰ সম্বৰ্দ্ধনা

**ধেমাজি ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্তৰ্গত বাহকতিকা প্ৰাথমিক শাখাৰ সঙ্গী, মূলৰ প্ৰাক্তন সদস্য, মূল সাহিত্য শাখাৰ প্ৰাক্তন সদস্য, অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপিন চুতীয়া বাপক সদ্য অনুষ্ঠিত দ্বি-সপ্ততিতম্ বৰপেটাৰোড় অসম সাহিত্য সভাৰ অধিৱেশনৰ দ্বিতীয় মুকলি সভাত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বাবে বিপুলভাৱে সম্বৰ্দ্ধনা জনায়। অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ইম্‌ৰান শ্বাহে তেখেতক সম্বৰ্দ্ধনা জনায়।

চুতীয়া বাপজনাই শিক্ষা, সাহিত্য, সংস্কৃতি, আধ্যাত্মিক তত্ত্ব-দৰ্শন, শঙ্কৰী সাহিত্য সংস্কৃতি তথা একশৰণ হৰিনাম ধৰ্মৰ বিষয় অদ্যপৰিমিত ২৫খন গ্ৰন্থ আৰু ৩০০ৰো অধিক প্ৰবন্ধ লিখি বিভিন্ন আলোচনী, মুখপত্ৰ, স্মৃতিগ্ৰন্থ, স্মৰণিকা, বাতৰি-কাকত আদিত প্ৰকাশ পাই আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বাৰ্তালোচনী, নামধৰ্ম, স্মৃতিগ্ৰন্থাদিত একেৰাহে প্ৰবন্ধ লিখি আছে। তেখেতে শঙ্কৰী সাহিত্য সংস্কৃতি নামধৰ্মত নিজস্বভাৱে নিৰলস গৱেষণা চলাই আছে। শঙ্কৰী সাহিত্য আৰু কৃষ্টি-কলাৰ বাবেই তেখেতে হৰিনাম খাণ্ডেলীয় সাহিত্য বঁটা, ৰজনীকান্ত কলিতা স্মাৰক বঁটাৰ উপৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা লাভ কৰিছে। শঙ্কৰী সাহিত্য সংস্কৃতি, একশৰণ নামধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে লিখাৰ উপৰি অসম তথা অসমৰ বাহিৰত বিভিন্ন ধৰ্মীয় সভাত বক্তৃতা আৰু শাস্ত্ৰ ব্যাখ্যা প্ৰদান কৰি আছে। শঙ্কৰদেৱ সঙ্ঘ একান্ত সেৱক আৰু বক্তা হিচাপে তেখেতে আত্মনিয়োগ কৰিছে।◆

# থানেশ্বৰ গগৈক আৰোহণ সাহিত্য বঁটা প্ৰদান



**গুৱাহাটী ঃ** যোৱা ১ ছেপ্টেম্বৰত গুৱাহাটীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আৰোহণ আৰ্টিষ্ট গীল্ডে বেলতলাৰ জয়ানগৰ নিবাসী নীৰৱ সাহিত্যিক থানেশ্বৰ গগৈক আৰোহণ সাহিত্য বঁটা ২০১৩ প্ৰদান কৰে। উল্লেখ্য যে শিল্পী, সাহিত্যিক, সাংবাদিক আৰু সমাজ সেৱকৰ সুৰক্ষা মঞ্চ আৰোহণ আৰ্টিষ্ট গীল্ডে উক্ত ক্ষেত্ৰসমূহলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ ।বে নিৰ্বাচিতসকলক আৰোহণ বঁটা প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি প্ৰচাৰবিমুখ অশীতিপৰ সাহিত্যিকগৰাকীয়ে নিজৰ অনুভৱ ব্যক্ত কৰি কয় ঃ সাহিত্যিক বুলি পৰিচয় দিব পৰাকৈ যোগ্যতা অৰ্জন কৰিছোঁ বুলি মই এতিয়াও ভবা নাই। তথাপি ৰাইজে সাহিত্যিক বুলি ক'লে মনটো ভাল লাগে আৰু দীৰ্ঘ জীৱনত কৰি অহা শ্ৰম সাৰ্থক হোৱা বুলি অনুভৱ কৰো। উল্লেখ্য যে গগৈৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰে লিখা গ্ৰন্থসমূহে ইতিমধ্যে পাঠ সমাজৰ সমাদক লাভ কৰিছে। বাপজনাই সঙ্ঘৰ মুখপত্ৰ 'নাম-ধৰ্ম' আলোচনীৰ সম্পাদনাৰ দায়িত্বতো আছিল।◆

আপুনি পঢ়িলেনে...
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত
সততাই সৰ্বোত্তম ধৰ্ম
শংকৰজ্যোতি
এখন সম্পূৰ্ণ দৈনিক কাকত
e-paper: www.sankarjyoti.com
ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী
সম্পাদক
সৌতিক গোস্বামী
পৰিচালন সঞ্চালক
লগতে দেওবৰীয়া বিশেষ
মধুপুৰ
যোগেশ মজুমদাৰ
কাৰ্যবাহী সম্পাদক
নিৰেন চন্দন গোস্বামী
সহযোগী সম্পাদক

জয় গুৰু শঙ্কৰ
ignou THE PEOPLE'S UNIVERSITY
AISECT Education. Empowerment. Enterprise.
Central University under
MHRD Govt. of India
Tally / PGDCA / DCA / CCFA / CCA / HDCA
Approved & Recognised by -
AICET, UGC, DEC
বিঃদ্ৰঃ- শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অৰ্ন্তভূক্ত ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী সকলৰ বাবে বিশেষ ৰেহাই সমূল্যত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।
সেৱাৰে — শ্ৰী ৰমাকান্ত দাস, পৰিচালক
-ঃ যোগাযোগ কৰক ঃ-
ICPA
A GROUP OF EDUCATION
M.D. Road, Saikia Market, N.H-.36,
Near Nowgong College
Ph.- 97061 81199, 88763 58715

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহন্তো (ফোন নং-৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, বীৰেশ হাজৰিকা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰহ্লাদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, ৰামকৃষ্ণ পাটগিৰি ঃ সম্পাদক —ভবেন দুৱৰী (ফোন নং— ৯৪৩৫৪০৩০১১), সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ, ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট, বামুণীমৈদাম, গুৱাহাটী ৭৮১০২১ত মুদ্ৰিত। সম্পাদক ঃ ভবেন দুৱৰী, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২ ফোন ঃ ৯৪৩৫৪-০৩০১১